REFERENCE
NOT FOR ISSUE
[illegible] LIBRARY

# CONTENTS

## BUDGET SESSION

No.—4

Dated, the 16th December 1996



| | | Page |
|---|---|---|
| 1. | Questions And Answers | 1—71 |
| 2. | Report of the Business Advisory Committee | 72—74 |
| 3. | General Discussion on the Budget | 75—137 |
| 4. | Adjournment | —138 |
| 5 | Annexures—I to VIII | 139—172 |

# DEBATES OF THE
# ASSAM LEGISLATIVE ASSEMBLY

Monday, December 16, 1996

The House met at 9 A.M. of the Clock in the Assembly Chamber at Dispur with Shri Ganesh Kutum, Speaker in the Chair.

## STARRED
## QUESTIONS AND ANSWERS

( To which oral replies were given )

Mr. Speaker : Now Starred Question No. 61.

বিষয় ঃ মিনি ষ্টেডিয়াম।

শ্ৰীমতী ৰেণুপমা ৰাজখোৱাই সুধিছে ঃ

★ ৬১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ১৯৯৫ চনৰ ২৭-১১-৯৫ তাৰিখে যোৰহাট আৰৱ্ত ভৱনত অনুষ্ঠিত হোৱা Sub-Divisional Planning ৰ মিটিঙত টীয়ক সমষ্টিৰ অন্তৰ্গত জগদ্বৰাবৰত এখন মিনি ষ্টেডিয়ামৰ বাবে ১০ লাখ টকা ক্ৰীড়া বিভাগে পোৱাৰ কথাটো মন্ত্ৰী মহোদয়ৰ অৱগতনে ?

খ) যদি অৱগত তেন্তে ইয়াৰ কাম কেতিয়া আৰম্ভ কৰিব মন্ত্ৰী মহোদয়ে জনাবনে ?

গ) প্ৰতি বছৰে গ্ৰাম্য ক্ৰীড়া সপ্তাহ পতাৰ দৰে এইবাৰো পতাৰ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিছেনে ?

ঘ) যদি কৰা নাই কিয় কৰা নাই জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী )য়ে উত্তৰ দিছে :

ক) অৱগত।

খ) যোৱা বিত্তীয় বছৰত উক্ত ষ্টেডিয়ামৰ নামত আৱণ্টন হোৱা ১০ লাখ টকা বিত্তীয় অসুবিধাৰ বাবে মুকলি কৰি দিব পৰা নাই। সেয়েহে নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰিব পৰা নাই। উক্ত টকা মুকলি কৰি দিয়াৰ পিছতেই নিৰ্মাণৰ কাম আৰম্ভ কৰা হব।

গ) গ্ৰাম্য ক্ৰীড়া সপ্তাহ নহয়, গ্ৰাম্য ক্ৰীড়াহে দুটা স্তৰত অনুষ্ঠিত কৰা হয়। এই বছৰো এই ক্ৰীড়া শিলচৰৰ পাইলাপুল আৰু শিৱসাগৰৰ ডিমৌত স্কুলমে অনুষ্ঠিত হৈ যায়।

ঘ) ওপৰৰ 'গ' প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত এই প্ৰশ্ন নুঠে।

★ শ্ৰীমতী ৰেণুপমা ৰাজখোৱা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই ষ্টেডিয়ামখনৰ স্থান নিৰ্ণয় কৰা হৈছে নেকি আৰু কোন ডোখৰ মাটিত এই ষ্টেডিয়াম নিৰ্মাণ কৰা হব সেইটো নিৰ্ণয় কৰা হৈছে নেকি ?

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : তেনেকুৱা বিতং তথ্য আমাৰ হাতত নাই। কিন্তু উক্ত ষ্টেডিয়ামখন নিৰ্মাণৰ কাৰণে ১০ লাখ টকা ধাৰ্য্য কৰা হৈছে।

★ শ্ৰীমতী ৰেণুপমা ৰাজখোৱা : মাননীয় অধ্যক্ষ মহোদয়, এই ষ্টেডিয়ামখন নিৰ্মাণৰ কাৰণে জগদুৱাৰ ছাবি গ্ৰেজিংত ২৫ বিঘা মাটি দিয়া হৈছে। গতিকে এই বিত্তীয় বছৰতেই এই ষ্টেডিয়ামখনৰ নিৰ্মাণৰ কাম আৰম্ভ কৰিবনে ?

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাটি ঠিক হ'লে, টকা পালেই কাম আৰম্ভ কৰিব পৰা যাব।

★ শ্ৰীমতী ৰেণুপমা ৰাজখোৱা : মাননীয় অধ্যক্ষ মহোদয়, এই মাটিৰ ফাইলটো চেক্ৰেটাৰীয়েটত আছে। মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অতি

★ Speech not corrected

সোনকালে এই ক্ষেত্রত বিহিত ব্যৱস্থা লৈ এই বিত্তীয় বছৰতেই এই ষ্টেডিয়ামখন নির্মাণৰ কাম আৰম্ভ কৰিবলৈ অনুৰোধ জনাইছো।

☆ শ্রীপ্রফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্রী ) : মাননীয় অধ্যক্ষ মহোদয়, চোৱা হব।

Mr. Speaker : Now Starred Question No. 62.

বিষয় : সীমা সমস্যা নিষ্পত্তি।

শ্রীমতী ৰূপম কুৰ্মীয়ে সুধিছে :

☆ ৬২। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) অসম নগালেণ্ড সীমা বিবাদ নিষ্পত্তি কৰাৰ ক্ষেত্রত অসম চৰকাৰৰ স্থিতি কি? সীমান্ত সমস্যা নিষ্পত্তি কৰাৰ ক্ষেত্রত অসম চৰকাৰৰ কিবা স্পষ্ট নীতি আছেনে? যদি আছে জনাবনে?

খ) এই সীমান্তবৰ্ত্তী অঞ্চলৰ উন্নয়ণৰ বাবে বৰ্ত্তমান অসম চৰকাৰে কি পদক্ষেপ গ্রহণ কৰিছে?

গ) ১৯৯৬-৯৭ চনত চৰকাৰে সীমান্তবৰ্ত্তী অঞ্চলৰ উন্নয়ণৰ বাবে কিমান টকা খৰছ কৰাৰ আঁচনি লৈছে আৰু কত কত কৰিব জনাবনে?

শ্রীপ্রফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্রী ) য়ে উত্তৰ দিছে।

ক) ভাৰতীয় সংবিধানৰ ভিত্তিত, সংশ্লিষ্ট আইন, অসম আৰু নগালেণ্ডৰ মাজৰ সাংবিধানিক সীমা চিহ্নিত কৰা অধিসূচনা নং ৩১০২ আৰু ২৫ নবেম্বৰ ১৯২৫ আৰু কেন্দ্রীয় চৰকাৰৰ দ্বাৰা গঠিত সুন্দৰম কমিটীৰ অনুমোদনাৱলীৰ আধাৰত অসম চৰকাৰে অসম নগালেণ্ড সীমা বিবাদ নিষ্পত্তি কৰিবলৈ বিচাৰি আহিছে।

অৱশ্যে উল্লেখিত অধিসূচনা আৰু সুন্দৰম কমিটীৰ অনুমোদনাৱলী নগালেণ্ড চৰকাৰে গ্রহণ কৰিবলৈ অমান্তি হোৱাত কেন্দ্রীয় চৰকাৰৰ দিহা অনুযায়ী দ্বিপাক্ষিক আলোচনাৰ দ্বাৰা সীমা বিবাদ নিষ্পত্তি কৰাৰ প্রচেষ্টা অব্যাহত আছে। অসম আৰু নগালেণ্ড চৰকাৰৰ মুখ্যমন্ত্রী পৰ্য্যায়ৰ আলোচনা মৰ্মে দুয়োখন চৰকাৰৰ বিষয়া পৰ্য্যায়ৰ কমিটীৰ

---

★ Speech not corrected

দ্বাৰা বিবাদমান অঞ্চলত যুটীয়াভাৱে বাস্তৱ স্বৰজমিন নিৰূপণ কৰি পাৰস্পৰিক বুজাপৰা আৰু আলোচনাৰ মাজেৰে বিবাদ নিষ্পত্তি কৰিবলৈ দিয়া কাম চলাই থকা হৈছে।

খ) সীমান্ত অঞ্চল উন্নয়ণৰ বাবে অসম চৰকাৰৰ সীমান্ত অঞ্চল বিভাগৰ দ্বাৰা সপ্তম পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ পৰাই বাৰ্ষিক পৰিকল্পনা বজেটৰ পুজিৰ পৰা সীমান্তবৰ্তী ভৈয়ামৰ জিলাসমূহত মহকুমা পৰ্য্যায়ৰ বিকেন্দ্ৰীকৃত পৰিকল্পনাৰ অধীনত বিভিন্ন উন্নয়ণমূলক আঁচনি যেনে—বাট-পথ ও দলং নিৰ্মান ও মেৰামতি, বিদ্যালয় গৃহ নিৰ্মান, স্বাস্থ্য ও উপ-স্বাস্থ্যকেন্দ্ৰ ভৱন নিৰ্মান, খোৱা পানীৰ বাবে নলীনাদ ও কুৱাঁ নিৰ্মান, সীমান্ত আৰক্ষী চকী নিৰ্মান ও মেৰামতি, সীমান্ত অঞ্চলৰ দণ্ডাধীশৰ কাৰ্য্যালয় ও বাসভৱন নিৰ্মান আৰু গাড়ী যোগান আদি ৰূপায়ণ কৰি থকা হৈছে। অৱশ্যে পাৰ্বত্য জিলা কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ বাবে সীমান্ত অঞ্চল বিভাগৰ পৰা উপাযুক্তলৈ পোনপতীয়াকৈ পুজিৰ আবণ্টন কৰা হয়, যিহেতু উক্ত জিলা দুয়োখন বিকেন্দ্ৰীকৃত পৰিকল্পনাৰ অন্তভূৰ্ক্ত নহয়।

গ) ১৯৯৬-৯৭ চনত সীমান্ত অঞ্চল উন্নয়ণৰ বাবে বাৰ্ষিক পৰিকল্পনাৰ মুঠ আবণ্টিত ২০০ লাখ টকাৰ পুজিৰ ভিতৰত ভৈয়াম অঞ্চলৰ সীমান্তবৰ্তী মুঠ ২০ খন জিলাত মহকুমা ভিত্তি পৰিকল্পনাৰ অধীনত মুঠ ১৭১ লাখ টকা ধাৰ্য্য কৰা হৈছে। পাৰ্বত্য জিলা দুখনৰ বাবে প্ৰত্যেকতে ৬ লাখ টকাকৈ সৰ্বমুঠ ১২ লাখ টকা ধাৰ্য্য কৰা হৈছে। বাকী ১৭ লাখ টকা প্ৰশাসনীয় ব্যয়ৰ শিতানত ধাৰ্য্য কৰা হৈছে। উল্লেখিত ১৭১ লাখ পুজিৰ পৰা অসম নগালেণ্ড সীমান্তবৰ্তী সংশ্লিষ্ট ভৈয়ামৰ জিলা তিনিখনৰ বাবে শিৱসাগৰ জিলাত ২৮ লাখ টকা, যোৰহাট জিলাত ১৭ লাখ টকা আৰু গোলাঘাট জিলাত ৪০ লাখ টকা সৰ্বমুঠ ৮৫ লাখ টকা ধাৰ্য্য কৰা হৈছে।

★ শ্ৰীমতী ৰূপম কুৰ্মী ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ইতিমধ্যেই উত্তৰত কৈছে যে সীমান্তবৰ্ত্তী অঞ্চলত উন্নয়ণৰ কাম হাতত লোৱা হৈছে বা কৰা হৈছে। কিন্তু মই জনাব বিচাৰিছো যে সীমান্তবৰ্ত্তী অঞ্চলত ইমূৰৰ পৰা সিমূৰলৈ থকা দলঙৰ অৱস্থা একেবাৰে জৰাজীৰ্ণ। মৰিয়ণিৰ ৰজাবাৰীলৈ যোৱা পথচোৱাত দলং নাই। চৰকাৰী বিষয়াই হওঁক বা জনসাধাৰণেই হওক ভালৈ অহা যোৱা কৰিব নোৱাৰে। ইতিমধ্যে তেখেতে উল্লেখ কৰিছে যে স্বাস্থ্য বিভাগ ইত্যাদিৰ কামো হাতত লোৱা হৈছে। কিন্তু এই ক্ষেত্ৰত মই জনাব বিচাৰিছো যে সীমান্তবৰ্ত্তী অঞ্চলত উপস্বাস্থ্য কেন্দ্ৰৰ ঘৰ বনোৱা হৈছে যদিও তলা মাৰি থৈছে মুকলি কৰা নাই। গতিকে এই উপ স্বাস্থ্যকেন্দ্ৰ মুকলি কৰাৰ ব্যৱস্থা কৰিব নেকি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে জনাবনে ? ইয়াৰ উপৰিও সীমান্তবৰ্ত্তী অঞ্চলত যিবিলাক শিক্ষা-নুষ্ঠান আছে বিশেষকৈ প্ৰাইমাৰী স্কুল বিলাক চৰকাৰীকৰণ কৰাৰ ব্যৱস্থা কৰিব নে ? মোৰ তৃতীয় প্ৰশ্ন হৈছে যে যিবিলাক আৰক্ষী চকী আছে সেই চকী বিলাকে যেনে ধৰণে কাম কৰিব লাগে তেনে ধৰণে কৰিব পৰা নাই। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক এই চকী বিলাকে ভাল ধৰণে কাম কৰাৰ ব্যৱস্থা কৰাৰ কাৰণে মই অনুৰোধ জনাইছো। কিয়নো লেপ্ৰোচি কলনি যি ডোখৰ ঠাইত আছে সেই ঠাই ডোখৰত থকা আৰক্ষী চকীয়ে ভাল ধৰণে কাম নকৰাৰ কাৰণে সেই দুৰ্ভগীয়া মানুহখিনিৰ মাটি নগাসকলে দখল কৰিছে। এতিয়া তেওঁলোকে পাক ঘৰত সোমোৱাৰ ব্যৱস্থা কৰিছে। গতিকে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে অতি শীঘ্ৰে এই বিলাক ক্ষেত্ৰত বিহিত ব্যৱস্থা লব নেকি ?

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, দিবাংপানী অঞ্চলৰ বাহিৰে বাকী অঞ্চলসমূহত পৰ্য্যায়ক্ৰমে ব্যৱস্থা হাতত লোৱা হৈছে।

---

★ Speech not corrected

★ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, সীমা সমস্যাটো এটা গুৰুত্বপূৰ্ণ সমস্যা। নগালেণ্ডৰ লগত সীমা সমস্যাটো সমাধান কৰাৰ কাৰণে আমাৰ চৰকাৰে কিবা চিন্তা-চৰ্চা কৰিছে নেকি ?

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, বিষয়া পৰ্য্যায়ত যথেষ্ট আলোচনা চলি আছে। ১৯৮৫ চনৰ পৰা ১৯৯০ চনলৈ মই মুখ্যমন্ত্ৰী থাকোঁতেও আলোচনা কৰিছিলো। কিন্তু নগালেণ্ড চৰকাৰে যেপখন আমাৰ আৰু মাটিখিনি তেওঁলোকৰ বুলি কয়। আমি এই ক্ষেত্ৰত আলোচনা-বিলোচনাৰ মাজেদি গোটেই সমস্যাটো মীমাংসা কৰিব বিচাৰিছো।

★ শ্ৰীহেমন্ত কলিতা : মাননীয় অধ্যক্ষ মহোদয়, সীমান্ত অঞ্চলৰ বহুটো ৰাস্তা এতিয়াও আধৰুৱা হৈ আছে। এটা গুৰুত্বপূৰ্ণ ৰাস্তা ১৯৬৯ চনতে আৰম্ভ কৰা এতিয়াও সম্পূৰ্ণ হোৱা নাই। '৬৯ চনতে আৰম্ভ কৰিছিল যদিও এতিয়াও অসম্পূৰ্ণ অৱস্থাত আছে। সীমান্তৰ বিবাদ মান এলেকাৰ ৰাস্তা সম্পূৰ্ণ কৰাৰ ব্যৱস্থা লব নেকি ?

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কত মোৰ হাতত অধিক তথ্য নাই। তথ্য সংগ্ৰহ কৰি জনাব পৰা যাব।

★ শ্ৰীমতী ৰেণুপমা ৰাজখোৱা : মাননীয় অধ্যক্ষ মহোদয়, যোৱা চৰকাৰৰ দিনতে সীমান্তত অৱস্থিত বিদ্যালয়সমূহ চৰকাৰীকৰণ কৰাৰ কাম কৰিব বুলি সেই সময়ৰ মন্ত্ৰীয়ে ঘোষণা কৰিছিল। এই সম্পৰ্কত এতিয়া কিমানদূৰ কাম আগবাঢ়িছে মাননীয় মুখ্যমন্ত্ৰীয়ে জনাব নেকি ? প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত হিতেশ্বৰ শইকীয়াইয়ো ঘোষণা কৰিছিল।

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কত এটা বেলেগ প্ৰশ্নৰ প্ৰয়োজন হব।

★ শ্ৰীচন্দ্ৰ কান্ত টেৰাং : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে

---

★ Speech not corrected

উন্নয়নমূলক কাম কৰাৰ কথা কৈছে। কিন্তু কথা হৈছে বিশেষকৈ নগালেণ্ড, কাৰ্বি আংলং অটোনমাচ কাউঞ্চিল, মণিপুৰ আৰু এন, চি, হিলচ অটোনমাচ কাউঞ্চিলৰ সীমান্ত অঞ্চলৰ আইন শৃঙ্খলা পৰিস্থিতি বৰ বেয়া। তাত ব্লেক মাৰ্কেটিং আৰু আঞ্চাৰ ওৱাৰ্ডৰ বহুতো কাম চলি আছে ৩৯ নং ৰাষ্ট্ৰীয় ঘাই পথত। গতিকে মাননীয় মুখ্যমন্ত্ৰীয়ে জনাব নেকি সেইবিলাকত বৰ্ডাৰ আউট পোষ্ট আছেনে নাই?

★শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ইন্টাৰ ষ্টেট বৰ্ডাৰত বি, ও, পি পাতিব লাগে বুলি প্ৰস্তাৱ আহিছে। বৰ্তমান নাই।

### Re : Recurrence of Violence.

Shri Mohini Basumatary asked:

★63. Will the Minister of Home be pleased to state :

(a) Whether Government is aware that sporadic incidence of violence of arson, looting, damages of shops, godowns, houses etc. are taking place for the last few months in and around Bijni Subdivision ?

(b) Whether Government has taken any steps to prevent such recurring incidence.

(c) Whether Government is also aware that the people of Bijni area are living in constant fear of arson, violence to men and property for last few months ?

(d) If yes, what steps are taken ?

(e) If not, why ?

Shri Prafulla Kumar Mahanta (Chief Minister) replied.

(a) No such incident reported from Bijni Sub-Division.

★ Speech not corrected

(b) Yes.

(c) Yes.

(d) Yes, fixed pickets / patrolling checkings / raid / search are regularly executed to build confidence among the people.

(e) Does not arise.

★শ্ৰীমোহিনী বসুমতাৰী : মাননীয় অধ্যক্ষ মহোদয়, বিজনী টাউনতে যিহেতুকে এই ঘটনা ঘটিছিল সেই কাৰণে টাউনৰ মানুহখিনিয়ে ন'চিকুৰ ফিল কৰিছে। সেইকাৰণে মাননীয় মুখ্যমন্ত্ৰীক অনুৰোধ কৰিছো এটা ফায়াৰ ব্ৰিগেডৰ ব্ৰাঞ্চ দিয়াৰ ব্যৱস্থা কৰিবলৈ।

★শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে যিটো প্ৰশ্ন কৰিছিল এটা ইনচিডেণ্ট আছিল মানিকপুৰ থানাৰ অন্তৰ্গতত। গো-ডাউন জ্বলাই দিয়া হৈছিল। এতিয়া আৰু সেই পৰিস্থিতি নাই। তেখেতে যিটো ফায়াৰ ব্ৰিগেডৰ কথা কৈছে সেইটো বিত্তৰ ওপৰত নিৰ্ভৰ কৰিব।

Re : Revenue Deposit.

Shri Girindra Mallik. }
Shri Mustafa Sahidul Islam } asked :

★64. Will the Minister of Finance be pleased to state :

(a) Whether Government is depositing funds to the Revenue Deposit ?

(b) What are the departments that transferred the funds to Revenue Deposit.

(c) Is there any laid down rule of the Revenue Deposit ?

Shri Prafulla Kumar Mahanta (Chief Minister) replied :

a) Yes, Drawing and Disbursing officers of a Government Department have deposited fund in to the Revenue Deposit head of Public Account Fund.

b) The list of Departments has been placed on the table of the House.

c) Yes, there is provision under Assam Financial Rules 402 for Revenue Deposit. Further Government has laid down detail procedure with regard to Revenue Deposit.

( See the Annexure No.-1 )

★ শ্ৰীমুস্তাফা শ্বহিদুল ইছলাম ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে জনাব নেকি আৰু, ডিত যিবিলাক টকা জমা আছে সেই টকা বিলাকে অসমৰ উন্নয়নমূলক কাম-কাজত স্থবিৰতা আনে আৰু বৰ্তমান উন্নয়নমূলক কাম স্থবিৰ কৰিছে। গতিকে ট্ৰেন্সফাৰৰ যি ব্যৱস্থা সেইটো বন্ধ কৰি অসমৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত আইন আৰোপ কৰাৰ ব্যৱস্থা কৰিব নেকি ?

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, আৰু, ডিত টকা আছে মানে আচলতে টকা নাই, কাগজতহে আছে। ১৯৯২-৯৩ চনৰ পৰাই এই প্ৰক্ৰিয়া আৰম্ভ হৈছে। এতিয়া বেলেগ ব্যৱস্থা আৰম্ভ কৰিব পৰা হব।

★ Shri Kali Ranjan Deb : What is the reason for keeping the voted amount in the Revenue Deposit. Whether it is a regular process or under some exigencies it is kept under Revenue deposit.

★ Shri Prafulla Kumar Mahanta ( Chief Minister ) : Due to some urgency of the matter Govt. has decided to keep the money in Revenue Deposit.

---

★ Speech not corrected

★ শ্ৰীপৃথিবী মাঝী ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীয়ে কৈছে যে আৰ, ডি চিষ্টেম সকলোতে আছে। কিন্তু মই জনাত ভাৰতৰ আন, কোনো ঠাইত নাই যদিও ১৯৯২ চনৰ পৰা কৰা হৈছে এইটোত যথেষ্ট অসুবিধা হয়। ছাত্ৰ-ছাত্ৰীৰ বৃত্তিৰ টকাও আৰ, ডিত জমা থবলগীয়া হৈছে। যিহেতুকে এইটো এটা গুৰুত্বপূৰ্ণ কথা গতিকে ৰিভিও কৰাৰ ব্যৱস্থা লব নেকি।

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে যিটো কৈছে যে অন্য ৰাজ্যত নাই সেইটো নহয় অন্য ৰাজ্যতো আছে। তাৰে আৰ, ডি হিচাবে নহয় বেলেগ হেডত জমা ৰাখে। আমি এতিয়া পৰ্য্যায় ক্ৰমে নাইকীয়া কৰাৰ ব্যৱস্থা কৰিম।

★ শ্ৰীহেমেন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীয়ে অলপ আগতে কৈছে যে আৰ, ডি কাগজতহে আছে টকা নাই। সেই কাৰণে বিষয়টো তদন্ত কৰিব লাগে টকা কলৈ গ'ল।

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই গোটেই বিষয়টো চাব দিছো।

বিষয় ঃ বিভাগীয় তদন্ত।

শ্ৰীকেশৰাম, বৰাই সুধিছে ঃ

★ ৬৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) প্ৰাক্তন বিধায়ক মৃত জগত হাজৰিকাৰ হত্যাৰ ওপৰত বিভাগীয় তদন্ত কৰা হৈছিলনে নাই অনুগ্ৰহ কৰি জনাবনে ?

খ) যদি অনুসন্ধান হৈছে, বৰ্ত্তমান কি পৰ্য্যায়ত আছে ?

গ) কোনো দোষীক গ্ৰেপ্তাৰ কৰা হৈছে নেকি ?

ঘ) যদি হৈছে দোষীৰ নাম অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) উত্তৰ দিছে ঃ

ক) প্ৰাক্তন বিধায়ক মৃত জগত হাজৰিকাৰ হত্যাৰ ওপৰত পুলিচৰ দ্বাৰা

★ Speech not corrected

তদন্ত কৰা হৈছিল।

খ) আটকাধীন ব্যক্তিৰ বিপক্ষে পৰ্য্যাপ্ত সাক্ষ্য প্ৰমাণ নথকাত গোচৰ নিষ্পত্তি হয়।

গ) হৈছিল।

ঘ) শ্ৰীভেনী দত্ত ওৰফে গোবিন দত্ত।

★ শ্ৰীকেশৰাম বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, গ্ৰেপ্তাৰ কৰা ব্যক্তি শ্ৰীভেনী দত্ত ওৰফে গোবিন দত্তক উপযুক্ত প্ৰমাণ নথকাৰ কাৰণে মুকলি কৰি দিলে। তদন্তৰ কালত পৰোক্ষভাৱে হস্তক্ষেপ কৰি তদন্তৰ কামত আগবাঢ়িব দিয়া হোৱা নাছিল। সেইটোত ৰাইজৰ প্ৰতিক্ৰিয়াও সৃষ্টি হৈছিল। গতিকে মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো আচল দোষী ধৰাৰ কাৰণে পুনৰ তদন্ত আৰম্ভ কৰিব নেকি ?

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, তদন্ত আৰম্ভ কৰিব পৰা যাব। কিন্তু প্ৰশ্ন হৈছে উপযুক্ত সাক্ষী নাথাকিলে তদন্তৰ ফল ভাল পাব বুলি কব নোৱাৰি। তথাপিও যদি মাননীয় সদস্যই কয় আৰম্ভ কৰিব পৰা যায়।

শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীয়ে তদন্ত কৰিব পাৰি বুলি কৈছে। এইটো এজন প্ৰাক্তন বিধায়কক হত্যা কৰা হৈছে গতিকে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে গোটেই বিষয়টো পুনৰ অসম চৰকাৰৰ চি, আই, ডি নহলে চি, বি, আইৰ জৰিয়তে তদন্ত কৰাৰ ব্যৱস্থা কৰিব নেকি ? কাৰণ ভৱিষ্যতে কোনোবাই আমাকো হত্যা কৰিব পাৰে।

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মই কৈছোৱেই এই বিষয়ত তদন্ত কৰিব পৰা যাব। কিন্তু উপযুক্ত সাক্ষী-বাদী নথকাৰ কাৰণে ভাল ফল পোৱা নাযাব। যদি মাননীয় সদস্যসকলে বিচাৰে তদন্ত কৰিব পৰা যাব।

★ Speech not corrected

★ শ্ৰীমোস্তাফা শহীদুল ইছলাম : অধ্যক্ষ মহোদয়, তেওঁ এজন ডেকা মানুহ আছিল গতিকে ইমান কম বয়সতে মৃত্যু হৈছে। গতিকে চি, বি, আইৰ জৰিয়তে তদন্ত কৰিব লাগে। মাননীয় মুখ্যমন্ত্ৰীয়ে এই ক্ষেত্ৰত আশ্বাস দিব নেকি।

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এইটো তদন্ত কৰাৰ কাৰণে অসম পুলিচেই যথেষ্ঠ।

Mr. Speaker : Now, Question No. 66, Hon'ble Member, Shri Deba Kanta Ramchiary. Hon'ble Chief Minister to reply.

বিষয় : কোচ ৰাজবংশীসকলক জনজাতি কৰণ বিধেয়ক।

শ্ৰী দেৱকান্ত ৰামচিয়াৰীয়ে সুধিছে :

★ ৬৬। মাননীয় ডব্লিউ পি টি এণ্ড বি চি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) "Assam Institute of Research for Tribal & Scheduled Caste" প্ৰতিষ্ঠানৰ সঞ্চালকে কোঁচ ৰাজবংশীসকলক গৱেষণাৰ জৰিয়তে জনজাতীয় কৰন কৰিব নোৱাৰে বুলি চৰকাৰক জনোৱা কথাটো সঁচা নেকি ?

খ) এইটো কথাও সঁগানে যে সঞ্চালকে জনোৱাৰ পিছতো চৰকাৰে এই সম্বন্ধে বিধেয়ক উত্থাপন কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰক অনুমোদন জনাইছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) AIRT & SC প্ৰতিষ্ঠানৰ সঞ্চালক জনে ১৯৯২ চনত গৱেষণা ভিত্তিত এখন প্ৰতিবেদন চৰকাৰৰ ওচৰত দাখিল কৰে। এই প্ৰতিবেদন মৰ্মে ভাৰত চৰকাৰৰ নিৰ্দ্ধাৰিত পাঁচটা চৰ্ত (ক্ৰাইটেৰিয়া) ৰ ভিতৰত দুটা চৰ্ত পূৰণ কৰা দেখা যায়। ইয়াৰ পিছত বিস্তাৰিত অধ্যয়নৰ

★ Speech not corrected

ভিত্তিত ১৯৯৪ চনত উক্ত প্ৰতিষ্ঠানৰ সঞ্চালকজনে উক্ত পাঁচটা চৰ্ত পূৰণ হোৱা বুলি চৰকাৰক জনায়। এই প্ৰতিবেদনৰ ভিত্তিত ৰাজ্য চৰকাৰৰ চুপাৰিচ মতে ভাৰত চৰকাৰে বিধেয়ক উত্থাপন কৰিলে।

খ) ঐ

★ শ্ৰী দেৱকান্ত ৰামচিয়াৰী : মাননীয় অধ্যক্ষ মহোদয়, হয় এইটো ১৯৯২ চনৰ ৩০ এপ্ৰিলত ভিৰেক্টৰৰ তাত দি দিছে। মাননীয় মুখ্যমন্ত্ৰীয়ে কৈছে যে দুটা স্বত্ব পূৰণ কৰিছে। আচলতে দুটা নহয় এটা হে It is due to distinctive culture and the Community and largely due to backwardness. তাৰ পিচতে 'কেকও'ৰডনেচৰ কথাটো আছে। পিচত ৪ টা ক্ৰাইটেৰিয়া সম্পূৰ্ণ কৰিছে। এই বিষয়টোৰ এটাৰ ৰিপৰ্ট দিছে, ২ টাৰ নহয়।

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এই গোটেইটো হব পাৰে। 'আসাম ইনষ্টিটিউত অব ৰিচাৰ্চৰ ট্ৰাইবেল এণ্ড চিডিস কাষ্ট' প্ৰতিষ্ঠানটোৱে গৱেষণা কৰি যিখিনি পাইছে সেইখিনিকে ১৯৯৪ চনত জনাইছে। তাৰ ওপৰত নিৰ্ভৰ কৰি চৰকাৰে ব্যৱস্থা লৈছে।

Mr. Speaker : Now question No. 67. Hon'ble Member Shri Atul Bora.

বিষয় : ভোট গ্ৰহণ কেন্দ্ৰ স্থাপন।

শ্ৰীঅতুল বৰাই সুধিছে :

★ ৬৭। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) গোলাঘাট জিলাৰ দৈয়াং বনাঞ্চল D. Sector ৰত যোৱা ১৯৯৬ চনৰ সাধাৰণ নিৰ্বাচনত কিমান ভোট গ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছিল ?

খ) গোলাঘাট সমষ্টিৰ অন্তৰ্গত দৈয়াং বনাঞ্চলত ভোটাৰৰ সংখ্যা কিমান আছিল ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই ( মুখ্যমন্ত্ৰী ) উত্তৰ দিছে :

---

★ Speech not corrected

ক) গোলাঘাট জিলাৰ অসম নগালেণ্ড সীমান্তৰ D. Sector (দৈয়াং বনাঞ্চল) ত ১৯৯৬ চনৰ সাধাৰণ নিৰ্বাচনত ৪০,২৪৯ ভোটাৰৰ কাৰণে ৫৮ টা ভোট গ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছিল।

খ) এই এলেকাত মুঠ ভোটাৰৰ সংখ্যা আছিল ৪১,১৬৫ জন।

★শ্ৰীঅতুল বৰা : মাননীয় অধ্যক্ষ মহোদয়, দৈয়াং বনাঞ্চলত ৪১ হেজাৰৰো অধিক ভোটাৰ আছে আৰু সেই অঞ্চলৰ জনসংখ্যা হিচাবে আৰু বহুত বেছি। এই মানুহ খিলাকৰ ভোটাধিকাৰ দিয়া হৈছে যদিও তেওঁলোকৰ মাটিবিলাক বৰ্ত্তমানলৈকে পট্টন দিয়া হোৱা নাই। গোলাপ বৰবৰা চৰকাৰৰ দিনতে দৈয়াং বনাঞ্চল মুক্ত কৰি দিছিল। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক এই কথাটো জনাব বিচাৰিছো যে দৈয়াং বনাঞ্চলক 'ৰিজাৰ্ভ ভিলেজৰ' ব্যৱস্থা কৰি দিব লাগে।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, বৰ্ত্তমান যিটো প্ৰশ্ন উত্থাপন হৈছে সেই বিষয়ে কৈছো যে দৈয়াং আৰু গহপুৰৰ কিছু বনাঞ্চল ডি-ৰিজাৰ্ভ কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰলৈ লিখা হৈছে, এইটো কেন্দ্ৰীয় চৰকাৰেহে কৰিব পাৰে। কেন্দ্ৰীয় চৰকাৰৰ পৰা ক্লিয়াৰেঞ্চ আহিলে মাটি পট্টন দিব পৰা যাব।

শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে দৈয়াং গহপুৰৰ বনাঞ্চলক "ডি-ৰিজাৰ্ভ" কৰাৰ কথা কৈছে। ধেমাজি জিলাৰ শোৱনশিৰি আৰু জীয়াধল বনাঞ্চলকো "ডি-ৰিজাৰ্ভ" কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ ব্যৱস্থা কৰিব নেকি। আমি নিৰ্বাচনৰ সময়ত দেখা পাইছো অসম-নাগালেণ্ড, অসম অৰুণাচল সীমান্তৰ মানুহবিলাকে দুই ঠাইতে ভোট দিয়ে। সেই বিষয়ে চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এনে

★ Speech not corrected

ধৰণে দুইখন ৰাজ্যতে সীমা অঞ্চলৰ মানুহে ভোট দিয়াৰ কথাটো উঠিছে। এইটো হৈছে সীমান্ত অঞ্চলৰ বিশেষ সমস্যা। এই বিষয়ে ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে। আনটো প্ৰশ্নৰ উত্তৰত কৈছো যে সেইটো বন বিভাগৰ লগত জৰিত। সেই বিষয়েও চোৱা হব।

★ শ্ৰীঅতুল বৰা : মাননীয় অধ্যক্ষ মহোদয়, দৈয়াং অঞ্চলৰে ৰেংমা বনাঞ্চলৰ বাসিন্দাসকলৰ প্ৰতিটো পৰিয়ালে নাগালেণ্ডক ৩০০ টকাকৈ টেক্স দিব লগা হয়। এইখিনি মানুহ অসমৰ মানুহ, ইয়াৰ প্ৰতিকাৰৰ কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, সেই অঞ্চল বিলাক বিবাদমান অঞ্চল। এই ক্ষেত্ৰত পট্টা দিয়াৰ বাহিৰে ৰাইজৰ সহযোগত সকলো সমস্যা সমাধান কৰিব পৰা যাব।

শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, এই অঞ্চল বিলাকত 'লেণ্ড এলটমেন্ট চাৰ্টিফিকেট দিয়াৰ ব্যৱস্থা লব নেকি?

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো পৰীক্ষা কৰি চোৱা হব।

Mr. Speaker : Now Question No. 68. Questioner Srimati Pranoti Phukan.

Re : Creation of Sub-Division.

Smti. Pronati Phukan, }
Shri Prithibi Majhi } asked

★68. Will the Chief Minister (GAD) be pleased to state :

a) Whether Government is aware of the long standing demand for creation of a Sub-Division in Dibrugarh District?

b) If so whether Government is proposing to create a

---

★ Speech not corrected

new Sub-Division at Naharkatia ?

c) If not, why ?

Shri Prafulla Kr. Mahanta (Cheif Minister) Replied :

a) Yes.

b) Matter is under examination.

c) Does not arise.

★ শ্ৰীমতী প্ৰণতি ফুকন : মাননীয় অধ্যক্ষ মহোদয়, এই পৰীক্ষা কেতিয়া চলিব আৰু মহকুমা কেতিয়া হ'ব ?

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে বৰ্ত্তমান বিত্তীয় অৱস্থাৰ বাবে নতুনকৈ মহকুমা কৰাৰ প্ৰস্তাৱ হাতত লোৱা নাই। আগৰ পৰা যিবিলাক আৰম্ভ হ'ল পইছাৰ অভাৱৰ বাবে সেইবিলাকৰ বিল্ডিং আদি দিব পৰা হোৱা নাই। এইটো পৰীক্ষা কৰি চোৱা হব।

★ শ্ৰীমতী প্ৰণতি ফুকন : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যেতিয়া নাহৰকটিয়ালৈ আগতে গৈছিল, তেতিয়া কৈছিল যে মহকুমা ঘোষণাৰ কথাটো বিবেচনাধীন হৈ আছে। গতিকে মহকুমা কেতিয়া ঘোষণা কৰিব ?

★ শ্ৰপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এইটো পৰীক্ষা কৰি চোৱা হ'ব।

★ শ্ৰীপৃথিবী মাঝী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিত্তীয় অৱস্থাৰ কথা কৈছে। এই বিত্তীয় অৱস্থা বেয়াৰ কাৰণে মহকুমা ঘোষণা কৰিব পৰা নাই। প্ৰশাসনীয় ক্ষেত্ৰত ইয়াৰ গুৰুত্ব বেছি। তিনিচুকীয়া, ডিব্ৰুগড়ৰ যি ধৰণে মহকুমা থাকিব লাগিছিল সেই ধৰণে নাই। লক্ষীমপুৰ, শিৱসাগৰ, যোৰহাট এনেকুৱাকৈ

★ Speech not corrected

প্ৰত্যেকতে প্ৰশাসনীয় চাইড চোৱা হয়। তেনেকৈ ডিব্ৰুগড়ৰ প্ৰশাসনীয় চাইড বেছি। গতিকে বিত্তীয় কথাটো চিন্তা নকৰি এইটো চিন্তা কৰিব নেকি?

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য মাথি ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিছে, সেইটো পৰীক্ষা কৰি চোৱা হৈছে।

Demands for recreation of a Sub-Division of Naharkatiya in Dibrugarh District is received by the Government from the general public. The report was called from the Deputy Commissioner Dibrugarh and the Commissioner, Upper Assam. The reports are under examination of the Government From these reports, it appears that proposed area of the Naharkatiya Sub-Division is only 365 84 S.K.M. The area comprises of only a Gaon Panchayat incomplete and A.G. P. in part.

গতিকে চৰকাৰৰ তৰফৰ পৰা পৰীক্ষা কৰা হৈছে।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া: মাননীয় অধ্যক্ষ মহোদয়, শোণিতপুৰ জিলাৰ গহপুৰ সমষ্টিলৈ মহকুমা দিয়াৰ বাবে চৰকাৰে ৰিপোৰ্ট পাইছে নেকি? ধেমাজী মোৰ সমষ্টি। চাৰিটা গাওঁ পঞ্চায়ত ঢকুৱাখানাত আছে। ঢকুৱাখানা লক্ষীমপুৰৰ অন্তৰ্গত। এই চাৰিওটা গাওঁ পঞ্চায়ত ধেমাজীলৈ নিয়াৰ ব্যৱস্থা কৰিব নেকি?

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে পূৰ্বতে দাবী কৰিছে আৰু সেইটো চাবলৈ দিয়া হৈছে। নাহৰকটীয়াটোও চাবলৈ দিয়া হৈছে।

---

★ Speech not corrected

( Starred Question No. 69 was deferred )

Mr. Speaker : Now, Question No. 70. Hon'ble Member Shri Sukhendu Sekhar Dutta.

Re : Recognition of Manipuri Language.

Shri Sukhendu Shekhar Dutta. asked :

★ 70. Will the chief Minister be pleased to state :

a) What are views of the Government regarding the matter of recognition of Bishnupriya Manipuri Language ?

b) If there is any obstacle in the way whether the Government proposes to remove that obstacle ?

Sri Prafulla Kr. Mahanta ( Chief Minister ) replied :

a) Regarding recognition of Bishnupriya Manipuri Language, the matter has been referred to the Government of India for decision.

b) Does not arise.

Shri Sukhendu Sekhar Dutta : Mr. Speaker, Sir, I raise this question because this is very urgent and important. Sir, this is a very sensitive issue and a matter of serious nature. Speaker, Sir, this issue has been going on for a long period of time. As you know, On several occasions, there has been unrest/strike/procession being organised by the Bishnupriya Manipuri Community in the matter of recognition of Bishnupriya Manipuri Language and

very recently, there was firing that took place in my own Constituency. Many people sustained injuries and some succumbed to death out of this firing. As a result, there has been serious unrest and tension prevailing in my constituency. But why ? I think, this matter has been side-tracked. So far I remember, during the earlier regime of A.G.P. Government, an assurance was given to recognise the Bishnupriya Manipuri Language. But later on, this was stopped. I do not know the reason why this was stopped. If we take delatory attitude in taking a fruitful decistion on the matter, there would be social unrest and there would be more firing. So, I request the Hon'ble Chief Minister to look into the matter expeditiously so that some decision is taken in this regard to solve the problem.

Shri Prafulla Kumar Mahanta : ( Chief Minister ) Hon'ble Speaker, Sir, in this regard, decision may be taken by the Central Government and not the State Government

Mr. Speaker, Now Starred Question No. 71 Hon'ble Member Shri Aminul Islam.

Re : Implementation of Sports.

Shri Aminul Islam asked;

★ 71. Will the Chief Minister be pleased to state :

a) What are the policies the Government adopted to

encourage sports and Schemes for welfare of youths living in the rural areas in Assam ?

b) Whether the Government have plans to provide modern sports facilities at the sub-divisional level ?

Shri Prafulla Kr. Mahanta (Chief Minister) replied :

a) The Sports and Youth Welfare Policies and Schemes adopted by the Government give equal weightage to all the Youths of rural and urban areas. For the Youths of rural areas, the following schemes are adopted :-

1) Rural Sports Scheme.
2) Construction of Mini Stadium in C. D. Block,
3) Camps under National Service Scheme in rural areas,
4) Development of Rural areas school play field.

b) Yes.

Shri Aminul Islam : Hon'ble Speaker, Sir Hon'ble Chief Minister says that equal weightage has been given to rural youths in comparison to urban youths in the matter of Sports. Sir, is it not a fact that more weightage has been given to Urban youths than rural youths in respect of Sports ? Secondly, what are the schemes covered by the rural sports and thirdly, how many Mini Stadiums were so for consturcted under the C. D. Block level and fourthly, whether any decision has been taken to construct the Mini Stadium in South Salmara Mankachar ?

Shri Prafulla Kumar Mahanta (Chief Minister) replied :

During 1994-95, Rs. 2.20 lakhs were sanctioned for

completion of 22 nos. of Mini-Stadium in Assam. In the current year, we have already sanctioned 100 lakhs which was earmarked for construction of 10 nos. of Mini Stadium. Due to financial stringencies, this work is yet to be completed. Some more fund is required. However we may examine.

শ্ৰী দিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই জনাব নেকি যে আমিনগাৱঁৰ ৰাজীৱগান্ধী সোঁৱৰণী ষ্টেডিয়ামৰ বাবে কিমান টকা মঞ্জুৰ কৰা হৈছে? এই ষ্টেডিয়ামৰ ক্ষেত্ৰত কিছু খেলি-মেলিৰ সৃষ্টি হৈছে বুলি মই জানিছো। গতিকে কিমান টকা দিয়া হৈছে, কি পৰ্য্যায়ত আছে মই জানিব পাৰোনে? ইয়াৰ বাবে এক কৌটি সত্তৰ লাখ পঞ্চাচ হাজাৰ টকা ব্যয় কৰিছে বুলি কৈছে। কিন্তু কাম হোৱা নাই। মাননীয় মুখ্য মন্ত্ৰীয়ে তদন্ত কৰি বিহিত ব্যৱস্থা লৈ সদনৰ মজিয়াত প্ৰতিবেদন দাখিল কৰিব নেকি?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো ইতিমধ্যে চাবলৈ দিয়া হৈছে।

শ্ৰীমোহন দাস : মাননীয় অধ্যক্ষ মহোদয়, প্ৰতিটো মহকুমাৰ বাবে গ্ৰাম্য ক্ৰীড়াৰ কাৰণে ষ্টেডিয়াম ফুল-ফেনজেডক নিৰ্মাণ কৰাৰ আঁচনি আছে নেকি? মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এইটো বিত্তীয় পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰিছে। প্ৰতিখন মহকুমাতে কৰাৰ আঁচনি নাই। কিন্তু এনেকুৱা আঁচনি লবৰ বাবে কেন্দ্ৰীয় চৰকাৰে পৰামৰ্শ দিছে। সেয়েহে গুৱাহাটীত এখন ডাঙৰ ষ্টেডিয়াম নিৰ্মাণ কৰাৰ কাৰণে কাম আৰম্ভ কৰা হৈছে।

শ্ৰীপ্ৰবীণ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, গ্ৰাম্য অঞ্চলত আমাৰ যিবিলাক

খেলুৱৈ আছে তেখেতসকলৰ বাবে প্ৰতিযোগিতা পতা হয়। খেল-ধেমালিৰ বাবে গ্ৰাম্য অঞ্চলৰ অধিকাংশ খেলুৱৈক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে যাতে তেওঁলোক ওলাই আহে। টকা-পইচাৰ ক্ষেত্ৰত তেওঁলোকক সুবিধা দিব লাগে, কিন্তু যি ধৰণে তেওঁলোকক সুবিধা দিব লাগিছিল, সেই ধৰণে গ্ৰাম্য অঞ্চলত সুবিধা দিব পৰা নাই। যিবিলাক প্ৰতিযোগিতা পতা হয়, সেই প্ৰতিযোগিতা বিলাক যেনে ধৰণে হব লাগে তেনে ধৰণে নহয়। এই প্ৰতিযোগিতা বিলাক বিশেষকৈ ব্লক লেভেল বা জিলা ভিত্তিত পতা হয়। যিবিলাক জিলা বিষয়া আছে তেখেতসকলে যেনে ধৰণে গুৰুত্ব দিব লাগে তেনে ধৰণে দিয়া নাই। ৰাজ্যিক ভিত্তিত যিবিলাক প্ৰতিযোগিতা পতা হয়, সেইবিলাক পাল মৰা ধৰণে হয়। গতিকে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই অনুৰোধ জনাইছো যাতে এই প্ৰতিযোগিতা-সমূহ ভাল ধৰণে হয়, সা-সুবিধাসমূহ দিয়া হয়। ৰাজ্যিক ভিত্তিত যি প্ৰতিযোগিতা ভালকৈ চলাব পৰা নাই, এই ক্ষেত্ৰত চৰকাৰে গুৰুত্ব দিব বুলি মই আশা ৰাখিছো।

Mr. Speaker : Starred Question No. 73. Hon'ble Chief Minister to reply.

বিষয় ঃ- গুৱাহাটী আৱৰ্ত্ত ভৱন।

শ্ৰী ৰচিছুল হকে সুধিছে ঃ

★ ৭২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) গুৱাহাটী আৱৰ্ত্ত ভৱনৰ ৪ নং আৰু ৫ নং কোঠাত ১৯৯৩, ১৯৯৪ আৰু ১৯৯৫ চনত কোন কোন ব্যক্তিক থাকিবলৈ দিয়া হৈছিল ?

খ) উক্ত ব্যক্তি সকল চৰকাৰী বিষয়া হয়নে নহয় ?

গ) তেওঁলোকৰ সম্পূৰ্ণ নাম ঠিকনা জনাবনে ?

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) গুৱাহাটী আৱৰ্ত্ত ভৱনৰ ৪ নং আৰু ৫ নং কোঠাত ১৯৯৩, ১৯৯৪

আৰু ১৯৯৫ চনত বিভিন্ন ব্যক্তিক থাকিবলৈ দিয়া হৈছিল।

খ) কিছুমান ব্যক্তি চৰকাৰী বিষয়া নহয়।

গ) তেওঁলোকৰ নাম আৰু ঠিকনাৰ তালিকা সংলগ্ন কৰি দিয়া হল। ( See the Annexture II )

★ শ্ৰী ৰচিদুল হক : মাননীয় অধ্যক্ষ মহোদয়, মই এখন লিষ্ট চাইছো আৰু সেই লিষ্ট মতে যি সকল লোক তাত আছিল তেওঁলোক কোনো চৰকাৰী বিষয়া নহয়। মই আচলতে যিটো প্ৰশ্ন সুধিছিলো তাৰ উত্তৰটো মাননীয় মন্ত্ৰী মহোদয়ক হয়তো কোনোবাই মিচলিড কৰাই দিয়াইছে। মোৰ প্ৰশ্নটো আছিল চাৰ্কিট হাউচত যিটো ৰেণ্ট দিয়ে সেইটো ক'ত জমা থোৱা হয় ?

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) : যি সকল ব্যক্তি তাত থাকে তেওঁলোকৰ চাৰ্কিট হাউচত থকা কেয়াৰ টেকাৰক পইচাটো জমা দিয়ে আৰু ৰ'চদ লয়।

★ শ্ৰী ৰচিদুল হক : কিন্তু মই জনাত যি মহান ব্যক্তি তাত আছিল তেওঁৰ মই নাম নকও তেওঁ আন ধৰণেৰেহে আছিল। গতিকে এইটো এনকুৱেৰী কৰি মন্ত্ৰী মহোদয়ে জনাব নে ?

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এইটো তদন্ত কৰিয়েই দিয়া হৈছে। গতিকে ইয়াৰ পাচত বেলেগ কিবা ওলাব বুলি মই নাভাবো।

★ শ্ৰী ৰচিদুল হক : মাননীয় অধ্যক্ষ মহোদয়, মই ভাবো যে যদি লগে লগে পইচা জমা দিয়া হয় তেতিয়া হলে ওলাব। আৰু যদি ২ বছৰ বা ১ বছৰ পাচত পইচা জমা দিয়া হয় তেতিয়া হলে নোলাব।

মাননীয় অধ্যক্ষ : মাননীয় সদস্য গৰাকীয়ে নামটো যদি সদনত কবলৈ বেয়া পাইছে তেন্তে তেখেতে মন্ত্ৰীৰ চেম্বাৰলৈ পৈ নামটো দিব।

---

★ Speech not corrected

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) ঃ মাননীয় সদস্য গৰাকীৰ বিষয়টো মই চাম।

Mr. Speaker : Starred Question No. 73. Hon'ble Chief Minister to reply.

বিষয় ঃ আইন শৃংখলা ৰক্ষাৰ নামত খৰছ।

ডাঃ কল্যাণ গগৈয়ে, সুধিছে ;

★73. মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) আইন শৃংখলা ৰক্ষাৰ নামত যোৱা পাচ বছৰত মুঠ কিমান টকা খৰছ হৈছে ?

খ) উক্ত খৰছৰ সমুদায় ধন কেন্দ্ৰীয় চৰকাৰে বহন কৰিবলৈ বিবেচনা কৰিছেনে ?

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) মুঠ ১২২৯'৭২ কোটি ( এহেজাৰ দুশ উনাত্ৰিশ কোটি বাসত্তৰ লাখ ) টকা খৰছ কৰা হৈছে।

খ) এতিয়ালৈকে কৰা নাই।

★ ডঃ কল্যান গগৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি আইন শৃঙ্খলাৰ নামত বহুতো টকা খৰছ হৈ আছে। মই জনাত পঞ্জাব আৰু কাশ্মীৰত কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা এই সকলো খৰছ বহন কৰা হৈছে। গতিকে আমাৰ চৰকাৰৰ ফালৰ পৰা এই বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰিছে নেকি ? আৰু কি দিছে সেইটো মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

★ শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) ঃ এই সম্পৰ্কে কেন্দ্ৰীয় চৰকাৰৰ লগত বহু বাৰ আলোচনা হৈছে।

Mr. Speaker : Now Starred Question No. 74 Hon'ble Chief Minister to reply.

---

★ Speech not corrected

## Re : ILLEGAL MIGRANTS DETERMINATION ACT BY TRIBUNAL

Shri Sukur Ali asked :

★ 74. Will the Chief Minister be pleased to state :-

a) How many Illegal Migrants Determination Act by Tribunals are there in Assam ?

b) Whether Judges are appointed in all these Tribunals ?

c) How many persons were referred to IMDT from 1-1-86 to 1-11-96 and how many of them were detected as Illegal Migrants and how many were deported ? ( A list to be submitted in the Table of the House )

Shri Prafulla Kr. Mahanta ( Chief Minister ) replied :

a) 16 ( sixteen ) Nos.

b) Yes, but the post of Chairman in North Lakhimpur IMDT and the posts of Member in Barpeta, Nagaon, Silchar, Karimganj, North Lakhimpur, Dibrugarh, Hojai and Dhemaji IMDT'S are lying vacant at present.

c) 26,091 persons have been referred to the IM(D) Tribunals from 01-01-86 to 31-10-96 and 8920 persons have been declared as Illegal Migrants and 1314 Illegal Migrants have been expelled during the period.

( See the Annexure III )

★ ডাঃ অৰ্ধেন্দু কুমাৰ দে : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী মহোদয় দয়া কৰি জনাব নেকি যে যিবিলাক ইলিগেল মাইগ্ৰেণ্টৰ ওপৰত একচন লোৱা হৈছে তাৰ কাৰণে আই, এম, ডি, টি, এক্ট থনেই যথেষ্ট নহয় ?

---

★ Speech not corrected

★ শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, প্ৰচলিত আইনৰ জৰিয়তে এই কাম চলি আছে।

★ ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে: মই মাননীয় মুখ্যমন্ত্ৰীৰ পৰা জানিব বিচাৰিছো যে আই, এম, ডি, টি এক্টখন অবৈধ প্ৰব্ৰজনকাৰীসকলক চিনাক্তকৰণৰ ক্ষেত্ৰত যথেষ্ট নহয় নেকি?

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ উত্তৰ মই আগতেই দিছো তাৰ ওপৰত তেখেতে নিজাকৈ যদি কিবা পৰামৰ্শ দিব খোজে দিব পাৰে।

★ ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে: মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ে, মই সোধা প্ৰশ্নৰ উত্তৰ দিয়া নাই তেখেতে প্ৰশ্নটো বাই পাচ কিয় কৰিছে? মোৰ প্ৰশ্নটো আছিল আই, এম, ডি, টি এক্টখন এই ক্ষেত্ৰত যথেষ্ট হয় নে নহয়? তেখেতে কওঁক হয় বা নহয়।

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী): মাননীয় সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰত কৈছোৱেই প্ৰচলিত আইন মতে এই কাম চলি আছে। তেখেতে যদি কিবা অসুবিধা পাইছে, তেখেতে পৰামৰ্শ দিব পাৰে।

(সদনত গণ্ডগোল)

★ ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে উত্তৰ দিব লাগে। উত্তৰ দিবই লাগিব। যদি যথেষ্ট হয়, হয় বুলি কওঁক আৰু যদি নহয় নহয় বুলি কওঁক। (সদনত গণ্ডগোল) চাৰ আপুনি উত্তৰ দিয়ক। You must Protect the Constitution.

মাননীয় অধ্যক্ষ: মাননীয় সদস্যসকল আপোনালোক বহক। আপোনালোকে নিজেই যদি কৈ থাকে তেখেতে উত্তৰ কেনেকৈ দিব। মই সকলোকে অনুৰোধ কৰিছো, প্ৰশ্নৰ উত্তৰ পাব লাগিলে আপোনালোকে বব লাগিব। সকলোৱে কৈ থাকিলে আপোনালোকে উত্তৰ

★ Speech not corrected

নাপায়। আপোনালোক সকলোৱে বহক। You please sit down. Please don't turn it to be a fish market.

★ ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) : পৰিপূৰক প্ৰশ্নৰ সম্পৰ্কত ৰুল ৩৭ৰ উপবিধি (৪)ত কোৱা হৈছে। Sir, point of order. Sir, as per rule 37 sub-rule 4 said it must not expression of opinion. অপিনিয়ন সম্পৰ্কত সুধিব নালাগে।

★ ডাঃ অৰ্ধেন্দু কুমাৰ দে : পলিচি সম্পৰ্কত সুধিছো!

শ্ৰীনগেন শৰ্মা (বন মন্ত্ৰী) : প্ৰচলিত সকলোবিলাকেই আইন।

Shri Silvius Condpan : Here the question is very simple whether the present arrangement under I.M.D.T. Act. is sufficiant or not? (interruption)

★ শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (কৃষি মন্ত্ৰী) : ডঃ জয়নাথ শৰ্মাই মই পঢ়ি দিব বিচৰা ৰুল পঢ়ি দিছে। It must not be related with opinion.

★ Dr. Ardhendu Kr. Dey : No Sir, it is a policy matter of the goverment.

(Pandamonium)

Hon'ble Chief Minister take a courage to answer this question.

★ Shri Abu Saleh Najmuddin : We want a reply from the Leader of the House.

★ Shri Bharat Chandra Narah ; Sir, we want the said answer from the Hon'ble Chief Minister not from the Agriculture Minister.

Mr. Speaker : Answer to question relating to Illegal

★ Speech not corrected

Migrants Determination Act has replied the answer fully by the Hon'ble Chief Minister. Now, the next question no. 75. Smti. Pramila Rani Brahma, is found absent in the house. So the next question no. 76 relating to Minority Development. This question is asked by Shri Abdul Muqtadir Choudhury, Chief Minister is to reply.

Re:—Minority Development.

Shri Abdul Muqtadir Choudhury, asked ;

★76. Will the Chief Minister be pleased to state.

a) Progress made so far for the establishment of Minority Development & Finance Corporation in Assam.

b) Is it a fact that Political (B) Department called for proposal/schemes from Monorities Development Board for availing term loan from National Minorities Development & Finance Corporation vide letter No. PLB. 412/37/pt-I/180, dated 22-9-95 and subsequent letter dt. 3.11-95 ?

c) Is it a fact that after observing formalities Gover. nment of Assam forwarded the proposal to N.M.D. & F.C. for sanction of term loan and the National Minorities Development & Finance Corporation accorded total amount Rs. 79·62 lakhs on 27-2-96 for the year 1995-96 to be availed within 6 months but

the same could not be availed as yet for want of State Government guarantee ?

Sri Prafulla Kr. Mahanta (Chief Minister) replied :

a) Formalities required for establishing the corporation have reached the final stage.

b) Yes

c) The matter regarding extending Govt. guarantee for availing the NMDFC term loan is under active consideration.

★ শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী ঃ মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰি দিছে একটিভ কন্সিদাৰেচনত আছে। ১৯৯৬-৯৭ত ৩ কোটি টকা এল'কেচন দিছিল। এই টকাৰ ইকুইটি চেয়াৰ বাজেটত ধৰা নাই। এই ৬৯ লাখ টকা কেনেকৈ এভেইল কৰিব ?

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিছো।

★ শেখ আব্দুল হামিদ ঃ আমি উত্তৰটোত সন্তুষ্ট হব পৰা নাই। ৬৯ লাখ টকাৰ যি গ্ৰাণ্ট দিছে ৰাখিব পৰা নাই। ১৯৪৭ চনৰ বাজেট প্ৰপজেল দিয়া হৈছে। টকাটো অনাৰ ব্যৱস্থা কৰিবনে ?

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ কৰপৰেচনটো ৰেজিষ্ট্ৰেচন কৰিব লাগে। ১৯৯৫ চনত সিদ্ধান্ত লজে কিন্তু কোনো ব্যৱস্থা নললে। আমি ৰেজিষ্ট্ৰেচন কৰিব বিচাৰিছো। কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিছো। আমি পাবলগীয়া টকা লেপচ্ হব নালাগে।

★ শেখ আব্দুল হামিদ ঃ ৰেজিষ্ট্ৰেচনটো ডাঙৰ কথা নহয়। চৰকাৰৰ হেমাহিৰ কাৰণে হৈ উঠা নাই। মুখ্যমন্ত্ৰীয়ে নিজাকৈ প্ৰচেষ্টা লৈ ৰেজিষ্ট্ৰেচন কৰাৰ ব্যৱস্থা লবনে ?

★ শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ব্যৱস্থা লৈছো।

★ Speech not corrected

★ শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী : চেয়াৰৰ টকাটো বাজেটত ধৰা নাই। কিমান দিনৰ ভিতৰত ৰেজিষ্ট্ৰেচন হব জনাবনে ? ৰেজিষ্ট্ৰেচন নহ'লে কোনো কাম কৰিব নোৱাৰে।

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : যিমান সোনকালে পাৰি কৰিবলৈ বিচাৰিছো। পইচাটো লেপচ্ নহয়। কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিছো।

★ Shri Abu Saleh Najmuddin : May I know from the Hon'ble Chief Minister if the memorandum of articles have already been prepared. If it has been prepared, he will kindly assure us to keep a copy of the Memorandm of Articles before the house for examination of the Hon'ble Members. Because it is an important official document. The earlier Government as well as the Govt. at the Centre had taken a stand to uplift the backward minirity people. As a part of his sincerety, the Hon'ble Chief Minister will please place the Memorandum of articles before the house.

★ Shri Prafulla Kumar Mahanta ( Chief Minister ) : Sir, the Hon'ble member was a member of the council of Ministers in the previous Govt. Therefore, he knows how it was being done.

Mr. Speaker : Now, Question No. 77.

বিষয় : পৌৰ সভাৰ নিৰ্বাচন।

★ শ্ৰীওৱাজেদ আলী চৌধুৰীয়ে সুধিছে :

★ ৭৭। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

★ Speech not corrected

ক) ৰাজ্যিক নির্বাচনী আয়োগে (অসম) ঘোষণা কৰা পৌৰ সভাৰ নির্বাচন আদালতৰ নির্দ্দেশ ক্রমে স্থগিত ৰখাটো সচানে?

খ) যদি সচা, পৌৰ সভাৰ নির্বাচন কেতিয়া অনুষ্ঠিত হ'ব?

শ্রীবিৰাজ কুমাৰ শর্ম্মা (পৌৰ প্রশাসন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে:

ক) সচা নহয়।

খ) ৰাজ্যিক নির্বাচনী আয়োগৰ আদেশ অনুসৰি ১৯৯৭ চনৰ ২৪ মার্চ্চ অথবা তাৰ পাচৰ কোনো তাৰিখত পৌৰ নিকায়সমূহৰ নির্বাচন পতাৰ সিদ্ধান্ত লোৱা হৈছে।

Mr. Speaker : The question hour is over.

শ্রীমহেন্দ্র মোহন ৰায় চৌধুৰী : মোৰ প্রশ্নটো নাহিল। অসম চৰকাৰৰ কেবিনেট আৰু ৰাজ্যিক মন্ত্রীৰ ১৫ মেৰ পৰা ১৫ নবেম্বৰলৈ টেলিফোনৰ বিলৰ ভাড়া কিমান? উত্তৰত কৈছে কেবিনেট মন্ত্রী ৬ জন ৰাজ্যিক মন্ত্রী 8 জন। সম্পূর্ণভাৱে উত্তৰ দিব নোৱাৰিলে দিব নালাগে। বিভাগে এনে কৰিব নালাগে।

Mr. Speaker : The Hon'ble Member will please come to my chamber after the business of the house is over. (Starred question Nos. 78 to 80 could not be taken up for disposal as the question hour is over however, thoese questions were deemed to have been replied and copies of the replied have been (said on the table of the house.)

Re : Importance of sports of rural areas :

★78. Will the Minister of sports be pleased to state :

Shri Derhagra Mochahary asked :

a) Whether Government propose to give special impor-

tance in the development of sports in the rural areas ?

b) If yes, whether Government will also be pleased to give priority in sanctioning money for construction of Stadium or mini Stadium in the rural areas there by extend sports activities available to the youth of rural areas ?

Shri Prafulla Kumar Mahanta ( Chief Minister ) replied :

a) Yes.

b) Government has given priority in sanctioning money for construction of Mini Stadium in the rural areas for extension of sports activities.

Re : Town Committee Election.

Shri Sarat Barkataky. and }
Dr. Ardhendu Kr. Dey. } asked,

★79. Will the Minister of Municipal Administration to pleased to state :

a) Whether it is fact that Government moved to the Hon'ble High Court for postpondment of the municipal Board and Town Committee elections that was scheduled on 6-12-96 ?

b) If so, what is the reason behind ?

Shri Biraj kumar Sarma, ( Minister Municipal Administration ) replied :

a) No.

b) Extension of date for holding election was prayed for on the ground that :—

i) To avoid disturbance to the students in their annual examination during November-December, 1996.

ii) Due to Budget Session of the Assembly which will be commenced from 11-12-96.

iii) Complaints and objections received from different organisations that names of large number of rate payers have not been included in the electoral rolls.

RE : I.M.D.T. Act.

Shri Sheikh Abdul Hamid asked ;

★ 80. Will the Chief Minister be pleased to state :

a) Total number of Tribunals established under IMDT Act. 1983 and functioning till date ( date of establishment may kindly be stated in each case ).

b) Total number of enquiries initiated under IMDT Act. and referred to the Tribunals upto 30th oct. 1996.

c) Total number of foreigner declared by the Tribunals and deported under IMDT Act, upto 30th Sept. 1996.

Shri Prafulla Kr. Mahanta ( Chief Minister ) replied;

a) The total number of Tribunals established under IMDT Act. is 16. All 16 Tribunals are functioning till date.

b) Enquiries initiated 2, 90, 874 and enquiries referred to Tribunals are 26, 464.

c) 9340 persons have been declared as illegal migrants and 1335 illegal migrants have been deported upto 30. 10. 96 under IMDT Act.

**Unstarred Question and Answers**

RE : APPREHENDING OF CULPRITS.

Dr. Ardhendu Kumar Dey, asked.

151. Will the Minister of Home be pleased to state :

a) How many persons were killed by the extremists during last 6 months ?

b) Whether the Killers of Parag Das, I. G. P. (C. I. D.) S. K. Dev, Ex-Minister Nagen Neog and others could be arrested ?

c) If not, what is the reason for such failure ?

d) Whether Government is thinking for entrusting C. B. I. for apprehending the culprits ?

e) If not. why not ?

Sri Prafulla Kr. Mahanta ( Chief Minister ) replied :

a) All total 138 persons were killed during last six months.

b) Yes, (a) One person was arrested in connection with the killing of Parag Das, (b) Four persons were arrested in connection with the killing of S. K. Dev, ( I. G. P., CID) and (c) one person was arrested in connection with the killing of Ex-Minister Nagen Neog. 90 persons were also arrested in connection with other killings by extremists during this period.

c) Does not arise.

d) To find out the killers of Parag Das Government have already handed over the case to C. B. I.

e) Does not arise.

বিষয় ঃ- কাৰ্য্যালয়ত বিষয়াৰ অভাৱ।

শ্ৰীকৰুণা দত্তই সুধিছে ঃ

১৫২। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসম চৰকাৰৰ মহকুমা পৰ্য্যায়ৰ কাৰ্য্যালয় সমূহত বিশেষত মহকুমাধিপতিৰ কাৰ্য্যালয় বিষয়া, জনকল্যাণ বিভাগত নিয়মিত বিষয়া নোহোৱাৰ বাবে ভাৰপ্ৰাপ্ত বিষয়াই কাম সমূহ নিখুত ভাৱে পৰিচালনা কৰিব নোৱাৰাৰ ফলস্বৰুপে জন সাধাৰণে চৰকাৰী কাম কাজত কষ্ট পাব লগা বিষয়টো চৰকাৰৰ অৱগতনে ?

খ) চৰকাৰে এই বিষয়া বৰ্গৰ নিয়োগৰ কিবা ব্যৱস্থা লবনে ?

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) অৱগত।

খ) লোৱা হব।

বিষয় ঃ খেল পথাৰৰ উন্নত্তিকৰণ।

শ্ৰীমোহন দাসে সুধিছে ঃ

১৫৩। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) পাঠশালাৰ তিতকা ৰিজাৰ্ভত প্ৰস্তাৱিত মিনি ষ্টেডিয়ামখন নিৰ্ম্মাণ কৰা সম্পৰ্কে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

খ) এই মিনি ষ্টেডিয়ামখন নিৰ্ম্মাণৰ কাম কেতিয়াৰ পৰা আৰম্ভ কৰা হ'ব ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) এতিয়ালৈ কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই।

খ) প্ৰশ্ন নুঠে।

বিষয় ঃ নলীনাদ, তাতঁশাল আৰু চিলাই মেচিন বিতৰণ।

শ্ৰী আলী আকবৰ মিঞাই সুধিছে ঃ

১৫৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) যোৱা পাচটা অৰ্থ বছৰত চৰ উন্নয়ন কৰ্ত্তৃপক্ষই কিমানটাকৈ নলীনাদ, তাতঁশাল আৰু চিলাই মেচিন কিনিছিল আৰু কোন কোন জিলাত কিমানটাকৈ বিতৰণ কৰা হৈছিল চৰকাৰে জানেনে ?

খ) যদি জানে তেন্তে তাৰে প্ৰত্যেকটোৰ দাম কিমানকৈ ধৰা হৈছিল আৰু খোলা বজাৰত তেতিয়া উক্ত বস্তুবোৰৰ দাম কিমান টকাকৈ আছিল ?

গ) তেনেদৰে বিতৰণ কৰা নিম্নমানৰ তাতঁশালবোৰ এতিয়াও কিছুমান চি, ডি, পি ত ব্যৱহাৰৰ অনুপযোগী হৈ পৰি থকাটো সচাঁনে ?

ঘ) যদি সচাঁ তেন্তে এনেদৰে চৰকাৰী টকা লোকচান কৰাৰ বাবে দায়ী কোন ? চৰকাৰে বিষয়টো তদন্ত কৰি যদি কোনোবা ব্যক্তি দোষী বুলি প্ৰমাণিত হয় তাৰ বিৰুদ্ধে বিহীত ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) হয়, যোৱা পাঁচটা আৰ্থিক বছৰত চৰ উন্নয়ণ কৰ্ত্তৃপক্ষই ক্ৰয় কৰা নলীনাদ, তাতঁশাল আৰু চিলাই মেচিনৰ তালিকা তলত দেখুওৱা হ'ল—

১) নলীনাদ ১৮৯২ টা

২) তাতঁশাল ২২০ খন

৩) চিলাই মেচিন ২২৬ টা।

উক্ত সামগ্ৰী সমূহ প্ৰত্যেক জিলাত বিতৰণ কৰা তালিকা এখন সংলগ্ন কৰি দিয়া হ'ল। ( See the Annexure IV )

খ) উক্ত সামগ্ৰী সমূহৰ মূল্য তলত উল্লেখ কৰা হ'ল—

পাইপ প্ৰতি বাৰ্ণিং মিটাৰত

১। ক) ৮৭.৭১ টকা

খ) প্ৰতিটো মুখাৰ দাম ৪৮৮/-টকা

গ) প্ৰতিটো ফিল্টাৰ ৫৯৮/-টকা

২। তাতঁশাল : ১৯৯২-৯৩ চনত প্ৰতিখনৰ মূল্য ১৭৮৫/-টকা

১৯৯৩-৯৪ চনত প্ৰতিখনৰ মূল্য ২০০০/-টকা

১৯৯৫–৯৬ চনলৈকে প্ৰতিখনৰ মুল্য ২১৫০/-টকা

৩। চিলাই মেচিন : ১৯৯২-৯৩ চনত ৩০৪৬/-টকা প্ৰতিটোৰ মূল্য। ১৯৯৩-৯৪ চনৰ পৰা এতিয়ালৈকে প্ৰতিটো চিলাই মেচিনৰ মূল্য ৩২৮৯/-টকা।

উক্ত সামগ্ৰী সমূহৰ ভিতৰত নলীনাদ সমূহ অসম চৰকাৰৰ কাৰিকৰী কমিটিয়ে নিৰ্দ্ধাৰিত কৰা মূল্যত আৰু চিলাই মেচিন সমূহ কোম্পানীৰ নিৰ্দ্ধাৰিত কৰা মূল্যত ক্ৰয় কৰা হৈছিল। তাতঁশাল সমূহ ক্ৰয় কৰাৰ বাবে নিবিদা আহ্বান কৰি মানদণ্ডৰ গুণাগুণ নিৰ্ণয় সাপেক্ষে সৰ্ব্বনিম্ন মূল্যত ক্ৰয় কৰা হৈছিল। উক্ত সামগ্ৰী সমূহ যিহেতু অনুমোদিত মূল্যত ক্ৰয় কৰা হৈছিল সেয়ে বজাৰ মূল্যৰ কথাটোৰ প্ৰশ্ন নুঠে।

গ) সচাঁ নহয়।

ঘ) প্ৰশ্ন নুঠে।

Shri Sambhusing Mallah asked,

RE. : UPGRADATION OF NEW WATCH POST.

155. Will the Minister of Home be pleased to state :-

a) Will the Government take any initiative for upgradation of the Ramkrishnanagar Police Watch Post and to set up a newly Watch Post at Dullavcherra under Ratabari Constituency ?

b) If so, how much time will it take to implement ?

c) If not, why? State the reason thereof.

Shri Prafulla Kr. Mahanta (Chief Minister) reply:

a) Ramkrishnanagar police Out Post has already been upgraded to Police Station and the Notification in this connection is under process. There is no proposal for opening of Watch post at Dullavcherra under Ratabari Constituency.

b) & c) After issue of the required Notifications.

শ্ৰীনিজামুদ্দিন খানে সুধিছে ঃ

বিষয় ঃ সেনাবাহিনীৰ জিম্মাত মৃত্যু।

১৫৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ১৯৯১ চনৰ পৰা ১৯৯৬ চনৰ ২০ নবেম্বৰলৈ আৰক্ষী আৰু সেনা-বাহিনীৰ জিম্মাত কিমানজন ব্যক্তিৰ মৃত্যু হৈছে ?

খ) এনে মৃতকৰ পৰিয়ালক সাহায্য দিয়াৰ ব্যৱস্থা আছেনে ?

গ) যদি নাই, সাহায্য দিয়াৰ ব্যৱস্থা গ্ৰহন কৰিবনে ?

ঘ) এনে মৃত্যুৰ বাবে তদন্তৰ ব্যৱস্থা কৰা হৈছেনে ?

ঙ) যদি হৈছে, কিমানটা তদন্ত চলোৱা হৈছে ?

চ) তদন্ত মতে কিমান বিষয়া কৰ্মচাৰীক দোষী সাব্যস্ত কৰা হৈছে ?

ছ) দোষী বিষয়া কৰ্মচাৰীৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহন কৰা হৈছেনে ?

জ) যদি হৈছে, কিমানজনৰ বিৰুদ্ধে লোৱা হৈছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই (মুখ্যমন্ত্ৰী) উত্তৰ দিছে ঃ

ক) মুঠ ৭৫ জন ব্যক্তিৰ মৃত্যু হৈছে।

খ) সদ্যহতে কোনো ব্যৱস্থা নাই।

গ) চৰকাৰৰ হাতত তেনে প্ৰস্তাৱ নাই।

ঘ) হৈছে।

ঙ) মুঠ ৭৬ টা তদন্ত চলোৱা হৈছে।

চ) ২৩ জনক দোষী সাব্যস্ত কৰা হৈছে।

ছ) হৈছে।

জ) ২৩ জনৰ বিৰুদ্ধে ইতিমধ্যে শাস্তি মূলক ব্যৱস্থা লোৱা হৈছে।

বিষয় ঃ সাংস্কৃতিক সম্পদৰাজিৰ প্ৰসাৰ।

শ্ৰীহেমন্ত কলিতাই সুধিছে ঃ

১৫৭। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসমৰ সাংস্কৃতিক সম্পদৰাজিক অধিক আগুৱাই নিয়াৰ ক্ষেত্ৰত চৰকাৰে কি কি বাস্তৱ সন্মত কাৰ্যসূচী গ্ৰহণ কৰিছে জনাবনে ?

খ) মহাপুৰুষ দুজনাৰ ৰচনাৱলী আৰু সত্ৰীয়া নৃত্যৰ অধিক প্ৰসাৰ আৰু প্ৰচাৰৰ বাবে চৰকাৰৰ ওচৰত কিবা আঁচনি আছে নেকি ? এই বিষয়ে কি আঁচনি আছে জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) অসমৰ কলা সংস্কৃতিৰ বিকাশ, চৰ্চা, প্ৰসাৰ, প্ৰচাৰ, সংৰক্ষণ আৰু গৱেষণাৰ বাবে ভালেমান আঁচনি গ্ৰহণ কৰা হৈছে। তাৰ ভিতৰত উল্লেখযোগ্য হৈছে ৰাজ্যিক সংগীত মহাবিদ্যালয় স্থাপন, শংকৰদেৱ কলাক্ষেত্ৰ, জ্যোতি চিত্ৰবন, ফিল্ম ষ্টুডিঅ উন্নতি কৰণ, অসমীয়া কথাছবি বিত্ত আৰু উন্নয়ন নিগমলৈ আৰ্থিক সাহায্য, অসমৰ বে-চৰকাৰী সাংস্কৃতিক অনুষ্ঠান সমূহলৈ আৰ্থিক সাহায্য প্ৰদান। ৰুগ্ন, বৃদ্ধ আৰু শাৰিৰীক অসমৰ্থ শিল্পীলৈ এককালিন সাহায্য প্ৰদান। অসমৰ বাহিৰত অধ্যয়নৰ বাবে বৃত্তি প্ৰদান, শিল্পীলৈ মাহেকীয়া পেঞ্চন প্ৰদান, সাংস্কৃতিৰ কেন্দ্ৰ স্থাপন আদি।

খ) মহাপুৰুষ দুজনাৰ ৰচনাৱলী প্ৰকাশৰ আঁচনি চৰকাৰৰ হাতত সদাহতে নাই। সত্ৰীয়া নৃত্যৰ প্ৰসাৰ আৰু প্ৰচাৰৰ বাবে সত্ৰীয়া নৃত্যৰ

শিল্পী দল, ভাওনা শিল্পীদল আৰু বৰগীতৰ শিল্পীক বিভিন্ন অনুষ্ঠানত ভাগলোৱাৰ বাবে অসমৰ বাহিৰত তথা অসমৰ বিভিন্ন স্থানলৈ পঠোৱা হৈছে। বৰগীত আৰু ভাওনাৰ কৰ্ম্মশালা পতা হৈছে। শ্ৰীশংকৰদেৱৰ বঁটা প্ৰদান কৰি অহা হৈছে। অসম চুক্তিৰ আধাৰত "শংকৰদেৱ কলাক্ষেত্ৰ" নামৰ এটি সাংস্কৃতিক প্ৰকল্প গুৱাহাটীত স্থাপন কৰি থকা হৈছে। এই প্ৰতিস্থানৰ জৰিয়তে মহাপুৰুষ দুজনাৰ ৰচনাৱলী আৰু সত্ৰীয়া নৃত্যৰ প্ৰসাৰ আৰু প্ৰচাৰৰ বাবে যাৱতীয় কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰা হব।

গ) অসমৰ জনজাতীয় সাংস্কৃতিক ভাৰতবৰ্ষত জনসাধাৰণৰ ওচৰত অধিক চিনাকী আৰু সেই সমূহৰ অধিক বিকাশৰ বাবে কিবা আঁচনি লৈছে নেকি ?

ঘ) অসমৰ জন-জাতীয় সংস্কৃতি ভাৰতবৰ্ষত জনসাধাৰণৰ ওচৰত অধিক চিনাকী আৰু প্ৰচাৰৰ বাবে বড়োনৃত্যৰ শিল্পীদল, তিৱা নৃত্যৰ শিল্পী দল, কাৰ্বি নৃত্যৰ শিল্পী দল ইত্যাদিক ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ বিভিন্ন অনুষ্ঠানত ভাগলোৱাৰ বাবে পঠোৱা হৈছে।
অসমৰ জন-জাতীয় সাংস্কৃতিক বিকাশৰ বাবে অসমৰ বিভিন্ন ঠাইত সাংস্কৃতিক কেন্দ্ৰ স্থাপন কৰা হৈছে। এই কেন্দ্ৰ সমূহৰ যোগেদি অসমৰ জন-জাতীয় নৃত্যগীত আদি কৰ্ম্মশালা পতা হৈছে।

বিষয় ঃ চি, বি, আইৰ দ্বাৰা তদন্ত।

ডঃ হেমপ্ৰভা শইকীয়াই সুধিছে ;

১৫৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) কেন্দ্ৰীয় চোৰাংচোৱা সংস্থা অৰ্থাৎ চি, বি, আই এ বৰ্ত্তমান ৰাজ্যখনৰ কিমানটা গোচৰৰ তদন্ত চলাই আছে ?

খ) যোৱা ১৫ মে'ৰ পৰা ১৫ নবেম্বৰৰ ভিতৰত ৰাজ্যচৰকাৰে কোনটো কোনটো গোচৰৰ ভাৰ হাতত লবৰ বাবে চি, বি, আই লৈ লিখিছে ?

গ) যোৱা ছমাহৰ ভিতৰত চি, বি, আই এ তদন্তৰ দায়িত্বভাৰ লোৱা গোচৰ কেইটা কি কি ?

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তই ( মুখ্যমন্ত্ৰী ) উত্তৰ দিছে :

ক) বৰ্ত্তমানে কেন্দ্ৰীয় চোৰাংচোৱা সংস্থাই ৰাজ্যখনৰ সৰ্ব্বমুঠ ২২ টা গোচৰৰ তদন্ত চলাই আছে।

খ) যোৱা ১৫ মে'ৰ পৰা ১৫ নবেম্বৰৰ ভিতৰত ৰাজ্য চৰকাৰে তিনিচুকীয়াৰ আৰক্ষী অধীক্ষক আৰ, কে, সিংহ, সাংবাদিক পৰাগ কুমাৰ দাস, অসম চিকিৎসা মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ ডঃ এইচ, কে, বৰুৱা, মৰিগাওঁৰ বিশিষ্ট নাগৰিক ক্ষিৰোদ বৰুৱা, আবছু সভাপতি স্বম্বলা বসুমতাৰী, চিপাঝাৰৰ তৰুন শৰ্মা আৰু গুৱাহাটীৰ কৰবী ডুবৰী হত্যাকান্দৰ তদন্তৰ ভাৰ লবলৈ কেন্দ্ৰীয় চোৰাংচোৱা সংস্থালৈ অনুৰোধ কৰা হৈছে।

গ) যোৱা ছমাহৰ ভিতৰত কেন্দ্ৰীয় চোৰাংচোৱা সংস্থাই তদন্তৰ দায়িত্বভাৰ লোৱা গোচৰ কেইটা হ'ল—আৰক্ষী অধীক্ষক আৰ, কে, সিংহ আৰু সাংবাদিক পৰাগ কুমাৰ দাসৰ হত্যাকান্দৰ গোচৰ।

Re : Dialogue with ULFA & Bodo Security Forces.

Shri Afzalur Rahman asked,

159. Will the Minister of Home be pleased to state :

a) Whether Government has taken any initiative to start Dialogue with ULFA and Bodo Security Forces ?

b) Whether it is fact that some external forces are trying to obstruct such process ?

Shri Prafulla Kumar Mahanta (Chief Minister) will replied :

a) Yes.

b) It would not be in the interest of dialogue

initiatives to reveal anything at this stage.

**Re.: Implementation of Schemes.**

Shri Andrias Hajoary asked.

160. Will the Minister, WPT & BC be pleased to state:

a) The Achievements of the Economic developmental works undertaken by those two agencies-APTDC and ATDA?

b) Are there instances of any irregularities Gross violation committed against the proper implementation of different schemes?

Shri Prafulla Kumar Mahanta (Chief Minister) replied:

a) The Achievements of the Economic developmental works undertaken by Assam Tribal Dev. Authority/ Assam Plains Dev. Corporation Ltd. During 1995-96 are as follows:

(I) A. T. D. A.

| | | | |
|---|---|---|---|
| 1) | Benefits extended under FOIGS | : | 9396 Families. |
| 2) | Construction of school building | : | 489 Nos. |
| 3) | Link road and bridges | : | 10.02 K. M. |
| 4) | Grants-in-aids to club/organisation | : | 238 Nos. |
| 5) | Distribution of Tractor/Power Tiller (Agri. Dev. Schemes) | : | Tractor -- 36 Nos<br>power Tiller --138 Nos. |
| 6) | Distribution of teaching aid | : | 1100 sets. |
| 7) | Discretionery grants to distressed persons | : | 2512 Persons. |

## ( II ) APTDC Ltd.

1) Benefits extended under Loan Schemes ঃ 16, 971 Persons.

b) No

বিষয়ঃ : ষ্টেডিয়াম স্থাপন কৰোতে হোৱা খৰছ ।

শ্ৰীদিগেশ্বৰ তাঁতি য়ে সুধিছে :

১৬১। মাননীয় ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) তিনিচুকীয়াত স্থাপন কৰা সৰ্বানন্দ সিংহ ষ্টেডিয়ামটি স্থাপন কৰোতে কিমান টকা খৰচ কৰা হ'ল ?

খ) উক্ত টকাখিনি কোন ব্যক্তিগত অনুস্থান প্ৰতিষ্ঠান সমূহৰ পৰা সংগ্ৰহ কৰা হৈছিল, পৰিমাণ সহ তালিকাখন সদনৰ মেজত দাখিল কৰিবনে ?

গ) উক্ত ষ্টেডিয়াম গঠন কৰাৰ কিবা নিৰ্মান সমিতি গঠন কৰা হৈছিল নেকি ? যদি হৈছিল সেই সমিতিৰ সদস্য সমূহ কোন কোন ব্যক্তি আছিল ?

ঘ) উক্ত ষ্টেডিয়াম নিৰ্মানৰ কাৰণে ধন সংগ্ৰহৰ উদ্দেশ্যে লটাৰী খেলৰ ব্যৱস্থা কৰা হৈছিল নেকি ?

ঙ) উক্ত খেলৰ ফলাফলৰ তালিকাখন সদনৰ মেজত দাখিল কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) বৰ্ত্তমানলৈ মুঠ — ১, ৪২, ৮৫, ৬০৫'৬০ টকা ।

খ) সংগ্ৰহ কৰা ব্যক্তিগত অনুষ্ঠান প্ৰতিষ্ঠান সমূহৰ নামৰ তালিকা সংলগ্ন কৰি দিয়া হ'ল ।

( see the Annexure V (a)

গ) হৈছিল । সমিতিৰ সদস্য সমূহৰ তালিকা সংলগ্ন কৰা হ'ল ।

b) ( see the Annexure — V(b)

ঘ) হৈছিল ।

ঙ) ফলাফলৰ তালিকাখন সংলগ্ন কৰা হ'ল। ( See the Annexure—V (c) )

বিষয় ঃ প্ৰট'কল।

শ্ৰীপ্ৰবীন গগৈ য়ে সুধিছে ?

১৬২। মাননীয় ক্ৰীড়া বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহকৰি জনাবনে :

ক) নৱগঠিত ৰাজ্যিক ক্ৰীড়া পৰিষদখনৰ ডেপুটী প্ৰেচিডেন্টজন ৰাজ্যৰ মুখ্য সচীৱ, দুজন ভাইচ প্ৰেচিডেন্টৰ এজন ৰাজ্যিক পৰ্য্যায়ৰ মন্ত্ৰী হয়নে ? তাৰ দ্বাৰা প্ৰট'কল ভংগ কৰা হৈছে বুলি ভবা হয় নেকি ? ইয়াৰ আগেয়ে এনে উদাহৰণ ঘটিছে নে ? ৰাজ্যিক ক্ৰীড়া পৰিষদ গঠনৰ ক্ষেত্ৰত।

খ) ৰাজ্যিক ক্ৰীড়া পৰিষদৰ ইয়াৰ আগৰ বাৰৰ সমিতিৰ বৈঠক মাত্ৰ এবাৰহে বহিছিল এইটো সঁচানে ? সেইখন বৈঠকেই প্ৰতি তিনি মাহৰ মূৰে মূৰে ক্ৰীড়া পৰিষদৰ সভা পতা হব বুলি কিবা প্ৰস্তাৱ লৈছিল নেকি ? যদি লৈছিল, তেনে প্ৰস্তাৱ কাৰ্য্যকৰী কৰা হৈছিল নে ? যদি কৰা হোৱা নাছিল, কি কাৰণে, সেইটো কথা উল্লেখ কৰিব নেকি ? যোৱা বাৰৰ সমিতিখনৰ একমাত্ৰ বৈঠকখনত লোৱা প্ৰস্তাৱবোৰ কি কি আছিল ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হয়।

ৰাজ্যিক পৰ্য্যায়ৰ মন্ত্ৰীৰ স্থান ৰাজ্যৰ মুখ্য সচিবৰ ওপৰত। Articles of Association ( ৰাজ্যিক ক্ৰীড়া পৰিষদ )ৰ সংশোধনৰ চিন্তা কৰি নৱ গঠিত ৰাজ্যিক ক্ৰীড়া পৰিষদখনৰ পুনৰ গঠনৰ চিন্তা কৰা হব।

খ) সঁচা।

তেনেকুৱা প্ৰস্তাৱ হাতত নাই। গতিকে পৰবৰ্ত্তী প্ৰশ্ন দুটা নুঠে। যোৱা বাৰৰ সমিতিখনৰ অনুমোদিত প্ৰস্তাৱ নাই।

(Unstarred Question No. 163 was Postponed )

বিষয় : পুঁজি বিতৰণ।

শ্ৰীকুমুদ চন্দ্ৰ দাসে সুধিছে :

১৬৪। মাননীয় ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে ?

ক) ATDA ৰ পৰা 1996—97 ত ৰঙাইগাওঁ সমষ্টি আৰু বটদ্ৰৱা সমষ্টিৰ M. L. A. ৰ বিপৰীতে টকা দিয়া হৈছে নেকি ?

খ) যদি দিয়া হৈছে কিমান টকা দিয়া হৈছে আৰু কিহৰ ভিত্তিত দিয়া হ'ল ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) মাত্ৰ বটদ্ৰৱা সমষ্টিৰ M. L. A. ৰ বিপৰীতেহে টকা ( ঋণ ) দিয়া হৈছিল।

ক) বটদ্ৰৱা সমষ্টিত মাত্ৰ ২'০০ ( দুই ) লাখ টকাৰ ঋণ বিভাগীয় মন্ত্ৰী মহোদয় আৰু সমষ্টিৰ বিধায়কৰ অনুমোদনৰ ভিত্তিত দিয়া হৈছিল।

বিষয়: উগ্ৰপন্থী সকলক সংস্থাপনৰ বাবে প্ৰন।

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে :

১৬৫। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) পূৰ্ব্বৰ কংগ্ৰেছ ( ই ) চৰকাৰৰ দিনত কেন্দ্ৰীয় চৰকাৰে উগ্ৰপন্থী সকলক সংস্থাপন দিয়াৰ বাবে কিমান টকা আবণ্টন দিছিল জনাবনে ? উক্ত সমুদায় ধন বিতৰণ কৰা হল নে ? এই ধন কোন কোন বেংকৰ যোগেদি বিতৰণ কৰা হ'ল জিলা ভিত্তিত নাম আৰু ঠিকনা সহ এখন তালিকা সদনৰ মেজত দাখিল কৰিব।

খ) উগ্ৰপন্থী সকলক দিয়া ধৰণৰ পৰিমাণ কিমান আছিল ? কিমান গৰাকী সদস্যক কি পৰিমাণৰ ধন দিয়া হৈছিল জিলা ভিত্তিত জনাব। উক্ত ধন প্ৰদানৰ ভিত্তি কি আছিল ?

গ) যদি বেংকৰ পৰা ঋণ হিচাপে প্ৰদান কৰিছিল তেন্তে কিমান গৰাকী উগ্ৰপন্থীৰ পৰা এই ধন ঘূৰাই পাইছে জনাবনে ? এই সদস্য সকলক দিয়া সময়ত জামীনদাৰ হিচাপে কাক ৰাখিছিল ?

ঘ) উগ্ৰপন্থী সকলক দিয়া ধন ঘুৰাই লোৱাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে কি ভূমিকা গ্ৰহণ কৰিছে ?

ঙ) নিৰ্বাচনী ইস্তাহাৰৰ প্ৰতিশ্ৰুতি অনুসৰি ৰাজ্যত থকা সকলো অবৈধ অস্ত্ৰ জব্দ কৰাৰ ক্ষেত্ৰত কি ভূমিকা পালন কৰিছে ? এতিয়ালৈকে কিমান অবৈধ অস্ত্ৰ জব্দ হ'ল আৰু কিমান বাকী আছে জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী )য়ে, উত্তৰ দিছে ঃ

ক) মুঠ ৩২৮০'৯৯ লাখ টকা আবন্টন দিছিল। ইয়াৰ ১০০ লাখ টকা ( ১৯৯৫-৯৬ ) ৰাজহ শিতানত জমা আছে। উক্ত ধন হিতাধিকাৰী সকলক ৰাজধন হিচাপে দিবলৈ জিলা উপায়ুক্ত সকলক দিয়া হৈছে। বিত্তীয় অনুষ্ঠান/বেংক সমূহৰ যোগেদি এই ধন বিতৰণ কৰা হয়। জিলা ভিত্তিত কোন কোন বেংকৰ যোগেদি এই ধন বিতৰন কৰা হ'ল আৰু তালিকা সংগ্ৰহ কৰি থকা হৈছে ।

খ) ৮৭২৩'১১ লাখ টকা আত্মসমৰ্পনকাৰী উগ্ৰপন্থী সকলক সংস্থাপনৰ বাবে বিতৰণ কৰা হয়। জিলাভিত্তিক বিতৰনৰ তালিকা সংগ্ৰহ কৰি থকা হৈছে। ঋণ প্ৰদানৰ ভিত্তি আছিল আত্মসমৰ্পনকাৰী উগ্ৰপন্থী সকলক পুনৰ সংস্থাপিত কৰা।

গ) তথ্য সংগ্ৰহ কৰি থকা হৈছে। এই সদস্য সকলক ঋণ দিয়াৰ ক্ষেত্ৰত অসম চৰকাৰ জামিনদাৰ আছিল ।

ঘ) ঋণ আদায়ৰ ক্ষেত্ৰত উপায়ুক্ত সকলক আইনগত ব্যৱস্থা হাতত লবলৈ নিৰ্দেশ দিয়া হৈছে।

ঙ) ৰাজ্য চৰকাৰে অবৈধ অস্ত্ৰ জব্দ কৰিবলৈ আৰক্ষী বিভাগক নিৰ্দেশ জাৰি কৰিছে। ইতিমধ্যে ৰাজ্যখনত মুঠতে ১৭৮ বিধ বিভিন্ন অস্ত্ৰ জব্দ কৰা হৈছে।

বিষয় ঃ ঋণৰ পৰিমান ।

শ্ৰীভীমানন্দ তাঁতীয়ে সুধিছে ঃ

১৬৬। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰীমহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ৰাজখনৰ ঋণৰ মুঠ পৰিমান কিমান ?

খ) উক্ত ঋণ সমূহ পৰিশোধ কৰিবৰ বাবে চৰকাৰে কি কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে :

ক) ৩১.৩।৯৬ ইং তাৰিখলৈ চৰকাৰৰ সৰ্ব্বমুঠ ঋণৰ পৰিমাণ ৫০৯৫ কোটি টকা।

খ) উক্ত ঋণ চৰ্ত অনুযায়ী বছৰেকীয়া বাজেটত পৰিশোধৰ বাবে ধাৰ্য্য কৰা হয়। কেন্দ্ৰীয় চৰকাৰৰ বিত্ত মন্ত্ৰনালয়ে পাবলগীয়া ঋণ উৎসতে কাটি লৈ আছে। অন্যান্য মন্ত্ৰনালয়ৰ ঋণৰ দিবলগীয়া অংশ সমূহ ৰাজ্য চৰকাৰৰ বিত্তীয় সংকটৰ কাৰণে পৰিশোধ কৰা হোৱা নাই। কিন্তু অন্যান্য অনুষ্ঠানৰ ঋণ সমূহ যেনে বানিজ্যিক ঋণ (Market loan) ক্ষুদ্ৰ সঞ্চয় আৰু ভবিষ্য নিধি ঋণ, বীমা নিগম ঋণ সমূহ নিয়মিত ভাবে পৰিশোধ কৰা হৈ আছে।

বিষয় : শিক্ষাদান আঁচনি।

শ্ৰী প্ৰদান বৰুৱাই সুধিছে :

১৬৭। মাননীয় অনুসূচীত জাতি/জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী সমূহৰ কল্যান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ১৯৯৫-৯৬ বিত্তীয় বছৰত A. T. D. A. ৰ পৰা School Teaching Aid দিয়াৰ সম্পৰ্কত কিমান টকা ধাৰ্য্য কৰা হৈছিল ?

খ) School Teaching Aid ৰ সামগ্ৰী সমূহ কি আছিল জনাবনে :

গ) উক্ত সামগ্ৰী সমূহ উন্নত মানদণ্ডৰ নহয় আৰু জনজাতীয় এলেকাত স্কুল ঘৰ নথকাৰ অৱস্থাত গৃহ নিৰ্মানৰ আঁচনিৰ পৰিবৰ্তে এনে আঁচনি যে নিস্প্ৰয়োজন এনে ধৰণৰ ৰাজহুৱা অভিযোগ পাইছে নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই (মুখ্যমন্ত্ৰী) উত্তৰ দিছে :

ক) ১৯৯৫-৯৬ বিত্তীয় বছৰত A.T.D.A. ৰ বাজেটত Teaching Aid ৰ

বাবদ 500'00 লাখ টকা ধাৰ্য্য কৰা হৈছিল।

খ) Teaching Aid ৰ ৭০ (সত্তৰ) টা সামগ্ৰীৰ তালিকা সংলগ্ন কৰা হ'ল। (See the Annexure VI)

গ) এই মৰ্মে কোনো ধৰণৰ লিখিত অভিযোগ পোৱা হোৱা নাই।

Re. Recruitment of unemployed persons.

Shri Prithibi Majhi asked :

168. Will the Minister of personnel be pleased to state :

a) As to when the Government proposes to recruit unemployed persons against existing vacancies of various departments of the Government ?

b) What will be the recruitment policy of the Government ?

c) Will the Government reflect the population pattern in recruitment ?

Sri Prafulla Kr. Mahant (Chief Minister) replied :

a) Regular appointment to various posts under the state Govt. as per the existing provisions of the respective service rules is open.

b) No new policy has been evolved.

c) Yes.

বিষয়ঃ প্ৰশাসনিক পদত মকৰলৰ বাবে সংৰক্ষণ।

শ্ৰীএটুৱা মুণ্ডাই সুধিছে :

১৬৯। মাননীয় ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী সমূহৰ কল্যান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ১৯৮৮ চনত অসম চৰকাৰ আৰু চাহ মজদুৰ ছাত্ৰ সন্থাৰ মাজত হোৱা চুক্তি মৰ্মে যেতিয়ালৈকে চাহ বাগিচাৰ লোক সকলক অনুসুচিত

জনজাতিৰ তালিকা ভুক্ত কৰা নহয় তেতিয়ালৈকে তেওঁলোকক অন্যান্য জনজাতি লোকৰ দৰে সুবিধা প্ৰদান কৰা আৰু প্ৰশাসনিক পদ সমূহ 8% শতাংশ সংৰক্ষনৰ ব্যৱস্থা কৰাৰ চুক্তি কৰা হৈছিল, সঁচানে ?

খ) যদি হৈছিল, কাৰ্য্যকৰী কৰনৰ ব্যৱস্থা কৰা হৈছেনে।

গ) যদি কৰা নাই, কেতিয়া কৰিব ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই ( মুখ্যমন্ত্ৰী ) উত্তৰ দিছে :

ক) ১৯৮৮ চনত অসম চৰকাৰ আৰু চাহ মজদুৰ ছাত্ৰ সন্থাৰ মাজত হোৱা কোনো চুক্তিৰ নথি পত্ৰ চৰকাৰৰ হাতত নাই যি নহওক, অসম চৰকাৰে ভৈয়াম জিলাত বসবাস কৰা আন আন জনজাতি সকলক দিয়াৰ দৰে চাহ জনজাতি সকলকো একেই আৰ্থিক সাহাৰ্য্য দিয়াৰ সিদ্ধান্ত লৈ দিয়াৰ ব্যৱস্থা কৰা হৈছে। চাহ জনজাতি সকলৰ বাবে প্ৰশাসনীয় পদ সমূহত 8% সংৰক্ষনৰ ব্যৱস্থা নাই। মাথোন অন্যান্য পিছপৰা শ্ৰেণীৰ লোকৰ দৰে চাহ জনজাতি সকলে ১৫% প্ৰশাসনীয় পদ সমূহত সংৰক্ষণ পাই আহিছে।

গ) প্ৰশ্ন নুঠে।

বিষয় : ষ্টেডিয়ামৰ বাবে টকা।

শ্ৰী ভৃগু কুমাৰ ফুকনে সুধিছে :

১৭০। মাননীয় ক্ৰীড়া বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) আমিনগাওঁ ৰাজীৱ গান্ধী সোঁৱৰণী ষ্টেডিয়ামৰ বাবে কিমান টকা আৱণ্টন দিয়া হৈছে ?

খ) বৰ্ত্তমানলৈকে কিমান টকা ব্যয় কৰা হ'ল ?

গ) বৰ্ত্তমানলৈকে খৰছ হোৱা অৰ্থৰ সঠিক ভাৱে প্ৰয়োগ হৈছেনে নাই চৰকাৰে অনুসন্ধান কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই ( মুখ্যমন্ত্ৰী ) উত্তৰ দিছে :

ক) ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ পৰা বৰ্ত্তমানলৈকে ২ কোটি ৭৫

লাখ টকাৰ আৱন্টন দিয়া হৈছে।

খ) ১ কোটি ৭০ লাখ ৫০ হাজাৰ টকা বৰ্ত্তমানলৈকে ব্যয় কৰা হৈছে।

গ) অনুসন্ধান কৰা হৈছে, কিন্তু চূড়ান্ত প্ৰতিবেদন পোৱা নাই।

**বিষয় : পূৰ্ণ পৰ্য্যায়ৰ আৰক্ষী চকীলৈ উন্নীতকৰণ।**

শ্ৰীৰবীন বনিক্যই সুধিছে :

১৭১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অভয়াপুৰী দক্ষিণ বিধান সভা সমষ্টিৰ অন্তৰ্গত বহটামাৰী পুলিচ আউট পষ্টটো পূৰ্ণ পৰ্য্যায়ৰ আৰক্ষী চকীলৈ উন্নীতকৰণৰ কিবা ব্যৱস্থা চৰকাৰে হাতত লৈছে নেকি ?

খ) এতিয়ালৈকে যদি এই সম্পৰ্কে ব্যৱস্থা লোৱা হোৱা নাই তেন্তে এই ক্ষেত্ৰত চৰকাৰে কেতিয়া ব্যৱস্থা গ্ৰহন কৰিব ?

গ) চলিত ১৯৯৬-৯৭ বিত্তীয় বৰ্ষৰ ভিতৰতে পুলিচ আউট পষ্টটো পূৰ্ণাংগ আৰক্ষী চকীলৈ ৰূপ দিয়াৰ ব্যৱস্থা কৰিব পাৰিব নেকি ?

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তই ( মুখ্যমন্ত্ৰী ) উত্তৰ দিছে :

ক) এতিয়ালৈকে চৰকাৰে এই বিষয়ত কোনো প্ৰস্তাৱ পোৱা নাই।

খ) প্ৰস্তাৱ পালে বিবেচনা কৰি চাব পৰা যাব।

গ) ১৯৯৬-৯৭ বিত্তীয় বৰ্ষত সম্ভৱ নহয়।

**বিষয় : জলপানী দিয়াৰ ব্যৱস্থা।**

ডা: নজৰুল ইছলামে সুধিছে :

১৭২। মাননীয় ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসমৰ প্ৰখ্যাত সাতোঁৰবিদ শ্ৰী এলভিচ আলী হাজৰিকাক যুৱ আৰু ছাত্ৰ কল্যাণ পৰিষদৰ যোগেদি চৰকাৰে মাহে মাহে জলপানী দিয়াৰ ব্যৱস্থা হাতত লৈছেনে ?

খ) যদি লৈছে, শ্ৰী হাজৰীকাক মাহে কিমান টকাকৈ জলপানী দিয়াৰ ব্যৱস্থা কৰিছে ?

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তই (মুখ্যমন্ত্ৰী) উত্তৰ দিছে:

ক) লোৱা হৈছিল।

খ) প্ৰতিমাহে ৫০০০/- (পাচ হাজাৰ) টকাকৈ জলপানী দিয়া হৈছিল।

বিষয়: টেলিফোন বিলৰ সন্দৰ্ভত।

শ্ৰী মহেন্দ্ৰ মোহন ৰায় চৌধুৰীয়ে সুধিছে:

১৭৩। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

ক) অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী আৰু ৰাজ্যিক মন্ত্ৰী সকলৰ মে মাহৰ ১৫ তাৰিখৰ পৰা নবেম্বৰ মাহৰ ১৫ তাৰিখলৈ ১৯৯৬ চনৰ প্ৰতিজন মন্ত্ৰীৰ টেলিফোনৰ ব্যয় কিমান?

খ) টেলিফোন সমূহৰ বিজুতিৰ কাৰণ কি?

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তই (মুখ্যমন্ত্ৰী) উত্তৰ দিছে:

ক) ১৯৯৬ চনৰ মে মাহৰ ১৫ তাৰিখৰ পৰা নবেম্বৰ মাহৰ ১৫ তাৰিখলৈকে অসম চৰকাৰৰ প্ৰতিজন কেবিনেট আৰু ৰাজ্যিক মন্ত্ৰীৰ টেলিফোনৰ বাবদ ব্যয় হোৱা টকাৰ পৰিমান তলত দেখুৱা হ'ল:

| | কেবিনেট মন্ত্ৰী | ব্যয় |
|---|---|---|
| ১) | শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত<br>মুখ্যমন্ত্ৰী, অসম। | বিল পৰিশোধ কৰা হোৱা নাই। |
| ২) | শ্ৰীঅতুল বৰা<br>বাসস্থানত টেলিফোন সংযোগ | ৫৪৫০·০০ টকা। |
| ৩) | শ্ৰীবিৰাজ কুমাৰ শৰ্মা<br>বাসস্থানত টেলিফোন সংযোগ | ৫৪৫০·০০ টকা |
| ৪) | ডাঃ কমলা কলিতা | ১৬৮·০০ টকা |
| ৫) | শ্ৰীমতী ৰেখাৰাণী দাস বড়ো | ১৮২৯·০০ টকা |
| ৬) | শ্ৰী সুৰেন্দ্ৰ নাথ মেধি | ২৫০৫·০০ টকা। |
| | ৰাজ্যিক মন্ত্ৰী | |
| ১) | শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা<br>বাসস্থানত টেলিফোন সংযোগ | ৫৯০০·০০ টকা |

২) শ্ৰী হাজি আব্দুল ৰৌফ ২০৮০·০০ টকা

৩) আব্দুল জব্বৰ ২০৫০·৭০ টকা

৪) শ্ৰী বুবুল দাস

বাসস্থানত টেলিফোন সংযোগ — ৭৭০০·০০ টকা

সৰ্ব্বমুঠ — ৩৩,০৫২·০০ টকা।

( মুঠ তেত্ৰিশ হাজাৰ বাৱন্ন টকা )

খ) টেলিফোন সমূহৰ বিজুতিৰ কাৰণ হ'ল — যান্ত্ৰিক।

RE : CENTRAL GOVERNMENT LOANS.

Shri Misbahul Islam Laskar asked :

174. Will the Minister of Finance be pleased to state :

a) For how much money Govt. Of Assam is indebted to the Central Government during 1. 12. 85, 1. 5.91, 1. 5. 96 and on 1. 11. 96 ?

Shri Prafulla Kumar Mahanta, ( Chief Minister ) Replied :

Government of Assam is indebted to the Central Govt. by the amounts shown below :

| As on | | | |
|---|---|---|---|
| 31.3.85 | — | Rs. | 1480 06 Crores. |
| 31·3.86 | — | Rs. | 1852 73 Crores. |
| 31.3.91 | — | Rs. | 3635.18 Crores. |
| 31.3.92 | — | Rs. | 3788.75 Crores. |
| 31.3.95 | — | Rs. | 3550.22 Crores. |
| 31.3 96 ( Estimated ) | — | Rs. | 3813.93 Crores. |

Accounts of the State Government are maintained on financial year basis i.e. from 1st April to 31st

March and as such it is difficult to furnish the figures of debt on a particular date within the financial year other than 31 st March. Hence, the amount outstanding as on 31 st March of the concerning years is indicated above.

RE : APPOINTMENT IN HILLS DEVELOPMENT COMMISSIONER OFFICE.

Shri Hemsing Tisso. }
and asked.
Shri Samarjit Haflongbar, }

175. Will the Minister of Hills Areas Development be pleased to state ;

a) How many peoples from Hills Tribe are being employed in Hills Development Commissioner Office Dispur ?

b) Give details for functions ;

Shri Prafulla Kumar Mahanta ( Chief Minister ) replies :

1 ( one ) Hills Tribe candidate emploded in the office of the Development Commissioner for Hill Areas of Assam.

b) The functions of the Development Commissioner for Hill Areas, Assam is to look after the Hill plan and development programmes in the Sixth Schedule areas comprising Karbi Anglong and N. C. Hills Districts of Assam.

বিষয় ঃ উপ-কোষাগাৰ নিৰ্ম্মাণৰ আশ্বাস।

শ্ৰী ৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ
মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ডিগবৈ নগৰত উপ-কোষাগাৰ স্থাপনৰ বাবে পূৰ্বৰ বিত্তমন্ত্ৰীয়ে সদনত আশ্বাস দিয়াৰ কথাটো চৰকাৰৰ অৱগতনে ?

খ) বৰ্ত্তমান উক্ত কোষাগাৰৰ প্ৰস্তাৱ কি পৰ্য্যায়ত আছে ?

শ্ৰীপ্ৰফুল্লকুমাৰ মহন্তই (মুখ্যমন্ত্ৰী) উত্তৰ দিছে :

ক) হয়।

খ) ডিগবৈ কোষাগাৰত মুদ্ৰাকোষ স্থাপনৰ অনুমোদনৰ বাবে ৰিজাৰ্ভ বেংকৰ লগত যোগাযোগ কৰি থকা হৈছে।

বিষয় : সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ শাখা।

শ্ৰীমতী ৰেণুপমা ৰাজখোৱাই সুধিছে :

১৭৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) উজনি অসমৰ যোৰহাট জিলাত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ যুটীয়া সঞ্চালকৰ দায়িত্বত এটি শাখা খুলি সাংস্কৃতিক উন্নতি কৰিবৰ ব্যৱস্থা চৰকাৰে গ্ৰহন কৰিছেনে ?

খ) যদি কৰা নাই কৰাৰ কিবা সিদ্ধান্ত গ্ৰহন কৰিছেনে ?

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) যুটীয়া সঞ্চালকৰ দায়িত্বত কোনো কাৰ্য্যালয় খোলা হোৱা নাই।

খ) সদ্যহতে চৰকাৰৰ হাতত তেনে কোনো প্ৰস্তাৱ নাই।

বিষয় : স্থায়ী ভৱন নিৰ্মাণ।

শ্ৰী মোহন দাসে সুধিছে :

১৭৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) বজালী মহকুমাৰ বাবে অতী প্ৰয়োজনীয় মহকুমাধিপতিৰ কাৰ্যালয়ৰ স্থায়ী ভবন নিৰ্মান কাৰ্য্য আজিলৈ আৰম্ভ নোহোৱাৰ কথাটোৰ বিষয়ে চৰকাৰ অৱগত নে ?

খ) চলিত বিত্তীয় বৰ্ষত কাৰ্য্যালয়ৰ ভৱন নিৰ্মানৰ বাবে পুঁজি ধাৰ্য্য কৰা হৈছে নেকি আৰু যদি ধাৰ্য্য কৰা হৈছে তাৰ পৰিমান কিমান আৰু কেতিয়াৰ পৰা নিৰ্মান কাৰ্য্য আৰম্ভ হব ?

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তই (মুখ্যমন্ত্ৰী) উত্তৰ দিছে ঃ

ক) হয়, চৰকাৰ এই বিষয়ে অৱগত।

খ) বজালী মহকুমাৰ সদৰ কাৰ্য্যালয় নিৰ্মাণৰ কাৰণে পাঠশালাৰ ওচৰত মাটি আবণ্টন দিয়া হৈছিল। কিন্তু সদৰ কাৰ্য্যালয়ৰ স্থান সম্পৰ্কে মতানৈক্য হোৱাৰ পৰিপ্ৰেক্ষিতত নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰা হোৱা নাই।

বিষয় ঃ মিনি ষ্টেডিয়াম স্থাপন।

শ্ৰী আলী আকবৰ মিঞাই সুধিছে :

১৮০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ পৰা গাওঁ অঞ্চলৰ যুৱক-যুৱতীৰ বাবে কি কি আঁচনি চলাই থকা হৈছে বা লোৱা হৈছে, এই আঁচনিবোৰ কেনেদৰে কাৰ্য্যকৰী কৰা হয়?

খ) মহকুমা ভিত্তিত এই আঁচনিসমূহ কাৰ্য্যকৰী কৰাৰ সুবিধাৰ্থে বিভাগীয় চৰকাৰী কাৰ্যালয় স্থাপনত (প্ৰতিটো মহকুমাত) চৰকাৰে কোনো সিদ্ধান্ত গ্ৰহণ কৰিছেনে বা কৰিবনে?

গ) প্ৰতিখন উন্নয়ন খণ্ড এলেকাত এখনকৈ মিনি ষ্টেডিয়াম নিৰ্মাণ (স্থাপন) কৰাৰ কোনো পৰিকল্পনা চৰকাৰৰ হাতত আছেনে?

ঘ) যদি আছে, কেতিয়া উক্ত পৰিকল্পনা কাৰ্য্যকৰী কৰা হব?

ঙ) যদি নাই, তেন্তে এনে পৰিকল্পনা চৰকাৰে কেতিয়া গ্ৰহণ কৰিব?

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তই (মুখ্যমন্ত্ৰী) উত্তৰ দিছে ঃ

ক) অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱকল্যান বিভাগৰ পৰা গাওঁ অঞ্চলৰ যুৱক-যুৱতীৰ বাবে তলত উল্লেখিত আঁচনিসমূহ চলাই থকা হৈছে। ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ বিত্তীয় সাহাৰ্য্যৰে সহায় কৰা হয়।

১) গ্ৰাম্য ক্ৰীড়া আঁচনি।

২) গ্ৰাম্য উন্নয়ন খণ্ডত মিনি ষ্টেডিয়াম নিৰ্মাণ।

৩) গ্ৰাম্যাঞ্চলত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অধীনত শিবিৰ।

৪) গ্ৰাম্যাঞ্চলৰ বিদ্যালয় সমূহৰ ক্ৰীড়া পথাৰৰ উন্নতিকৰণ।

খ) সিদ্ধান্ত লৈছে ।

গ) আছে।

ঘ) ইতিমধ্যে উক্ত আঁচনিৰ কাম যোৱা ১৯৮৫-৮৬ বিত্তীয় বৰ্ষৰ পৰা আৰম্ভ হৈছে ।

ঙ) ওপৰৰ 'ঘ' উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

RE : ESTABLISHMENT OF TREASURY.

Shri Sukhendu Shekhar Dutta asked :

181. Will the Minister of Finance be pleased to state :

a) When the proposed Government Treasury at Patharkandi will be established ?

b) The reason for delay in the establishment of the said Treasury ?

Sri Prafulla Kumar Mahanta (Chief Minister) replied :

a) & b) It has been decided to establish Treasury Offices in all Sub-Divisional head quarters before considering any other place.

RE : UPGRADATION OF OUT POST & POLICE STATION.

Shri Abdul Muqtadir Choudhury asked :

182. Will the Minister of Home be pleased to state :

a) Is it a fact that the proposal for upgradation of Nilambazar Out Post under Karimganj district and police station is pending before the Government since 1983 ?

b) If so, what is the present position ?

Shri Prafulla Kumar Mahanta ( Chief Minister ) replied :

a) It is not a fact. A proposal has been received in December 1992.

b) The proposal is approved by the concerned Committee in the meeting held on 30-8-1995. Now it is under eonsideration of Government.

RE : IMPLEMENTATION OF CIVIL SUBDIVISON.

Shri Sambhusing Mallah asked :

183. Will the Minister General Administration Deptt. be pleased to state :

a) Whether the Government is taking any firm decision to implement Ramkrishna Nagar as Civil Sub-Division ?

b) The Civil Sub-Division Lakhipur & Nazira were implemented but why till now the Ramkrishnanagar is pending ?

c) Will the Government take initiative to implement the said Sub-Division soon ?

Shri Prafulla Kumar Mahanta ( Chief Minister ) replied :

a) No.

b) Noted.

c) The Government has not taken any decision on this.

RE : CREATION OF SEPARATE STATE.

Shri Mohini Basumatary asked :

184. Will the Minister W. P. T. & B. C. be pleased to State :

a) Will Government of Assam extend help and Co-operation in creation of separate state of Bodoland ?

b) If not, Why ?

c) If Yes, When ?

Shri Prafulla Kr. Mahanta ( Chief Minister ) replied :

a) Creation of a State under the constitution of India is the responsibility of the Central Government.

b) Does not arise.

c) Does not arise.

RE : POST OF LOKAYUKTA OF ASSAM.

Smti. Pramila Rani Brahma asked :

185. Will the Chief Minister be pleased to state :

a) Whether Government is aware of the fact that the post of Lokayukta of Assam is lying vacant ?

b) If so since when the post has been lying vacant and whether the Assam Government is willing to appoint the Lokayukta of Assam ?

c) What is the power and function of the Lokayukta ?

Shri Prafulla Kumar Mahanta ( Chief Minister ) replied :

a) Yes.

b) The post of Hon'ble Lokayukta Assam is lying vacant since 21-3-1995. Necessary action is already under process for appointment of Lokayukta/Upa-Lokayukta.

c) As per provision of Assam Lokayukta and Upa-Lokayukta's Act, 1985, the main powers and function

of Hon'ble Lokayukta is to conduct investigation of grievances and allegations against Minister, Legislators and other public servants in certain cases and for matters connected therewith.

It extends to the whole of the state of Assam and applies also to the public servants posted outside Assam in connection with affairs of the state of Assam.

RE: ACCOMMODATION OF POLICE PERSONNEL.

Shri Aminul Islam asked:

186. Will the Minister of Home be pleased to state:-

a) Whether the Government is aware of the fact that, police personnel posted at the remotest areas of the state have not been provided with minimum facilities of accommodation (both Official and Residential)?

b) Whether the Government is of the view that they should be provided with minimum facilities of accommodation at the place of their posting?

c) If yes, whether the Government have taken any decision in this respect and in case such decision is taken, when the same is going to the executed?

d) Will the Government make necessary arrangement at an early date for providing funds to construct the police Outpost/Watchposts located at the interior places of South Salmara Mancachar Civil Sub-Division?

e) Will the Government take a decision to convert the police outpost located at the Sub-Division Hasd Quarters "HATSINGIMARI" into a full-fledged police Station ?

Shri Prafulla Kumar Mahanta ( Chief Minister ) replied :

a) Some police personnel posted at the remotest areas have not been provided with all essential facilitics both Official and residential.

b) Yes.

c) Government have taken up the plan in phases for providing essential facilities both Official and residential accommodation through Assam police Housing Corporation.

d) Government have sanctioned a sum of Rs. 1,28,701/- only for construction of Watch post within Mancachar Development Block under Scheme of International Border Areas Development programme.

e) The proposal for creation of Hatsingimari police Station is under Government consideration.

বিষয় ঃ- সৰ্থেবাৰী নগৰ সমিতিলৈ টকা মঞ্জুৰী।

শ্ৰীনিজামুদ্দিন খানে সুধিছে :

১৮৭। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ১৯৯১ চনৰ ১ জুলাইৰ পৰা ১৯৯৬ চনৰ ১৫ মে লৈকে সৰ্থেবাৰী নগৰ সমিতিলৈ কোন শিতানৰ পৰা কিমান টকাৰ মঞ্জুৰী দিয়া হৈছিল ?

খ) উক্ত মঞ্জুৰীৰ পুঁজি কি কি আঁচনিৰ বাবে কিমান টকাকৈ নিৰ্দ্ধাৰণ কৰা হৈছিল ?

গ) উক্ত আঁচনিৰ কাম কৰাৰ বাবে নিবিদা আহ্বান কৰা হৈছিলনে ?

ঘ) যদি হৈছিল, কোন আঁচনিৰ বাবে কিমানটাকৈ নিবিদা পোৱা হৈছিল আৰু নিৰিখ কিমান আছিল ?

ঙ) উক্ত পুঁজিৰ আঁচনি সমূহৰ কাম সম্পূৰ্ণ কৰা হৈছে নে ?

চ) আঁচনি সমূহৰ বাবে নিৰ্দ্ধাৰিত ধন আদায় দিয়া হৈছে নে ?

ছ) আঁচনিৰ কাম সম্পূৰ্ণ নকৰাকৈ নিৰ্দ্ধাৰিত পুঁজি আদায় দিয়া কথাটো সঁচানে ?

জ) এই সম্পৰ্কত তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহন কৰিব নে ?

শ্ৰী বিৰাজ কুমাৰ শৰ্মা ( পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) শিতান আৰু টকাৰ পৰিমান সংলগ্ন প্ৰপত্ৰ নং 'এ'ত দেখুৱা হ'ল। ( See the Annexure VII )

খ) আঁচনিৰ ভিতৰত অল্পব্যয় অনাময় আঁচনি ( Low cost sanitation programme আৰু বজাৰ নিৰ্মান আঁচনিৰ বাবেহে টকা নিৰ্দ্ধাৰন কৰা হৈছিল। সংলগ্ন প্ৰপত্ৰ 'এ'ও দেখুৱা হৈছে। ( See the Annexure VII )

গ) হয়। নিবিদা আহ্বান কৰা হৈছিল।

ঘ) বজাৰ নিৰ্মাণ আঁচনিৰ বাবে তিনিখন নিবিদা পোৱা হৈছিল, তাৰে দুখনৰ নিৰিখ আছিল প্ৰাক্কলীন ( Estimated ) ব্যয়ৰ ওপৰত ২৫%বেছি আৰু আনখনৰ ৩৫%বেছি।

অল্পব্যয় অনাময় আঁচনিৰ ( L. C. S. P. ) কাম চৰকাৰে নিৰ্দ্ধাৰিত কৰা ব্যয়ৰ ভিতৰত এই কামত অভিজ্ঞতা থকা ঠিকাদাৰ নিৰ্বাচন কৰি, আঁচনিৰ কাম কৰোৱা হয়। এই ক্ষেত্ৰত কোনো নিবিদা আহ্বান কৰা নহয়।

ঙ) অল্পব্যয় আঁচনিৰ কাম ইতিমধ্যে শেষ হৈছে আৰু বজাৰ নিৰ্মাণ

আঁচনিৰ কাম বৰ্তমানলৈ চলি আছে।

চ) হয়। চৰকাৰৰ ফালৰ পৰা আঁচনি সমূহৰ বাবে নিৰ্দ্ধাৰিত সমুদায় ধন আদায় দিয়া হৈছে।

ছ) নহয়।

জ) প্ৰশ্ন নুঠে। তথাপিও নিৰ্দিষ্ট অভিযোগ পালে প্ৰয়োজন হলে তদন্ত সাপেক্ষে বিহিত ব্যৱস্থা লোৱা হ'ব।

**বিষয় ঃ অসম্পূৰ্ণ প্ৰেক্ষা গৃহ।**

**শ্ৰী হিৰেন কুমাৰ দাসে সুধিছে :**

১৮৮। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) সমগ্ৰ অসমতে আধৰুৱা হৈ থকা প্ৰেক্ষাগৃহ (Auditorium) সমূহ কেতিয়ালৈ সম্পূৰ্ণ হৈ উঠিব জনাবনে? দৰং জিলাৰ একমাত্ৰ Auditorium টো হবনে?

খ) চৰকাৰে গ্ৰহণ কৰা চলচিত্ৰ নীতি সমূহ কিমানদূৰ বৰ্তমানলৈকে কাৰ্য্যকৰি হৈছে জনাবনে?

গ) অসমৰ চলচিত্ৰ নিৰ্মাণকাৰী সকলক চলচিত্ৰ নিৰ্মাণৰ বাবে আৰ্থিক সাহাৰ্য্য দিবলৈ কিবা বিত্তীয় প্ৰতিষ্ঠান খোলাৰ কিবা প্ৰস্তাৱ আছে নেকি?

ঘ) অসমৰ ভ্ৰাম্যমান থিয়েটাৰ সমূহৰ কলা কুশলী চৰকাৰে বছৰি যোগ্যতাৰ ভিত্তিত পুৰস্কাৰ (award) দিয়াৰ প্ৰথা প্ৰচলন কৰিব নেকি?

**শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তই (মুখ্যমন্ত্ৰী) উত্তৰ দিছে ঃ**

ক) সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ প্ৰেক্ষাগৃহ নিৰ্মাণ সম্পৰ্কত কোনো আঁচনি নাই। দৰং জিলাৰ প্ৰেক্ষাগৃহটো নিৰ্মাণৰ ক্ষেত্ৰত এই বিভাগ জড়িত নহয়।

খ) কথাছবি নিৰ্মাণৰ বাবে আৰ্থিক সাহাৰ্য্য দিয়া, শ্ৰেষ্ঠ কথাছবি বাচনি,

নির্মাতা. অভিনেতা-অভিনেত্রী, আৰু আন কলাকুশলী সকলক ৰাজ্যিক ভিত্তিত সমাৰোহৰ আয়োজন কৰি বিশেষ বঁটা প্ৰদান আৰু আৰ্থিক সাহাৰ্য্য দিয়াৰ ব্যৱস্থা লোৱা হৈছে। ইয়াৰোপৰি তথ্য চিত্ৰ নিৰ্মাণৰ ক্ষেত্ৰত সাংস্কৃতিক পৰিক্ৰমা বিভাগে আৰ্থিক অনুদানো আগবঢ়াই আহিছে।

গ) অসম ৰাজ্যিক কথাছবি ( বিত্ত আৰু উন্নয়ন ) নিগম নামৰ এটি প্ৰতিষ্ঠান আছে। চলচিত্ৰ নিৰ্মাণকাৰী সকলক চলচ্চিত্ৰ নিৰ্মাণৰ বাবে এই প্ৰতিষ্ঠানৰ দ্বাৰা আৰ্থিক সাহাষ্য দিয়াৰ ব্যৱস্থা আছে।

ঘ) অসমৰ ভ্ৰাম্যমান থিয়েটাৰ সমূহৰ অভিনেতা অভিনেত্ৰী তথা কলাকুশলীক যোগ্যতাৰ ভিত্তিত পুৰস্কাৰ দিয়াৰ ব্যৱস্থা লোৱা হৈছে।

**বিষয় ঃ সেনাবাহিনীৰ দ্বাৰা হত্যা।**

শ্ৰীমতী ৰূপম কুৰ্মীয়ে সুধিছে :

১৮৯। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) মৰিয়নি সমষ্টিৰ ন-পাম ঘৰফলীয়া গাওঁৰ উদিয়মান যুৱক সীমান্ত গগৈক সেনা বাহিনীৰ জোৱানে ৰাতি নিজ ঘৰত শুই থকা অৱস্থাৰ পৰা তুলি আনি নৃশংশ ভাবে গুলিয়াই হত্যা কৰাৰ বিষয়ে চৰকাৰ অৱগতনে ?

খ) যদি অৱগত তেন্তে ইয়াৰ কি ব্যৱস্থা লৈছে ?

গ) সীমান্ত গগৈৰ পৰিয়ালবৰ্গলৈ ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা লৈছেনে ? যদি লৈছে, কেনেদৰে লৈছে জনাবনে ?

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তই ( মুখ্যমন্ত্ৰী ) উত্তৰ দিছে :

ক) হয়। চৰকাৰ অৱগত।

খ) এই সংক্ৰান্তত মৰিয়নি থানাত এটি গোচৰ পঞ্জীভূত হৈছে আৰু আৰক্ষীৰ তদন্ত অব্যাহত আছে।

গ) হয়। যোৰহাট জিলা উপায়ুক্তই মৃত সীমান্ত গগৈৰ পৰিয়ালক

এককালীন ৫,০০০'০০ টকা সাহাৰ্য্য মঞ্জুৰ কৰিছে।

**বিষয় ঃ ভাতৃঘাটী আৰু গোষ্ঠীগত সংঘৰ্ষ।**

শ্ৰী দেৱকান্ত ৰামচিয়াৰীয়ে সুধিছে ঃ

১৯০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসমত সঘনে হৈ থকা ভাতৃঘাতী সংঘৰ্ষ আৰু "গোষ্ঠীগত সংঘৰ্ষ" বাধা দিয়াৰ কাৰণে এতিয়ালৈকে কোনো কাৰ্য্যকৰী ব্যৱস্থা লোৱা হৈছে নে ?

খ) যদি লোৱা নাই ইয়াৰ কাৰণ কি ?

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তই (মুখ্যমন্ত্ৰী) উত্তৰ দিছে ঃ

ক) হয়। লোৱা হৈছে।

খ) প্ৰশ্ন নুঠে।

**বিষয় ঃ গোলাঘাট নগৰৰ এচ পি ডি এ আঁচনি।**

শ্ৰী অতুল বৰাই সুধিছে ;

১৯১। মাননীয় ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) গোলাঘাট নগৰত এচ পি ডি এ স্কীমৰ অধীনত নিৰ্ম্মাণ কৰিব লগা ক্ৰীড়া প্ৰকল্প সমূহৰ কাম কিমান সম্পূৰ্ণ হ'ল ?

খ) এই আঁচনিৰ বাবে ধন আৱণ্টন দিয়া হৈছিলনে ? এচ পি ডি এ আঁচনিত নিৰ্মিত এই ক্ৰীড়া প্ৰকল্পৰ পৰিচালনাৰ ভাৰ কাৰ ওপৰত ন্যস্ত কৰা হৈছে ?

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তই (মুখ্যমন্ত্ৰী) উত্তৰ দিছে ঃ

ক) এতিয়ালৈ শতকৰা ৭০ (সত্তৰ) ভাগ সম্পূৰ্ণ হৈছে।

খ) হৈছিল। বৰ্ত্তমানলৈ এই ক্ৰীড়া প্ৰকল্পৰ পৰিচালনাৰ ভাৰ কাৰো ওপৰত ন্যস্ত কৰা হোৱা নাই। ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ বিশেষ

কৰ্ত্তব্যৰত বিষয়াই ক্ৰীড়া প্ৰকল্পৰ পৰিচালনাৰ বাবে লিখন চোৱাচিতা তথা পৰিচালনা সমিতি গঠনৰ বাবে প্ৰস্তাৱ দিছে।

বিষয় ঃ আলফা, বি, এছ, এফৰ সৈতে আলোচনা।

১৯২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) সংযুক্ত মুক্তি বাহিনী, অসম ( ইউ, এল, এফ, এ ) আৰু বড়ো চিকিউৰিটি ফৰ্চ ( বি এছ এফ ) এ উৎথাপন কৰা দাবীবোৰ আলোচনাৰ মাধ্যমেৰে মীমাংসা কৰিবলৈ চৰকাৰে আগ্ৰহ প্ৰকাশ কৰাটো সচাঁনে ?

খ) যদি সচাঁ, দুয়োটা সংগঠনকে আলোচনাৰ মেজলৈ আনিবলৈ চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তই ( মুখ্যমন্ত্ৰী ) উত্তৰ দিছে ;

ক) সচাঁ।

খ) এই সংক্ৰান্তত চৰকাৰে দুয়োটা সংগঠনলৈ আলোচনাৰ বাবে আহ্বান জনাই আহিছে।

RE : WIRE FENCING IN BORDER :

Shri Sheikh Abdul Hamid asked :

193. Will the Minister of Assam Accord Implementation be pleased to state :

a) Total length of Indo-Bangladesh Border to be sealed ( by wire fencing ) as per Assam Accord ?

b) The progress made so far ?

c) Initiative taken by the state Government to complete the ( sealing ) fencing ?

Shri Prafulla Kumar Mahanta ( Chief Minister ) replied :

a) 207.983 Kms.

b) Sanctions have been issued for provision of fencing in 152.313 Kms. for Rs. 1456. 48 lakhs. Upto october 124 185 Kms. have been fenced at a cost of Rs. 1424.73 lakhs.

c) Necessary action has been initiated to the appropriate authority for sanction of fencing in the remaining stretch of 55. 67 Kms of the Assam Sector of Indo-Bangladesh Border.

বিষয় ঃ এ টি ডি এৰ পুঁজি বিতৰণ।

শ্ৰী কুমুদ চন্দ্ৰ দাসে সুধিছে :

১৯৪। মাননীয় ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) এ টি ডি এৰ ১৯৯৪-৯৫ আৰু ১৯৯৫-৯৬ এলোটেড ফান্দ কিমান আৰু ইয়াৰ বিপৰীতে কিমান পালে ? এম এস এ ওৱাইজ এলোকেচন কিমান আৰু কিমান টকাৰ চেক দিয়া হ'ল ?

খ) ১৯৯৬-৯৭ত কিমান টকা পোৱা হ'ল, ইয়াৰ বিপৰীতে কাক কাক দিয়া হ'ল ?

গ) টিচিং এইদৰ বাবদ চৰকাৰৰ পৰা কিমান টকা পালে আৰু কিমান টকা খৰচ হ'ল যদি এক্সট্ৰা খৰচ হৈছে সেই টকা ক'ৰ পৰা খৰচ কৰা হ'ল ?

ঘ) ফিজিবিলিটি ৰিপৰ্ট নোহোৱাকৈ কাৰোবাক লোন দিয়া হৈছে নেকি, যদি দিয়া হৈছে তেতিয়াহলে কিয় দিয়া হ'ল ?

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তই ( মুখ্যমন্ত্ৰী ) উত্তৰ দিছে :

ক) ১৯৯৪-৯৫ আৰু ১৯৯৫-৯৬ৰ এলোটেড ফান্দ যথাক্ৰমে ৫৩৩·০০ লাখ আৰু ৭১৬·০০ লাখ টকা আৰু ইয়াৰ বিপৰীতে পোৱা টকাৰ পৰিমান যথাক্ৰমে

৫০৭'৭৩ লাখ আৰু ৭০১১'২২ লাখ টকা। সদস্য সকলৰ বিপৰীতে ১৯৯৪-৯৫ত ৩০০'৫০ লাখ টকা আৰু ১৯৯৫-৯৬ ত ৩৫৭'৮৩ লাখ ধাৰ্য্য কৰা হৈছিল। MLA wise allocation আৰু চেকৰ পৰিমান সহ তালিকা গাঁঠি দিয়া হ'ল।

(See the Annexure-VIII)

খ) ১৯৯৬-৯৭ চনত ১০-১২-৯৬ তাৰিখলৈকে ১২৩'০০ লাখ টকা পোৱা হৈছিল। এই টকা এ টি ডি এৰ ফান্দত ৰাখি বিভিন্ন শিতানত খৰছ কৰা হৈছে।

গ) টিচিং এইদৰ বাবদ ৫০০'০০ লাখ টকা এ টি ডি এৰ বাজেটত ধাৰ্য্য কৰা হৈছিল। ইয়াৰ বিপৰীতে ১৯৯৫-৯৬ ত ২৭৫'০০ লাখ টকা খৰছ কৰা হৈছে। এই বছৰত কোনো একষ্ট্ৰা খৰছ কৰা হোৱা নাই।

ঘ) ফিজিবিলিটি ৰিৰ্পোট নোহোৱাকৈ লোন দিয়া হৈছে। প্ৰাক্তন সভাপতি/উপসভাপতিৰ প্ৰত্যক্ষ অনুমোদনৰ সাপেক্ষে কিছুমান হিভাধিকাৰীক ফিজিবিলিটি ৰিৰ্পোট নোহোৱাকৈ লোন দিয়া হৈছিল।

বিষয় ঃ ৰাজ্যৰ বিত্তীয় অৱস্থা।

শ্ৰী হেমন্ত কলিতাই সুধিছে ঃ

১৯৫ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) চৰকাৰে বৰ্ত্তমান ৰাজ্যৰ শোচনীয় বিত্তীয় ব্যৱস্থা উন্নয়নৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰিছে জনাবনে ?

খ) ৰাজ্য চৰকাৰে ৰাজহৰ উৎস বৃদ্ধি কৰাৰ বাবে কি কি আঁচনি লৈছে জনাবনে ?

গ) অসমত থকা প্ৰাকৃতিক সম্পদ ৰাজিক অসমৰ বিত্তীয় উন্নয়নৰ দিশত ব্যৱহাৰৰ বাবে কিবা আঁচনি আছে নেকি ?

ঘ) ঠিকাদাৰ সকলে পাবলৈ থকা টকা সোনকালে দিবৰ বাবে কিবা ব্যৱস্থা গ্ৰহন কৰিছেনে ?

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তই (মুখ্যমন্ত্ৰী) উত্তৰ দিছে :

ক) ৰাজ্যৰ বৰ্ত্তমান বিত্তীয় ব্যৱস্থা উন্নয়নৰ বাবে অধিক কৰ সংগ্ৰহৰ ব্যৱস্থা লোৱাৰ লগতে অপ্ৰয়োজনীয় ব্যয় হ্ৰাস কৰাৰ ওপৰত গুৰুত্ব দিছে। ইয়াৰ উপৰিও কেন্দ্ৰীয় চৰকাৰৰ ওচৰত তেলৰ ৰয়েল্টী বঢ়োৱাৰ, আভ্যন্তৰীণ নিৰাপত্তা ব্যৱস্থাৰ বাবে হোৱা অতিৰিক্ত খৰচ কেন্দ্ৰীয় চৰকাৰে বহন কৰা আৰু ঋণৰ Moratorium ৰ প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰিছে। ইয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি থকা হৈছে।

খ) কোনো নতুন আঁচনি লোৱা নাই।

গ) বছৰি ৬ (তিনি) লাখ মেট্ৰিকটন খাৰুৱাতেল শোধন কৰিব পৰা এটা তেলশোধনাগাৰ নুমলীগড়ত স্থাপন কৰিবলৈ পৰিকল্পনা কৰা হৈছে। গেছ ক্ৰেকাৰ প্ৰজেক্ট এটা স্থাপন কৰিবৰ কাৰণেও পৰিকল্পনা কৰা হৈছে। অসমত উৎপাদন হোৱা কেঁচা মৰাপাটেৰে তৈয়াৰ কৰিব পৰা সামগ্ৰীৰ উৎপাদনৰ কাৰণে আঁচনি লবলৈ চিন্তা চৰ্চা কৰা হৈছে।

ঘ) বিত্তবিভাগে কোনো ঠিকাদাৰক পোনপটীয়াকৈ টকা আদায় নিদিয়ে।

**বিষয় ঃ শিশু খাদ্য।**

শ্ৰী প্ৰদান বৰুৱাই সুধিছে :

১৯৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ক) এই বিষয়ে চৰকাৰ অৱগতনে যে শিশু খাদ্যৰ ওপৰত ৰাজ্য চৰকাৰে বিক্ৰীকৰ ৰেহাই দি থৈছে?

খ) যদি হয়, তেন্তে চৰকাৰে জানেনে যে এই ৰেহাই ব্যৱস্থা বাস্তৱতে উপভোক্তা সকলে উপভোগ কৰিবলৈ পোৱা নাই?

গ) পৰ্তিকে এনে ব্যৱস্থা উপভোক্তা সকলক উপকৃত কৰিবলৈ গ্ৰহন কৰা হল নে ব্যৱসায়ী গোষ্ঠীক চৰকাৰে জানেনে?

ঘ) এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

শ্রী প্ৰফুল্ল কুমাৰ মহন্তই (মুখ্যমন্ত্ৰী) উত্তৰ দিছে:

ক) ১৯৯৩ চনৰ অসম সাধাৰণ বিক্ৰীকৰ আইনৰ অধীনত শিশু খাদ্যৰ ওপৰত কৰ ৰেহাই দিয়া হোৱা নাই।

খ) প্ৰশ্ন নুঠে।

গ) প্ৰশ্ন নুঠে।

ঘ) প্ৰশ্ন নুঠে।

বিষয়: Creamy Layer চিনাক্ত কৰণ।

শ্ৰী পৃথিবী মাঝিয়ে সুধিছে:

১৯৭। মাননীয় ডব্লিউ পি টি এণ্ড অ. বি চি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি আমাক জনাবনে?

ক) অন্যান্য পিচপৰা সম্প্ৰদায়ৰ (OBC) লোক সকলৰ মাজত Creamy Layer ৰ চিনাক্ত কৰণ কৰি বেচি সংখ্যক লোকক সংৰক্ষনৰ সুবিধাৰ পৰা বঞ্চিত কৰি Creamy Layer চিনাক্ত কৰনৰ আদেশ চৰকাৰে জাৰি কৰাটো সত্যনে?

খ) যদি সত্য, এই আদেশ বাতিল কৰিবৰ ব্যৱস্থা চৰকাৰে অনতি পলমে কৰিবনে?

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তই (মুখ্যমন্ত্ৰী) উত্তৰ দিছে:

ক) ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ নিৰ্দ্দেশ মতে ভাৰতৰ অন্যান্য ৰাজ্যৰ লগতে অসম চৰকাৰেও ক্ৰিমিলেয়াৰ চিনাক্ত কৰাৰ কাৰণে এখন এক্সপাৰ্ট কমিটি গঠন কৰিছিল। এই কমিটিৰ প্ৰতিবেদন অনুসৰি ও, বি, চি লোক সকলৰ মাজত ক্ৰিমিলেয়াৰ সিদ্ধান্ত কৰা হ'ল। এই ক্ৰিমিলেয়াৰৰ ভিতৰত থকা ও, বি, চি লোকসকলে ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ নিৰ্দ্দেশ অনুসৰি সংৰক্ষনৰ সুবিধা নাপায়।

খ) যিহেতু উচ্চতম ন্যায়ালয়ৰ নিৰ্দ্দেশ অনুসৰি উক্ত ব্যৱস্থা লোৱা হৈছে সেয়েহে বাতিলৰ প্ৰশ্ন নুঠে।

বিষয় ঃ স্থায়ী কাৰ্য্যালয় আৰু আৱৰ্ত্ত ভৱন নিৰ্ম্মান।

শ্ৰীৰবীন বনিক্যই সুধিছে ;

১৯৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ক) উত্তৰ শালমাৰা মহকুমা ১৯৮৪ চনতে চৰকাৰে ঘোষণা কৰে কিন্তু আজিলৈকে মহকুমাটোৰ সদৰ ঠাই অভয়াপুৰীস্ত মহকুমা অধিপতি (অসামৰিক)ৰ স্থায়ী কাৰ্য্যালয় আৰু আৱৰ্ত্ত ভৱন নিৰ্ম্মান কৰা নহল সচাঁনে ?

খ) চৰকাৰে উল্লেখিত ভৱন দুটাৰ নিৰ্ম্মানৰ বাবে কিবা আঁচনি হাতত লৈছেনে ?

গ) যদি লৈছে, কেতিয়াৰ পৰা কাম আৰম্ভ কৰা হব ?

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তই (মুখ্যমন্ত্ৰী) উত্তৰ দিছে ঃ

ক) হয় সঁচা।

খ) হয়, আঁচনি লোৱা হৈছে।

গ) প্ৰশাসনীয় অনুমোদন দিয়াৰ পাছত কাম আৰম্ভ কৰাৰ ব্যৱস্থা কৰা হ'ব।

বিষয় ঃ কলিকতা আৱৰ্ত্ত ভৱন ।

শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰীয়ে সুধিছে ঃ

১৯৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসম চৰকাৰৰ কলিকতাৰ আৱৰ্ত্ত ভৱনত কৰ্মচাৰীৰ সংখ্যা কিমান ?

খ) কি কি শ্ৰেণীৰ কৰ্মচাৰী আছে ?

গ) এটা খাপত (Category) কিমান জন কৰ্মচাৰী আছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই (মুখ্যমন্ত্ৰী) উত্তৰ দিছেঃ

ক) ৪২ জন।

খ) ৩য় আৰু ৪ৰ্থ শ্ৰেণীৰ।

গ) ৩য় শ্ৰেণীত — ১৩ জন।
৪র্থ শ্ৰেণীত — ২৯ জন।

বিষয় : নাৰী হত্যা সংক্ৰান্ত।

শ্ৰীমতী হেমপ্ৰভা শইকীয়াই সুধিছে :

২০০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) যোৱা ১৫ মে'ৰ পৰা ১৫ নবেম্বৰলৈকে, এই ছমাহৰ ভিতৰত ৰাজ্যখনত কিমান গৰাকী নাৰীৰ হিংসাত্মক ঘটনাত মৃত্যু হৈছে ?

খ) এনে নাৰী হত্যাৰ গোচৰ সমূহৰ কিমান নিষ্পত্তি হৈছে, কিমান গোচৰৰ সংক্ৰান্তত কিমান লোকক গ্ৰেপ্তাৰ কৰা আৰু শাস্তি দিয়া হৈছে ? নাৰী হত্যাৰ ক্ৰমবৰ্ধমান প্ৰৱনতা ৰোধ কৰাৰ বাবে চৰকাৰে কিবা বিশেষ ব্যৱস্থা কৰিছে নেকি ?

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তই ( মুখ্যমন্ত্ৰী ) উত্তৰ দিছে :

ক) যোৱা ১৫ মে'ৰ পৰা ১৫ নবেম্বৰলৈ, এই ছমাহৰ ভিতৰত ৰাজ্যখনত হিংসাত্মক ঘটনাত মুঠ ১৩৬ গৰাকী মহিলাৰ মৃত্যু হৈছে।

খ) উক্ত নাৰী হত্যা সংক্ৰান্তৰ কোনো গোচৰ এতিয়ালৈ নিষ্পত্তি হোৱা নাই। নাৰী হত্যাৰ মুঠ ১২২ টা গোচৰৰ সংক্ৰান্তত ১৩৬ জন লোকক গ্ৰেপ্তাৰ কৰিছে। হত্যাকাণ্ডত জড়িত কোনো লোকক এতিয়াও শাস্তি বিধান কৰা হোৱা নাই যদিও তদন্তৰ পাচত এতিয়ালৈ ১৮ টা গোচৰৰ অভিযোগ নামা আৰু ২ টা গোচৰৰ চূড়ান্ত প্ৰতিবেদন দাখিল কৰা হৈছে।

গ) নাৰী হত্যাৰ ক্ৰমবৰ্ধমান প্ৰৱনতা ৰোধ কৰাৰ বাবে ৰাজ্য চৰকাৰে বিশেষ ব্যৱস্থা হিচাবে আৰক্ষী বিভাগক সতৰ্ক কৰি দিছে। তাৰোপৰি ৰাজ্যিক অপৰাধ তদন্ত বিভাগ CID ত নাৰী নিৰ্য্যাতন সম্পৰ্কীয় গোচৰ সমূহক বিশেষ ভাবে তদাৰক কৰিবলৈ এজন উপ মহাপৰিদৰ্শকৰ

ভস্বাৰধানত এটা "Crime Against women Cell' গঠন কৰি দিয়া হৈছে।

Mr Speaker : Now item No. 2 Report of the Business Advisory Committee.

Under Rule 230 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly. I called a meeting of the Business Advisory Committee in the Confernce Room of my Office Chamber at Dispur on 15 th December, 1996 for allotment of time for the General Discussion on the Budget and for fixation of a date for discussion on the "Disapproval Motion".

The Committee discussed the total time that will be made available to the different Legislature Parties/Groups for the General Discussion on the Budget. It has been stated before the Committee that total time that are available for the General Dicussion on the Budget as Per Calendar will be approximately 420 minutes or 7 ( seven ) hours.

Accordingly, in the process of rational distribution of time, Hon'ble Member will get approximately three minutes each. Time allocation for each Legislature Party/Group and Independent member as decided by the Committee is as under:

1\. (a) A. G.P ...... 221 }
 b) A.S.D.C. ....... 15 } 261 minutes (including the
 (c) C. P. I. ....... 9 } reply of the Chief Minister)
 (d) C.P. M. ....... 6 }

2\. Indian National Congress ...... 108 minutes.
3\. B. J. P. ...... 12 minutes
4\. P. D. F. ...... 18 minutes.
5\. U.M. F. ...... 6 minutes.
6\. All India Indira Congress (T) ... 2 minutes.
7\. Independents ...... 12 minutes.

The Committee, thereafter, discussed the matter of fixing a date for discussion of the "Disapproval Motion". The Committee after a threadbare discussion decided to fix 23rd December, 1996 for discussion on the "Disapproval Motion." after completion of all the items of business fixed for the day.

The Committee has also deeided that on other business except question and General Discussion on the Budget will be taken up on 16th and 17th December, 966.

I hope this is the approval of the House.

(Voices — Yes, Yes.)

★ডঃ জয় নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী পক্ষৰ তৰফৰ পৰা যিটো অভাৱ ৰুলচ ৩২ মতে বিভিন্ন ধৰণে ভৎসনা প্ৰস্তাব প্ৰচাৰ কৰা হৈছে এইটো আচলতে ভৎসনা প্ৰস্তাব হয়নে নহয় ক্লিয়েৰ কৰিব লাগে।

Mr. Speaker: Order, Order. The clarification sought by Dr. Zoii Nath Sarma, Hon'ble Member is of course right in his stand.

---

★ Speech not corrected

Rule 137(I) provides three distint ingredients.

1. Motion for expressing want of confidence in the whole Minister.
2. A motion censuring a Minister or group of Minister.
3. A motion disapproving action or actions of a Minister.

In this case, the motion that was brought by Shri Silvius Condpan, Leader of the Opposition and others relate to disapproval of the action or action of the Minister in-charge of Home. It does not relate to the other two connotations, i. e. censure. Expressing want or confidence does not relate to a single Minister.

I have also seen that the version as appeared in the media as ভৎসনা means the censure but it should have been instead of this disapproval motion which, if I am right, to connote in the Assamese term as অনুমোদন or অসন্তুষ্টি।

It should have been appreciated if the terminology অনুমোদন or অসন্তুষ্টি is made known to the public for the disapproval motion, i.e. brought before the House.

I hope all concern may kindly appreciate this and the terminology অনুমোদন or অসন্তুষ্টি will be the proper terminology instead of ভৎসনা i. e. censure.

Moreover, I feel that the proceedings of the House should be made known to the public its true term, by all concerned.

Now, General Discussion on the Budget. I request the Hon'ble Members to stick to the time schedule. I request Hon'ble Member Shri Bharat Ch. Norah to speak.

*শ্ৰী ভৰত চন্দ্ৰ নৰহ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আমাৰ এই সদনত বাজেট বক্তৃতা উত্থাপন কৰিছে, এই গোটেই বাজেট বক্তৃতাটো আমি খৰছি মাৰি চাইছো। এই বাজেট বক্তৃতাৰ ২৩ পৃষ্ঠাত থকা গ্ৰাম্য নীতি ২৪, ৪ত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিখিনি কথা কৈছে সেইটো গোটেই ৰাজ্যখনৰ কাৰণে দুৰ্ভাগ্য জনক। ৰাজহুৱা প্ৰতিষ্ঠান সমূহে চৰকাৰী সাহায্য নোলোৱাকৈয়ে চলিব পাৰিব লাগিব। তাৰ আগতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যোৱা ২৯ নবেম্বৰ তাৰিখে আমিন গাওঁত তেখেতে ঘোষণা কৰিছিল যে অহা বছৰৰ পৰা ৰাজহুৱা প্ৰতিষ্ঠান আৰু উদ্যোগ সমূহত চৰকাৰৰ সাহায্য দিয়াটো বন্ধ কৰিব। এই ঘোষণাটো শুনি আমি আচৰিত হৈছো। চৰকাৰী নিগম প্ৰতিষ্ঠান, ৰাজহুৱা উদ্যোগৰ শ্ৰমিক আৰু কৰ্ম্মচাৰী সকলে এই ঘোষণাটো শুনি অতি দুখ পাইছে। কাৰণ আপোনালোকে জানে যে গণ পৰিষদ দলে যোৱা নিৰ্বাচনি ইষ্টাহাৰত কৈছিল যে কংগ্ৰেছ (ই) চৰকাৰখনৰ ভ্ৰষ্টাচাৰ, দুৰ্নীতি আৰু অদূৰদৰ্শিতাৰ ফলত ৰুগ্ন হৈ পৰা ৰাজ্যখনৰ উদ্যোগি গোটসমূহ পুনৰোজ্জীৱিত কৰাৰ বাবে ফলপ্ৰসু ব্যৱস্থা লোৱা হব।

নিৰ্ব্বাচনী ইস্তাহাৰ, অসম গণপৰিষদ নিৰ্ব্বাচন এপ্ৰিল ১৯৯৬। আকৌ ১৯৯৪ চনৰ ২১ মাৰ্চ' তাৰিখে অসম বিধান সভাত তেতিয়াৰ

বিৰোধী বিধায়ক এভিয়া কৃষিমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, চি, পি, আই, এমৰ বিধায়ক শশকমল সন্দিকৈ, এতিয়া বান নিয়ন্ত্ৰণ মন্ত্ৰী শ্ৰী প্ৰমোদ গগৈয়ে অসম ছিনষ্টেক্স উদ্যোগটো চৰকাৰী কাৰণতে কাৰ্য্যক্ষম নকৰাৰ বাবে কংগ্ৰেছ (ই) চৰকাৰক চোকা সমালোচনা কৰিছিল।

আকৌ নিৰ্ব্বাচনৰ আগছে টিছুত অনুষ্ঠিত এখন ৰাজহুৱা সভাত এতিয়াৰ পশুপালন মন্ত্ৰী শ্ৰীসুৰেন্দ্ৰ নাথ মেধি, সমাজ কল্যান মন্ত্ৰী শ্ৰীমতী ৰেথাৰাণী দাস বড়ো, উচ্চশিক্ষা মন্ত্ৰী শ্ৰী থানেশ্বৰ বড়ো আৰু বিধায়ক নিজামুদ্দিন খানে মৰ্চা চৰকাৰ হলে ছিনটেক্স উদ্যোগটো চৰকাৰী খণ্ডতে কাযাক্ষম কৰাৰ প্ৰতিশ্ৰুতি দিছিল। এই ঘোষণা বিলাক কৰাৰ ৬ মাহৰ পিচতো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বাজেট বক্তৃতাত কৈছে যে ৰাজহুৱা প্ৰতিষ্ঠান সমূহে৷ চৰকাৰী সাহাৰ্য্য নোলোৱাকৈ খুলিব লাগিব।

আকৌ চাৰ, নিৰ্ব্বাচনৰ আগতে টিছুৰ ৰাজহুৱা সভাত এতিয়াৰ পশুপালন মন্ত্ৰী শ্ৰীসুৰেন্দ্ৰনাথ মেধী ডাঙৰীয়া, সমাজকল্যাণ মন্ত্ৰী শ্ৰীমতী ৰেখাৰাণী দাস বড়ো, উচ্চ শিক্ষা মন্ত্ৰী শ্ৰীথানেশ্বৰ বড়ো ডাঙৰীয়াই শ্ৰমিক সকলৰ কাৰণে আঁচনি লোৱাৰ কথা ঘোষণা কৰিছিল। কিন্তু অতি দুখৰ কথা যে তেনে ৰাজহুৱা ঘোষণা কৰাৰ ছয় মাহৰ পিচত মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে বাজেট বক্তৃতাত কৈছে যে ৰাজহুৱা প্ৰতিষ্ঠান আদিয়ে চৰকাৰী সাহাৰ্য্য নোলোৱাকৈ চলিব পৰা হব লাগিব। ইয়াত ইংৰাজীত কৈছেঃ "দি পাব্লিক এণ্টাৰপ্ৰাইজেছ মাষ্ট লাৰ্ণ টু চাৰভাইভ উইদাউট বাজেটাৰি প্ৰভিজন।" বাজেট বক্তৃতাত ৰাজহুৱা প্ৰতিষ্ঠান সমূহৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কৰা ঘোষণা অতি দুৰ্ভাগ্যজনক। বাজেট বক্তৃতাৰ ২৩ পৃষ্ঠাত ক্ৰমিক নম্বৰ ২৪ৰ ৪ নম্বৰত মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছে যে ৰাজহুৱা প্ৰতিষ্ঠান সমূহে চৰকাৰী সাহাৰ্য্য নোলোৱাকৈ চলিব পাৰিব লাগিব। একেখিনি কথাতেই

যোৱা ২৯ অক্টোবৰত অহা বিত্তীয় বছৰত বাজেটত কোনো ধন নাৰাখে বুলি কৈছে। অধ্যক্ষ মহোদয়, আজি অসমৰ ৰাজহুৱা উদ্যোগ খণ্ডৰ কৰ্ম্মচাৰীৰ সংখ্যা পাঁচ হাজাৰ। আৰু পৰোক্ষ ভাবে এই ৰাজহুৱা সমবায় আৰু ব্যক্তিগত উদ্যোগ সমূহৰ শ্ৰমিক আৰু কৰ্মচাৰীৰ সংখ্যা হৈছে দহ হাজাৰ। আনহাতে বাজেট বক্তৃতাৰ ২৩ পৃষ্ঠাত কৈছে যে ৰাজহুৱা প্ৰতিষ্ঠান সমূহে চৰকাৰী সাহাৰ্য্য নোলোৱাকৈয়ে চলিব পাৰিব লাগিব। তেওঁলোকৰ কাৰ্য্যক্ৰমণিকা ব্যৱসায়িক ভিত্তিত হব লাগিব, দায়বদ্ধতা স্থিৰ কৰি উৎপাদন ভিত্তিত নিয়োগ, উৎপাদিত মূল্য অনুসৰি বিক্ৰী মূল্য স্থিৰ কৰিব লাগিব যাতে তেওঁলোকে চৰকাৰৰ ওপৰত নিৰ্ভৰ নকৰাকৈ চলিব পাৰে।

ৰুগ্ন উদ্যোগৰ পৰিসংখ্যাত অসমৰ স্থান ভাৰতৰ ভিতৰতে সৰ্ব্বোচ্চ শতকৰা বিয়াল্লিশ হাৰ। অসমৰ ৰাজহুৱা আৰু সমবায় খণ্ডৰ উদ্যোগ আৰু ৰাজ্যিক চৰকাৰী নিগমৰ এই সংকট পূৰ্ণ অৱস্থাৰ বাবে দায়ী। লোকচান ভৰি থকাৰ গুৰিতে হ'ল ৰাজ্য চৰকাৰৰ অদক্ষ পৰিচালনা, ত্ৰুটীমূলক আঁচনি, দুৰ্নীতি আৰু ৰাজনৈতিক হস্তক্ষেপ। অসম গণপৰিষদ চৰকাৰ, মৰ্চ্চা চৰকাৰ অথবা কংগ্ৰেছ ই চৰকাৰ সকলোৱেই ৰাজনৈতিক দৃষ্টিভঙ্গীৰে এই চৰকাৰী আৰু ৰাজহুৱা খণ্ডৰ উদ্যোগ প্ৰতিস্থান সমূহত চেয়াৰম্যান নিযুক্তি দিয়াৰ ফলত এই প্ৰতিস্থান সমূহে লাভৰ মুখ নেদেখা হৈছে। চেয়াৰম্যান সকলেও ৰাজনৈতিক ভাবে নিযুক্তি পোৱাৰ পিচত উন্নয়ণ মূলক আঁচনি লোৱাৰ সলনি টি এ, ডি-এ আদিৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিয়া দেখা যায়। এই ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ উদ্যোগ প্ৰতিষ্ঠান সমূহৰ ৰুগ্নতাৰ কাৰণ সমূহ পি-ইউ-চি আৰু সমবায় বিভাগৰ সচিবৰ পৰা পোৱা ৰিপোৰ্টৰ দ্বাৰা বহু কথাই প্ৰতীয়মান হয়। আচলতে পৰোক্ষ ভাবে শ্ৰমিক কৰ্মচাৰীক বেয়া বুলি কোৱা কথাটো ঠিক নহয়। আচলতে এই প্ৰতিষ্ঠান সমূহৰ অচলাৱস্থাৰ কাৰণে চৰকাৰী আঁচনিহে দায়ী।

চেয়াৰম্যান সমূহক কংগ্ৰেছ আই হওক বা অ-গ-প চৰকাৰেই হওক বা মৰ্চ্চা চৰকাৰেই হওক ৰাজনৈতিক দৃষ্টি ভঙ্গীৰে নিযুক্তি দিয়াৰ কাৰণে এই উদ্যোগ প্ৰতিষ্ঠান সমূহৰ উন্নতিত অন্তৰায়ৰ সৃষ্টি কৰিছে। কোনো যোগ্যতা আৰু অৰ্হতা এই চেয়াৰম্যান সকলৰ ৰাজনৈতিক নিযুক্তিৰ সময়ত চোৱা নহয়। অলপতে ৩১ টা নিগমৰ ক্ষেত্ৰত নিযুক্তি দিয়া চেয়াৰম্যান সকলৰ ক্ষেত্ৰতো সেই একেই দৃষ্টি ভঙ্গী গ্ৰহন কৰিছে।

★ শ্ৰী দিলীপ কুমাৰ শইকীয়া :— অধ্যক্ষ মহোদয়, সকলো বিলাক নিগম প্ৰতিষ্ঠানত ৰাজনৈতিক চেয়াৰম্যান নাই। উদাহৰণ স্বৰূপে অসম প্লেইনচ্‌ ট্ৰাইব ডেভলাপমেণ্ট কাউন্সিলত চেয়াৰম্যান এতিয়ালৈকে দিয়া নাই। এম-ডিয়ে চলাই আছে। তাতো কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা ছয় কোটি টকাৰ খেলিমেলি হৈছে। গতিকে ৰাজনৈতিক ভাবে চেয়্যৰম্যান নিযুক্তি হোৱাৰ কাৰণেই নিগম সমূহৰ অৱস্থা বেয়া হোৱা বুলি মাননীয় সদস্য শ্ৰীভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াই কোৱা কথাটো ঠিক নহয়।

★ শ্ৰীভৰত চন্দ্ৰ নৰহ :— ঠিকেই আছে। যি দলৰেই চৰকাৰ নহওক ৰাজনৈতিক দৃষ্টিভঙ্গীৰে চিফ এক্সিকিউটিভ নিযুক্তি দিয়াৰ কাৰণে নিগম বিলাকে লাভৰ মুখ নেদেখে। কিয়নো তেওঁলোকক তিনি বছৰ বা পাঁচ বছৰো নাৰাখে তাৰ আগতে বদলি কৰি দিয়ে। কিবা এটা নতুন আঁচনি লৈ কাৰ্য্যকৰী কৰাৰ পন্থা লবলৈ নোপাওঁতেই বদলি হৈ যায়। সমবায় বিভাগৰ যি কেইখন বোৰ্ড আছে সেই বোৰ্ডৰ পৰামৰ্শ নোলোৱাকৈ সকলো দলৰ চৰকাৰেই এনে ভাবে নিযুক্তি দিয়াৰ ফলত নিগম সমূহে লাভ দেখুৱাব পৰা নাই। তাৰ উপৰিও এই ৰাজনৈতিক ভাবে নিযুক্তি পোৱা চেয়াৰম্যান সমূহৰ দ্বাৰা অনিয়ন্ত্ৰিত ভাবে চাকৰীত নিযুক্তি দিয়াৰ ফলতো নিগম প্ৰতিষ্ঠানে লোকচান ভৰিবলগীয়া হৈছে। উদাহৰণ স্বৰূপে এ-এচ-ই-বি

★ Speech not cOrrected

আৰু এ-এচ-টি-চিৰ কথাকে আঙুলিয়াইছো। যেতিয়ালৈকে এই ৰাজনৈতিক হস্তক্ষেপত দিয়া নিযুক্তি বন্ধ কৰিব নোৱাৰি তেতিয়ালৈকে উদ্যোগ সমূহত লাভৰ মুখ দেখা নাযাব। অন্ধ্রপ্রদেশ বা তামিলনাডুত এখন বাচৰ বিপৰীতে থকা বাৰ পোন্ধৰ জন কৰ্মচাৰীৰ হাৰৰ তুলনাত আমাৰ ইয়াত ২২-২৫ জন লোক নিযুক্তি হোৱাতোও উদ্যোগৰ লোকচান ভৰি থকাৰ অন্যতম কাৰণ। ৰাজহুৱা আৰু ব্যক্তিগত খণ্ড উদ্যোগ প্ৰতিষ্ঠানৰ কাৰণে ত্ৰিশ কোটি টকা ৰখাৰ বিপৰীতে গুৱাহাটী এয়াৰ পোৰ্টক আন্তঃ ৰাষ্ট্ৰীয় পৰ্য্যায়লৈ উন্নীত কৰাৰ কাৰণে এশ উনত্ৰিশ কোটি টকা দিছে। ইয়াৰ লগত গুৱাহাটী এয়াৰ পোৰ্টৰ শ্ৰমিক কৰ্মচাৰীৰ কোনো কথা জড়িত নাই। অথচ এয়াৰ পোৰ্টৰ কাৰণে এশ উনত্ৰিশ কোটি টকা আনিলে কিন্তু সমগ্ৰ অসমৰ উদ্যোগ প্ৰতিষ্ঠান সমূহৰ কাৰণে মাত্ৰ ত্ৰিশ কোটি টকাবো যোগাৰ নহ'ল। এইটো অতি দুৰ্ভাগ্যজনক কথা ইয়াৰ পৰা বুজা যায় যে মাননীয় মুখ্যমন্ত্ৰীয়ে অসমৰ উদ্যোগ প্ৰতিষ্ঠান সমূহৰ ক্ষেত্ৰত যিটো দৃষ্টিভঙ্গী লৈছে সেইটো নেতিবাচক আৰু অতি দুৰ্ভাগ্যজনক। যোৱা ২৯ নবেম্বৰত মুখ্যমন্ত্ৰীয়ে আমিন পাওঁত ঘোষণা কৰিছিল তাত চি-পি-আই, চিটু আদিৰ প্ৰতিনিধিও আছিল। আমি আশা কৰিছিলো বাওঁপন্থী সংগঠন সমুহ যেতিয়া আছে গতিকে নিশ্চই বাওঁপন্থী সকলৰ শ্ৰমিক কৰ্মচাৰীৰ প্ৰতি থকা নীতি আদৰ্শ ঘোষিত হব। মন্ত্ৰীসভাতো বাওঁপন্থী দলৰ সন্নিবিষ্ট হোৱাৰ্লৈ চাই এইটো আমি অতি আদৰেৰে আশা কৰিছিলো কিন্তু সেই বিষয়ে মুখমন্ত্ৰীৰ বাজেট বক্তৃতাত নাই। অকল অসম গণপৰিষদ দলৰ চৰকাৰ হলে এনেকুৱা ঘোষনাত আচৰিত হব লগীয়া একো নহ'লহেঁতেন। কিন্তু যি চৰকাৰৰ লগত চি-পি-আই, চি-পি-এম আছে এ-এচ-ডি-চি আছে সেই চৰকাৰৰ পৰা এনে শ্ৰমিক কৰ্ম্মচাৰী বিৰোধী নীতি ঘোষণা আমি কল্পনাও কৰিব পৰা নাছিলো। এই বাৰটা উদ্যোগৰ শ্ৰমিক কৰ্মচাৰী সকলে

তেব মাহৰ পৰা ২২ মাহলৈকে দৰমহা নোপোৱাতো কম দুৰ্ভাগ্যজনক কথা নহয়। কংগ্ৰেছ আই চৰকাৰৰ দিনৰ পৰাই পোৱা নাই। মৰ্চ্চা চৰকাৰৰ দিনতো পোৱা নাই। অথচ সিদিনা মাত্ৰ টিছৰ ৰাজহুৱা সভাত শ্ৰমিক কৰ্মচাৰী সকলৰ কাৰণে আঁচনি লোৱাৰ কথা ঘোষণা কৰিছিল।

মাননীয় অধ্যক্ষ মহোদয়, আজি ১২ টা উদ্যোগৰ, ৰাজহুৱা সমবায় আৰু ব্যক্তিগত খৰচৰ পাঁচহেজাৰ শ্ৰমিক, কৰ্মচাৰীয়ে আজি তেৰ মাহ ধৰি দৰমহা পোৱা নাই। কংগ্ৰেছ চৰকাৰৰ বিপক্ষে এই শ্ৰমিক কৰ্মচাৰী সকলে বহু আশা কৰি ভোট দিছিল যে গণপৰিষদ চৰকাৰ আহিলে তেওঁলোকৰ কাৰণে কিবা নতুন উদ্যোগ নীতি হাতত ল'ব। কিন্তু বৰ্ত্তমান চৰকাৰে তেওঁলোকৰ কাৰণে কোনো আঁচনি লোৱা নাই। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই মাত্ৰ তিনি মাহৰ আগতে ঘোষণা কৰিছিল যে ৬টা উদ্যোগ ৰাজহুৱা খণ্ডৰ পৰা যুটীয়া খণ্ড লৈ নিয়া হ'ব। কিন্তু যুটীয়া খণ্ডলৈ নি কি কৰিব? আগৰ আঁচনি খনেই কোনো কাৰ্য্যক্ষম কৰি তুলিব পৰা নাই। বিশেষকৈ আমাৰ মাননীয় উদ্যোগ মন্ত্ৰী শ্ৰীগুণীন হাজৰিকা ডাঙৰীয়াই কাৰ্য্যভাৰ লোৱাৰ পিচতেই সাংবাদিক মেল পাতি ঘোষণা কৰিছিল যে তিনিমাহৰ ভিতৰত ৰাজ্যখনৰ উদ্যোগ নীতি ঘোষণা কৰা হ'ব। কিন্তু ৬ মাহ পাৰ হ'ল অথচ আজিও ৰাজ্যৰ উদ্যোগ নীতি ঘোষিত নহ'ল। "অগ্ৰগতিৰ এক দীঘল খোজ" শীৰ্ষক এক আহ্বানত জুন ১৯৯৬ত তেখেতে লিখিছিল, প্ৰশাসনৰ জড়তা ভাঙি এটা অত্যাধুনিক পদ্ধতিৰে এটা অতি ক্ৰীয়াশীল ভূমিকাৰ নিৰ্দ্ধাৰিত সময় ষ্টীত আঁচনি সমূহ কাৰ্য্যকৰী কৰিব লাগিব। আমাক ফল লাগিব। ফল নহলে আঁচনি পৰিবৰ্ত্তন হ'ব। তেনেকৈ ভাল ফল দেখুৱাব নোৱাৰা দায়িত্ব অৰ্পিত লোক সকল জবাবদিহি হ'ব লাগিব। চাৰ, উদ্যোগ মন্ত্ৰীয়ে জড়তা ভাঙিব পৰা নাই। ক্ৰীড়াশীল ভূমিকা দেখুৱাব পৰা নাই। নিজে

লোৱা আঁচনি কাৰ্য্যকৰী কৰিব পৰা নাই। এতিয়া উদ্যোগ মন্ত্ৰীয়ে জবাব দিব লাগিব।

শ্ৰী গুণীন হাজৰীকা ( উদ্যোগ মন্ত্ৰী ) :—মাননীয় অধ্যক্ষ মহোদয়, বাজেট বক্তৃতাত উত্তৰ দিব পাৰে নেকি ?

★ শ্ৰীভৰত নৰহ :— চাৰ, মাননীয় মন্ত্ৰী পৰাকীয়ে মাননীয় মুখ্যমন্ত্ৰীক সহায় কৰিব। এইখন মৰ্চা চৰকাৰ আৰু এই মৰ্চা চৰকাৰৰ বাজেট বক্তৃতাত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ক'লে —

Public enterprises must learn to servive without Budgetary provision from state government. এই ঘোষণাৰ দ্বাৰা ৰাজ্যখনৰ প্ৰত্যেকটো উদ্যোগেই কিছুমান অনিশ্চয়তাৰ মাজেৰে আগবাঢ়িছে। বাজেট বক্তৃতাত কৰা এনে ঘোষণাৰ ফলত ৰাজহুৱা খণ্ডত প্ৰতিষ্ঠিত উদ্যোগ চন্দ্ৰপুৰৰ অসম ৰাজ্যিক সাৰ আৰু ৰাসায়নিক লিমিটেড, বোন্দাৰ মাটিকেম লিমিটেড, জাগীৰোদৰ অসম পলিটেক্স ছিঃ, বিজনীৰ পলিয়েষ্টাৰ মিল, নাথকুচীৰ অসম ছিনটেক্স লিঃ, সমবায় খণ্ডত প্ৰতিষ্ঠিত উদ্যোগ দেৰগাৱঁৰ সমবায় চেনিকল, গোলাঘাটৰ কুশল কোঁৱৰ সুতা কল, শিলঘাটৰ মৰাপাট কল আৰু ধিঙৰ কাগজ কলৰ ভৱিষ্যত অন্ধকাৰ হ'ব। অসমৰ ৰাজহুৱা সমবায় আৰু ব্যক্তিগত খণ্ডৰ উদ্যোগৰ হেজাৰ হেজাৰ শ্ৰমিক কৰ্মচাৰীৰ ভৱিষ্যত পানীত হাঁহ নচৰা অৱস্থা হ'ব। ৰাজহুৱা খণ্ডৰ কেইবাটাও উদ্যোগৰ শ্ৰমিক কৰ্মচাৰীয়ে ১৩ মাহৰ পৰা ২২ মাহ পৰ্য্যন্ত দৰমহা পোৱা নাই। নতুন চৰকাৰখনৰ ফালে শ্ৰমিক কৰ্ম্মচাৰী সকলে আশাৰে বাট চাই আছিল। কাৰণ এইখন মৰ্চা চৰকাৰ। চিপি আই, চিপি এমৰ চৰকাৰ, বিধায়ক শ্ৰীহেমেন দাস আৰু বাননিয়ন্ত্ৰণ মন্ত্ৰী শ্ৰীপ্ৰমোদ গগৈয়ে শ্ৰমিক শ্ৰেণীৰ হকে এটা সময়ত ৰাইজৰ আগত টেটুফালি চিঞৰিছিল। এতিয়া তেওঁলোকৰ শ্ৰমিকৰ কথা ভাবিবলৈ এক মিনিট সময় নাই। চাৰ, আমি ভাবো যদি এই মৰ্চা চৰকাৰে ঘোষণা

★ Speech not corrected

কৰা মতে আঁচনি কাৰ্য্যকৰী নকৰে তেন্তে চৰকাৰে কৰা ঘোষণা উঠাই লব লাগে। চাৰ, এই খিনিতে বাজেট বক্তৃতাৰ সম্পৰ্কত এটা কথা কব বিচাৰিছোঁ। যে আগৰ চৰকাৰৰ দিনত এটা কথা উল্লেখ সদায়েই থাকে। কিন্তু আটাইতকৈ আচৰিত কথা হ'ল অসম চুক্তিৰ সম্পৰ্কে কোনো কথাই ইয়াত উল্লেখ নাই। অথচ এই ঐতিহাসিক চুক্তি মতেই অসম গণ পৰিষদ চৰকাৰ গঠন হৈছিল। এতিয়াও গণপৰিষদৰ দলেই শাসনলৈ আহিছে, অথচ অসম চুক্তিৰ কোনো কথাই এই বাজেট বক্তৃতাত নাই। মই বাজেট বক্তৃতাখন আটি গুৰি মাৰি পঢ়ি চালোঁ। প্ৰথমৰ পৰা শেষলৈকে পঢ়িলোঁ, ভাবিছিলোঁ, ইংৰাজীখনতে আছে নেকি, কিন্তু চাওঁ যে তাতো নাই। কিন্তু আমাৰ প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ চৰকাৰৰ দিনত বাজেট বক্তৃতাত অসম চুক্তিৰ কথা উল্লেখ আছে। কিন্তু গণপৰিষদ চৰকাৰে এই বিষয়ে কোনো কথাই উত্থাপন কৰা নাই। ইয়াৰ দ্বাৰা বৰ্ত্তমান চৰকাৰে অসমৰ মানুহক অৱহেলা কৰাটোকে বুজাইছে। আজি অসমৰ একমাত্ৰ চলচিত্ৰ প্ৰতিষ্ঠান জ্যোতি চিত্ৰবন উদ্যোগটোৰ অৱস্থা অতি শোচনীয়। কিন্তু সেই উদ্যোগটোৰ বিষয়ে একো উল্লেখ নাই। অসমৰ আই, আই, টি, য়ে কিমান টকা-পইছা পাইছে তাৰো কোনো উল্লেখ নাই। মৰ্চা চৰকাৰে সমাজৰ কাৰণে, সাংস্কৃতিক উন্নয়নৰ কাৰণে কি কি আঁচনি লৈছে, এই বাজেট বক্তৃতাত নাই। গতিকে এইটো অতি দুৰ্ভাগ্যজনক কথা হৈ পৰিছে। মই আজি ১১ বছৰ ধৰি এই সদনৰ মেম্বাৰ হৈ আহিছোঁ। আগৰ প্ৰত্যেক খন বাজেটতেই অসমৰ ভৱিষ্যতৰ বিষয়ে উল্লেখ আছে। আৰু অসম চুক্তিৰ কথা উল্লেখ আছে। কিন্তু এইবাৰ বাজেটত নথকাটো এই চুক্তিখনক ৰাজহুৱা ভাবে অৱহেলা কৰা হৈছে আৰু অপমান কৰা হৈছে। গতিকে মই এই বাজেট খনক সমৰ্থন কৰিব নোৱাৰিলো। ইয়াকে কৈ ধন্যবাদ জনাই সামৰনি মাৰিলোঁ।

Mr Speaker :— Now, Hon'ble Member Shri Kali Ranjan Deb.

Shri Kali Ranjan Deb :— Hon'ble Speaker Sir, Hon'ble Chief Minister has presented the Budget in this House for passing of the same. In this connection, I would like to point out some of the vital points for consideration of the House. While discussing about the Budget presented by the Hon'ble Chief Minister for the year 1996-97 before this August House for passing it, I like to draw the attention of this House about certain vital points, which I think is necessary to raise.

That Sir, asper provision of the Constitution of India, legislators are required to vote for all expenditures for a particular financial year and for specific purpose. Therefore, such funds are to be spent only during that financial year on specified purposes and not in subsequent year (s) or for different purposes. But unfortunately, it was noticed for last few years, that the State Government have adopted the practice of keeping heavy amount of Budget allotment into Revenue Deposit, without spending those amount during particular financial year and for the specific purpose for which it was voted. This is a clear violation of the Consttutionel and provision and financial rule. The money once credited into Revenue Deposits,

loses the original classification as per Appropriation Act, passed by the legislature. So the very purpose of passing the Budget is defeated.

The Executives, thus, having taken over the rule of the legislature, is free to use funds in whatever manner it wishes and in whatever subsequent year, without recourse to the vote of the legislators.

It may be argued that central assistance are generally received by the State Government at the fagend of a financial year, which could not be utilised during that year due to paucity of time. But many instances are there, where funds are received even in the middle of the year, but without spending the same have been kept in Revenue Deposit. I like to cite only one instance here. About three years back, in Katigora Block in my constituency, under my Presidentship, few scheduled caste persons were given grant at the rate of Rs. 1.500/—per head. Though sanction was there and the fund was placed with the appropriate authority for disbursement of the amount to the beneficiaries, but unfortutely, on money has been paid to those poor beneficiaries. This is cutting the very good of the crediblity of the Government and thus tarnishing the image Government.

So, in order to restore confidence in the minds of the people and to ensure control of legislature over

the Executive, so far public finance is concerned, as per provision of the Constitution, under article 202, 203, 204 and 205, the amount voted by the legislature for specific purpose and for specific year should be utilised accordingly and no deviation from this may be allowed.

With these few words, I conclude.

Mr. Speaker : Now Hon'ble Member Shri Hemen Das.

শ্ৰী হেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যি খন বাজেট পেশ কৰিলে সেই বাজেটৰ সমৰ্থনত মই কেইটামান কথা কব বিচাৰিছো। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে বাজেট বক্তৃতা ডাঙি ধৰোতে ২৪ পেৰাত কৈছে যে চৰকাৰ বৰ্তমান বিত্তিয় পৰিস্থিতিৰ বিষয়ে সম্পূৰ্ণ সজাগ আৰু কাৰ্য্য ভাৰ গ্ৰহন কৰাৰ পাচতেই এই সমস্যাটোৰ স্থায়ী সমাধান কৰাত সাহাৰ্য আগবঢ়াবলৈ কেন্দ্ৰৰ ওচৰত অনুৰোধ জনাইছিল। এতিয়া কথা হৈছে, তেখেতে সমস্যাটো ডাঙি ধৰিছে সঁচা কিন্তু সমস্যাবিলাক সমাধান কৰাৰ ক্ষেত্ৰত বাজেটত ডাঙি ধৰিব পৰা নাই। কিছুমান কথা তেখেতে কৈছে পেৰা ২৪ ত ৰাজহ বৃদ্ধি হলে খৰচৰ মাত্ৰাও বেচি হয়, আয়তকৈ ব্যয় বৃদ্ধি হয়। কিন্তু ব্যয় সংকোচন আৰু আয় বৃদ্ধিৰ কিছুমান ব্যৱস্থা লব লাগিছিল। সেই ব্যৱস্থা লোৱাৰ ক্ষেত্ৰত যি ধৰণে চিন্তা-চৰ্চা কৰিব লাগিছিল সেই ধৰণে কৰা নাই আৰু যি কেইটা ব্যৱস্থাৰ কথা ইয়াত উল্লেখ কৰিছে সেই কেইটা যথেষ্ঠ নহয়। বাজেটত সংগ্ৰহৰ ব্যৱস্থাৰ যিটো ইঙ্গিত দিছে তাৰ দ্বাৰাও বিশেষ সকাহ পোৱা নাযাব। এটা আশা ৰাখিছে সেইটো হল তেলৰ ৰয়েলটি বৃদ্ধি কৰি পুঁজী সংগ্ৰহ কৰা। কিন্তু তেলৰ ৰয়েলটি বৃদ্ধি কৰিলেও যিটো দেফিচিট হৈছে সেইটো পূৰণ কৰাতো সম্ভৱ নহব। গতিকে এই দেফিচিট পূৰণ কৰাতো

এতিয়া আটাইতকৈ প্ৰয়োজনীয় কথা। আজি এই বৃহৎ ঋণৰ ফাণ্ডৰ পৰা কেনেকৈ মুক্তি পাব পাৰি সেইটোহে ডাঙৰ প্ৰশ্ন আমাৰ আগত আহি পৰিছে। এই ঋণৰ বোজা অতিক্ৰম কৰিবলৈ হলে এনে কিছুমান ব্যৱস্থা আছে য'ত নেকি কৰ বহুৱাব পাৰি। কিন্তু তেনে বিলাক চোৰ্চাৰ ক্ষেত্ৰত চকু দিয়া নাই যেন অনুমান হয়। কিয়নো কেচ, চাহপাতৰ ওপৰত ৩০ পইচা আছিল কিন্তু এতিয়া ১৮ পইছা হ'ল, এইটো উৰ্দ্ধগামী কৰিব পাৰি। বিভিন্ন আইন কৰি হলেও সেই দৰে মটৰ পাৰ্টচৰ ওপৰত আৰু তেনেধৰণৰ কিছুমান সামগ্ৰীৰ ওপৰত কৰ বহুৱাব পাৰি। ৰাজ্যখনক এই ভয়ংকৰ ঋণৰ বোজাৰ পৰা উদ্ধাৰ কৰিবলৈ হলে জনসাধাৰণে কিছু ত্যাগ স্বীকাৰ কৰিব লাগিব। তাৰোপৰি উদ্যোগ ইত্যাদি কিছুমান চেক্তৰত যি বিলাক কনচেশ্যন দিয়া হৈছে সেইবিলাকো ক্ৰমে বন্ধ কৰিব পৰা যায় আৰু ৰাজ্যখনৰ অৰ্থ নীতি সবল কৰিবলৈ যাওতে এনেবোৰ ব্যৱস্থা ললে কোনো দেশদ্ৰোহী কাম কৰা নহব। ৰাজ্যখনৰ আয় বৃদ্ধি কৰাৰ সম্পৰ্কত দুটামান কথা কব বিচাৰিছো। আজি ঋণৰ বোজা ৰাজ্যখনে বহন কৰিব লাগিব ৫০৯৫ কোটি টকা আৰু সুত ভৰিব লাগিব ১১৭৭ কোটি টকা। আজি এনে এটা দুৰবস্থা আমাৰ ৰাজ্য খনৰ আৰ্থিক ক্ষেত্ৰত আহি পৰিছে। গতিকেই এনে এটা বিপৰ্যয়ৰ পৰা ৰাজ্যখনক পৰিত্ৰান দিবলৈ কৰ-কাটল ইত্যাদি প্ৰবৰ্তন কৰিবলৈ দেশদ্ৰোহিতা কৰা নহয়। মুখ্যমন্ত্ৰী মহোদয়ে বাজেট বক্তৃতাৰ ৪।২৫ পৃষ্ঠাত ৰাজ্যখনৰ চৰম আৰ্থিক বিপৰ্য্যয়ৰ কথা কৈছে, গতিকেই এই ভয়াবহ পৰিস্থিতিৰ পৰা কেনেকৈ উদ্ধাৰ পাব পাৰি সেই উপায় উদ্ভাৱন কৰাটো আটাইতকৈ প্ৰয়োজনীয় কথা আমাৰ আগত আহি পৰিছে। আজি অসমৰ সমস্যা কি? ৰাজ্যখনৰ অন্তৰ গাঠনি বিত্তিয় ব্যৱস্থাটো টনকিয়াল কৰা। তাকে কৰিবলৈ যাওতে ক'ত কিমান টকা ধৰা হৈছে সেইটো মন কৰিবলগীয়া, কিয়নো যি

সময়ত বিদ্যুত যোগান আজি ৰাজ্যখনৰ কাৰণে অতিব প্ৰয়োজন সেই সময়ত বিদ্যুতৰ শিতানত মাত্ৰ ১.৯৪% কোটি, আটাইতকৈ কম ধৰিছে। খাদ্য সমস্যাই ৰাজ্যখনক জুৰুলা কৰিছে, আমাৰ বেছিভাগ খাদ্য সম্ভাৰ বাহিৰৰ পৰা আনিব লগীয়া হয়। তাৰোপৰি বানপানীয়ে আমাৰ ৰাজ্যখনৰ কোটি কোটি টকাৰ শস্য বছৰি নষ্ট কৰি আছে। অকল সেয়েই নহয় বানপানীয়ে ৰাজ্যখনৰ ৰাস্তা-ঘাট ভাঙিছে, মানুহৰ ঘৰ ভাঙিছে। যাতায়তৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি কৰিছে, কৰবাত দুই এঠাইত হাতীয়ে ঘৰ ভাঙিছে কিন্তু বেচিভাগ ক্ষতি হৈছে বানপানীৰ পৰা। অথচ এনেকুৱা এটা গুৰুত্বপূৰ্ণ বান নিয়ন্ত্ৰণৰ শিতানত মাত্ৰ ১৯ কোটি টকা আৰু কেন্দ্ৰৰ পৰা ২৫ কোটি টকা, মুঠ মিলাই ৪৪ কোটি টকা এই বিভাগৰ কাৰণে নিচেই কম হৈছে। গতিকেই এনেবিলাক কাৰণত আমাৰ অনুমান হৈছে ৰাজ্যখনৰ প্ৰকৃত সমস্যা বিলাক চিনাক্ত কৰিব পাৰিছে নে নাই সন্দেহ। গতিকে ৰাজ্যখনৰ এই বিভিন্ন সংকটৰ পৰা ৰক্ষা পাবলৈ হ'লে আমি যি কোনো প্ৰকাৰে উৎপাদন বৃদ্ধি কৰিব লাগিব আৰু এই উৎপাদন বৃদ্ধি কৰিবলৈ হলে খেতি পথাৰৰ সুবিধা কৰিব লাগিব, বানপানীৰ পৰা খেতি শস্য ৰক্ষা কৰাৰ উপায় উলিয়াব লাগিব, কল-কাৰখানাৰ সুবিধা কৰি উৎপাদন বৃদ্ধিত গুৰুত্ব সহকাৰে কামত আগবাঢ়িব লাগিব।

(সময়ৰ সংকেত)

খাদ্য শস্য উৎপাদন বৃদ্ধিত অগ্ৰাধিকাৰ দিব লাগিব। চমুকৈ এইখিনিকে পৰামৰ্শ আগবঢ়াই সামৰণি মাৰিলো।

Mr. Speaker : Now Hon'ble Member Shri Hitendra Nath Goswami,

★ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয় ১৯৯৬-৯৭ চনৰ যি খন বাজেট মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে উত্থাপন কৰিলে এই বাজেটখনৰ সমৰ্থনত মই কেইষাৰমান বক্তব্য আগবঢ়াব বিচাৰিছো। আজি আমাৰ ৰাজ্যখনৰ এক ৰাজনৈতিক পৰিবৰ্ত্তনৰ সময়ত এই বাজেটখন উত্থাপন কৰা হ'ল, ৰাজ্যখনৰ এটা বিশেষ পৰিস্থিতিৰ কাৰণে এখন পূৰ্ণাঙ্গ বাজেট দাঙি ধৰিব পৰা নগ'ল। সেই কাৰণেই আজি সদনত এই বাজেটখনৰ ওপৰত যিসকল মাননীয় সদস্যই আলোচনা বিলোচনা আৰু পৰামৰ্শ ডাঙি ধৰিছে বিশেষকৈ মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই বাজেটখনৰ ওপৰত যি কেইটা পৰামৰ্শ আগবঢ়াইছে সেই পৰামৰ্শ আৰু মাননীয় সদস্যসকলৰ বক্তব্যৰ ওপৰত বাজেট সম্পৰ্কত কেইটামান কথা সদনত কব বিচাৰিছো।

অধ্যক্ষ মহোদয়, এইখন বাজেট আমাৰ চৰকাৰখনে এই সময়ছোৱাত যি ধৰণে দিব পাৰে তেনে ধৰণেই এই বাজেটখন স্থাপন কৰিছে আৰু মই ভাবো এইখন বাজেটে প্ৰত্যেকটা স্থিতি ৰিফেলক্ত কৰিছে। আমাৰ চৰকাৰে ৭৬৬ কোটি টকাৰ এখন ঘাটি বাজেট উত্থাপিত কৰিছে। ইমান টকা ঘাটি অন্য চৰকাৰৰ থাকিলেও ইমান মুকলিভাৱে নেদেখুৱালেহেঁতেন। মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই কৈছে—He said that situation is grion but it is not out of control. এই কথাটো আমাৰ চৰকাৰে দৃঢ়তাৰে বৰ্ত্তমান পৰিস্থিতিত মোকাবিলা কৰাৰ কাৰণে শুদ্ধভাবে দাঙি ধৰিছে। বাজেট বক্তৃতাত গোষ্ঠীগত সংঘৰ্ষৰ কথাও উল্লেখ কৰা হৈছে। আৰু আমাৰ চৰকাৰ গঠন হোৱাৰ পিচত এটা অভাৱনীয় পৰিস্থিতিৰ সৃষ্টি হৈছে। তথাপিও আমাৰ চৰকাৰখনে দৃঢ়তা আৰু অবিৰত প্ৰচেষ্টাৰে ৰাজ্যখনলৈ যথা সম্ভৱ স্বাভাৱিক অৱস্থা আৰু প্ৰশাসনিক

★ Speech not corrected

সুস্থিৰতা ওভতাই আনিবলৈ সক্ষম হৈছে। আমাৰ চৰকাৰে শৰণাৰ্থী সকলক শিবিৰত ৰাখি ভৰণ-পোষণ দিছে। আমাৰ চৰকাৰ আহোতেই ৬ হেজাৰ কোটি টকাৰ ঋণৰ বোজা লব লগা হৈছে। তাৰোপৰি বেংকৰ অভাৰ ড্ৰাফট, প্ৰায় ১৮৮ কোটি টকা। কিন্তু আমাৰ চৰকাৰে ইমান এটা ডাঙৰ ঋণৰ বোজা হাতত লৈ কাৰ্য্য-ভাৰ চম্ভালিবলৈ লৈছে। তাৰ ওপৰত গোষ্ঠীগত সংঘৰ্ষ আৰু বিত্তীয় ব্যৱস্থাই মাথমাৰ শোধাই আছে। বাজেট বক্তৃতাত এটা কথা স্পষ্ট ভাৱে কোৱা হৈছে যে শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত গুণগত মানদণ্ডলৈ পিঠি দি যথে-মধে শিক্ষানুষ্ঠান গঢ়াৰ পৰিবৰ্ত্তে শিক্ষাৰ গুণগত মানদণ্ড উন্নত কৰা এই চৰকাৰৰ লক্ষ্য হ'ব। কোনো নীতি নিয়ম নোহোৱাকৈ আগৰ চৰকাৰে নিযুক্তি দি আজি অভাৱনীয় পৰিস্থিতিৰ সৃষ্টি কৰিছে। আমাৰ চৰকাৰে বাজেট বক্তৃতাত কৈছে যে, গুণগত দিশত শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ কাৰণে চেষ্টা কৰা হৈছে। লগতে অৰ্থনৈতিক অপচয় ৰোধ কৰাৰ কাৰণেও চেষ্টা কৰা হৈছে। আনহাতে কৃষি আৰু খাদ্যৰ ওপৰত গুৰুত্ব দিয়াৰ কথাও এই বাজেটত কোৱা হৈছে। অসমৰ প্ৰায় ৮৯ শতাংশ লোকেই কৃষিজীৱি হোৱাৰ কাৰণে ৰাজ্যখন কৃষিৰ ওপৰতেই নিৰ্ভৰশীল। আমাৰ চৰকাৰে কৃষিৰ উন্নয়নৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা বাবে ধন্যবাদ জ্ঞাপন কৰিছো। কৃষি আৰু জলসিঞ্চন এই দুইটা বিভাগৰ মাজত সমন্বয় স্থাপন কৰি কৃষক সকলক কব লাগে যে কৃষি তেওঁলোকৰ জীৱিকাৰ মূল ভেটি। কাৰণ আজি চাকৰি দি নিবনুৱা সমস্যা সমাধান কৰা সম্ভৱ নহয়। কৃষিৰ উন্নতি সাধন কৰি জীৱিকা নিৰ্বাহৰ বাবে চেষ্টা কৰিব লাগিব। কৃষি উন্নয়নৰ বাবে এই চৰকাৰে যি ধৰণে গুৰুত্ব দিছে এইটো আদৰণীয় হৈছে। ইয়াৰ বাবে আমাৰ বান নিয়ন্ত্ৰণ বিভাগটোও শক্তিশালী কৰাৰ প্ৰয়োজন হৈ পৰিছে। আমি সুখী হৈছো যে আমি অহাৰ পিচতে কেন্দ্ৰীয় চৰকাৰো পৰিবৰ্ত্তন হৈছে। আমাৰ মিত্ৰ চৰকাৰ

হৈছে পত্তিকে আমাৰ বহুদিনীয়া দাবীৰ পৰিপ্ৰেক্ষিতত ১০০ শতাংশ যি ঋণ হিচাবে আহিছিল সেইটো গ্ৰাণ্ট হিচাবে দিয়াৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে মানি লৈছে। নীতিগতভাৱে ইতিমধ্যে আৰু ৫০০ কোটি টকাৰ এটা প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰিছে। আমাৰ ৰাজ্য চৰকাৰে অহৰহ প্ৰচেষ্টা চলাই আহিছে যে, বানপানী প্ৰতিৰোধৰ বাবে পুঁজি আমি কেন্দ্ৰৰ পৰা আদায় কৰিবলৈ সক্ষম হম। চেন্ট পাৰচেন্ট নাপালেও ৯০ শতাংশও যদি লাভ কৰো তেনেহলে অসমত প্ৰতি বছৰে বানপানীয়ে সৃষ্টি কৰা পৰিস্থিতিৰ শাম কাটিব। আনহাতে শিক্ষিত নিবনুৱা যুৱকসকলৰ স্বনিয়োজন ব্যৱস্থা কৰাটো আমাৰ চৰকাৰৰ আন এটা চিন্তাৰ বিষয় হৈ পৰিছে। তাৰ বাবে এই ৬ মাহত যথেষ্ট যত্ন কৰিছে। ৰাজ্য চৰকাৰৰ অনুৰোধ মৰ্মে কেন্দ্ৰীয় চৰকাৰে প্ৰধান মন্ত্ৰীৰ ৰোজগাৰ যোজনাৰ ১৯৯৬-৯৭ চনৰ লক্ষ্য ৯,৯০০ জনৰ পৰা ১৫,০০০ জনলৈ বৃদ্ধি কৰিছে। এইটো যদি দিব পাৰে তেনেহলে স্ব-নিয়োজন আঁচনি সফল হব। এই কথা বাজেটত উল্লেখ কৰা হৈছে। আমাৰ যিবিলাক নেচনেলাইজ বেংক আছে ঋণ দিয়াৰ ক্ষেত্ৰত তেওঁলোকৰ ৰেচিও আন ৰাজ্যৰ তুলনাত বহুত কম। আমাৰ আন এটা ইম্পৰটেণ্ট চেক্টৰ হৈছে পাৱাৰ চেক্টৰটো। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ প্ৰতিস্থাপনত ক্ষমতা আছিল ৫৭৪.৪ মেগাৱাট। কিন্তু আমি পাইছো ১০০ বা ২০০ মেগাৱাট। ইয়াৰ ফলত আমি উদ্যোগ বিলাকত যি ধৰণে দিব লাগে সেই ধৰণে দিব পৰা নাই। এতিয়া কথা হৈছে এই কম শক্তিৰে আমাৰ কোনো উদ্যোগ জীয়াই থাকিব নোৱাৰে। আজি আমি চাব লাগিব যে, ৫৭৪.৪ মেগাৱাটৰ ঠাইত কিয় ১০০ বা ২০০ মেগাৱাট উৎপন্ন হৈছে সেইটো চাব লগা কথা হৈছে। তাৰোপৰি প্ৰাইভেটেজাইচন কৰিবনে নাই সেইটোও চাব লগা হৈছে। কিছুমান ক্ষেত্ৰত আমি পলিচিৰ সিদ্ধান্তও লব লাগে। এতিয়া ক্ষুদ্ৰ উদ্যোগ আৰু কৃষি খণ্ডৰ ওপৰত

প্ৰাধান্য দি ১৩ শ শিক্ষিত নিবনুৱাক সংস্থাপন দিয়াৰ ব্যৱস্থা কৰিবলৈ বিচাৰিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, এই বাজেট বক্তৃতাত 'পাৱলিক-চেক্টৰৰ' কথা উল্লেখ কৰিছে। আমাৰ বিধান সভাৰ যিখন 'পাৱলিক আন্দাৰ টেকিং আছে মই তাৰে 'চেয়াৰমেন'। যোৱা পৰহি মই নাটকুচিৰ প্ৰাইভেট খণ্ডৰ চিনটেক্স চাবলৈ গৈছিলো। দেখা যায় যে আন্দাৰ টেকিংবিলাক ৰুগ্ন অৱস্থাত আছে আৰু সেই বিলাক কেনেকৈ উদ্ধাৰ কৰিব পাৰি তাক আগৰ চৰকাৰে একো চিন্তা নকৰিলে। আগৰ বছৰত পাবলিক আন্দাৰ টেকিং কমিতিখনে যেনে ধৰণে কাম কৰিব লাগিছিল সেই ধৰণে নকৰাৰ ফলত ভয়াবহ অৱস্থাৰ সৃষ্টি হৈছে। নাটকুচি উদ্যোগটো ১৯৮৬ চনতে আৰম্ভ কৰিছিল আৰু ১৯৮৯ চনত তাৰ উৎপাদন আৰম্ভ হৈছিল। ১৯৯২-৯৩ চনৰ বছৰটো 'পিকপিৰিয়দ' আছিল কাৰণে সেই সময়ত ৫২ পাৰচেন্ট উৎপাদন হৈছিল। কিন্তু এটা কথা যে যুটিয়া খণ্ডৰ উদ্যোগ সমূহ পিলিমিনাৰি ষ্টাডি নকৰাকৈ প্ৰাইভেট খণ্ডত দিম বুলি কোৱাটো উচিত নহয়। ১০ কোটি টকাৰে যি উদ্যোগ স্থাপন কৰা হৈছিল সেই উদ্যোগ ৫৯ লাখ টকাত বিক্ৰি কৰাটো কোনো প্ৰয়োজন নাই। অসমত ১৪৮ টা ৰাজহুৱা খণ্ডৰ উদ্যোগ আছে। এই উদ্যোগসমূহক আগৰ চৰকাৰে সম্পূৰ্ণ পিঠি দিছিল। সেইবিলাকক ব্যক্তিগত খণ্ডলৈ নিব নেকি? ১৯৯৪-৯৫ চনত পাবলিক এন্টাৰপ্ৰাইজ ডিপাৰ্টমেন্টত যি ৰিপোৰ্ট দাখিল কৰিছিল তাত আমি দেখিছিলো যে আমাৰ অসমৰ যি কেইটা উদ্যোগ আছে তাত প্ৰায় ৪ হেজাৰ কোটি টকা পাৱলিক চেক্টৰ উদ্যোগ বিলাকক দিছে। কিন্তু এই কেইটাৰ ভিতৰত এতিয়া ৬ টা উদ্যোগ আছে বাকী ৪২ টা উদ্যোগত লোকচান হৈছে। ৪ হেজাৰ কোটি টকা বিনিয়োগ কৰি ২ হেজাৰ কোটি টকা লোকচান হৈছে। সেই কাৰণে মই ভাবো যে বৰ্ত্তমান যিবোৰ উদ্যোগ চলি

আছে সেই উদ্যোগ কেইটাৰ প্ৰতি চৰকাৰে নজৰ দিব। আজি যিখিনি টকা লোকচান হৈছে সেইখিনি টকা পূৰণ কৰাটো কেতিয়াও সম্ভৱ নহয়। গতিকে যি কেইটা উদ্যোগ চলি আছে সেই কেইটাৰ ওপৰত চৰকাৰে চকু দিব লাগে। ৰাজহুৱা খণ্ডৰ উদ্যোগ ব্যক্তিগত খণ্ডলৈ যেনে আসাম পেট্ৰো কেমিকেল আৰু আসাম গ্ৰেচ আদিৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ যি নীতি ঘোষণা কৰিছে সেই কথাটোৰ লগত মিলাই কোৱা হৈছে যে পাবলিক চেক্টৰ আন্দাৰ টেকিংৰ লগত কেইটামান চৰ্ত্ত মেনেজমেন্টক দিয়া হ'ব আৰু তেওঁলোকৰ লগত ৰেচপনচিবিলিটি ফিক্স কৰি দিয়া হ'ব। ১৯৯১ চনত ২৪ জুলাই তাৰিখে নতুন ইণ্ডাষ্ট্ৰিয়েল পলিচি যিটো নেকি কেন্দ্ৰীয় চৰকাৰৰ পলিচি তাত এই কথাটো উল্লেখ আছে। তাত কোৱা হৈছে যে তেওঁলোকক 'ফ্ৰি-দম' দিব লাগিব। ১৯৯১ চনৰ পৰা আজি পৰ্য্যন্ত বিগত চৰকাৰে কোনো ধৰণৰ সিদ্ধান্ত লোৱা নাছিল। যোৱা আগষ্ট মাহৰ পাবলিক আন্দাৰ টেকিং ডিপাৰ্টমেণ্টে আৰু সংশ্লিষ্ট বিভাগৰ লগত এই সম্পৰ্কে আলোচনা কৰা হৈছিল। আসাম ইলেকট্ৰনিক ডেভলপমেণ্ট ক'ৰ্পৰেচন ১০ কোটি টকাৰে আৰম্ভ হৈছিল আৰু এই কৰ্পোৰেচনে যথেষ্ট সাফল্যতাৰে ইলেকট্ৰনিক গুডচ্ নিৰ্মাণ কৰি উলিয়াইছিল তাৰ পিচত 'আমট্ৰন টি-ভি' উলিয়াই অসমৰ বাহিৰতো বিশেষ বজাৰ দখল কৰিছিল। ইয়াৰ লগে লগে ত্ৰিপুৰা চৰকাৰৰ স্বাস্থ্য বিভাগৰ বহুতো ইকুইপমেণ্ট মেৰামতি কৰাৰ লগতে নিৰ্মানো কৰিবলৈ সক্ষম হৈছিল। এই ক্ষেত্ৰত আমট্ৰনে অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ লগত কেইবা-বাৰো যোগাযোগ কৰিছিল আমাৰ স্বাস্থ্য বিভাগৰ কিছুমান ইকুই-পমেণ্ট নিৰ্মাণ কৰাৰ কাৰণে। কিন্তু পূৰ্বৰ চৰকাৰে এই ক্ষেত্ৰত বিশেষ মনোযোগ দিয়া দেখা নগ'ল। গতিকে বৰ্ত্তমান চৰকাৰে আমট্ৰনৰ জৰিয়তে আমাৰ স্বাস্থ্য বিভাগৰ যন্ত্ৰ-পাতি আদি মেৰামতি কৰাৰ ক্ষেত্ৰত আমট্ৰনক সহায় সহযোগ আগ বঢ়াব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, এইখিনিতে আৰু এটা কথা উল্লেখ কৰিব খুজিছো যে আমাৰ কিছুমান চৰকাৰী খণ্ডৰ প্ৰতিষ্ঠান একেবাৰে মৃতপ্ৰায় অৱস্থা হৈছে। উদাহৰণ স্বৰূপে নাটকুচিৰ সুতা কলটোৰ বিষয়ে আমি অলপতে সদন কমিটিৰ ফালৰপৰা অধ্যয়ন কৰিবলৈ গৈ দেখিলো যে তাৰ শ্ৰমিক সকলৰ অৱস্থা একেবাৰে বেয়া। শ্ৰমিক সকলে কেইবামাহো দৰমহা পোৱা নাই। তাৰ প্ৰায় ৮ শ শ্ৰমিকে আমাক লগ ধৰি এনেদৰে কলে যে আপোনালোকে আমাক সময় মতে বিজুলি আৰু ভিচকচ যোগান ধৰক আমি এই কলটোৰ উৎপাদন ভবাতকৈ বেচি বৃদ্ধি কৰি দেখুৱাম। এই সুতা কলটোৰ পৰা যি ইয়াৰ উৎপাদন সি ভাৰতবৰ্ষৰ বজাৰত শ্ৰেষ্ঠ হুয়ান হিচাপে পৰিগণিত হৈছে। ১৯৯১-৯২ চনত বস্তৰ বজাৰত এই কলৰ উৎপাদিত হয়ান শ্ৰেষ্ঠ হুয়ান হিচাপে পৰিগণিত হৈছে। গতিকে এই চৰকাৰে এনে ধৰণে মৃতপ্ৰায় অৱস্থালৈ যোৱা চৰকাৰী খণ্ডৰ প্ৰতিষ্ঠান সমূহৰ প্ৰতি বিশেষ মনোযোগ দিব লাগে।

এই ক্ষেত্ৰত আমি এটা কথা চাব লাগিব যে আমাৰ খাৰুৱা তেলৰ পৰা যি ৰেটত ৰয়েল্টি পাব লাগে সেইটো বৃদ্ধি কৰাৰ কাৰণে চেষ্টা কৰিব লাগে। আজি আমাৰ অসমত ৫ মিলিয়ন টন খাৰুৱা তেল উৎপাদন হয় যদিও তাৰ পৰা আমি আগৰ হাৰ মতে প্ৰতি টনত ৫২৮ টকা হিচাবত পায় থকা কাৰণে ২৪৪ কোটি টকাহে পায় আছো। কিন্তু এই ক্ষেত্ৰত গুজৰাট চৰকাৰেও খাৰুৱা তেলৰ ৰয়েল্টি বৃদ্ধি কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক হেচা দি থকা পৰিপ্ৰেক্ষিতত আমাৰ চৰকাৰেও এই ক্ষেত্ৰত গুজৰাট চৰকাৰৰ লগত আলাপ আলোচনা কৰি অসমৰ খাৰুৱা তেলৰ ৰয়েল্টি বৃদ্ধি কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক হেঁচা প্ৰয়োগ কৰিব লাগে আৰু সেইটো কৰিব পাৰিলেহে আমাৰ ৰাজহ কিছু টনকিয়াল কৰিব পাৰিম আৰু ঘাটি বাজেট পূৰ কৰিব পাৰিম।

আন এটা কথা হ'ল আমাৰ চাহ উদ্যোগ সমূহৰ ওপৰত আমি বিশেষ চকু দিব লগা হৈছে। আজি অসমত ৮০০ চাহ বাগিচাই বছৰি প্ৰায় দুহেজাৰ কোটি টকাৰ ব্যৱসায় কৰি আছে। এই চাহ বাগান সমূহে অসমৰ বহুতো ভূমি বেদখল কৰি আছে আৰু তাৰ পৰা চাহ বাগানৰ মালিক সকলহে লাভবান হৈ আছে। তেওঁলোকে এই মাটিৰ বাবদ চৰকাৰক কোনো ধৰণৰ ৰাজহ নিদিয়াৰ কাৰণে আমি চাহৰ পৰা যি ধৰণে লাভবান হব লাগিছিল সেই ধৰণে লাভবান হ'ব পৰা নাই। আন এটা অতি গুৰুত্বপূৰ্ণ কথা হ'ল আমাৰ পূৰ্বৰ চৰকাৰে চাহৰ কেচা পাতৰ মূল্য প্ৰতি কেজিত ৫০ পইচাৰ পৰা ১৮ পইচালৈ কমাই দিয়াৰ ফলত আমি কেইবা কোটি টকা ৰাজহ হেৰুৱাব লগা হৈছে। তেওঁলোকে এই মূল্যটো চুপ্ৰীম কোৰ্টৰ ৰায় মতে দিয়া বুলি কৈছে যদিও এই ক্ষেত্ৰত তেওঁলোকে যি ধৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল সেই ধৰণে ব্যৱস্থা হাতত নললে! সেই সময়ত এই সংক্ৰান্তত আমি তেতিয়াৰ চৰকাৰক চুপ্ৰীম ক'ৰ্টত এপিল কৰাৰ কাৰণেও কৈছিলো। কিন্তু তেওঁলোকে সেই কেচটো উঠাই লৈ তেওঁলোকক কেচা পাতৰ দাম কমাই দিলে। গতিকে এই বিষয়টো এতিয়াৰ চৰকাৰে পুনৰ চিন্তা কৰিব লাগে আৰু ৫০ পইচা নহলেও ৪০ পইচামান কৰিব পাৰিলেও আমি ৭০ কোটি মান টকা অতিৰিক্ত ভাৱে আহৰণ কৰিবলৈ সক্ষম হ'ম। আজি অসমৰ চাহ কোম্পানী বিলাকে বামপানীৰ সময়ত কেইলাখ মান টকা সাহায্য দিয়াৰ নামত তেওঁলোকে লাভৰ টকা অসমতে বিনিয়োগ কৰা বুলি এটা আভুৱা ভৰিছে। এই ক্ষেত্ৰত যোৱা চৰকাৰৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা কথা কৈছিল যে চাহ কোম্পানী সকলক যিখিনি টকা ৰেহাই দিয়া হৈছে সেইখিনিৰ পৰা তেওঁলোকে যিখিনি লাভ কৰিব সেইখিনি অসমৰ উন্নতিৰ কাৰণে বিনিয়োগ কৰিব। কিন্তু লাভৰ পৰা কি ধৰণে বিনিয়োগ কৰিছে সেইটো লক্ষ্য কৰিব লগা হৈছে। তেওঁলোকে

অসমৰ উন্নতিৰ কাৰণে বিশেষ একো কৰা নাই। গতিকে এই কথা বিলাক আমি পুনৰ চিন্তা কৰা উচিত। আজি কৃষি আয়ৰ ক্ষেত্ৰতো আমাৰ ৰাজহ বহুতো কমি গৈছে। এই ক্ষেত্ৰতো আমি চকু দিব লাগিব। আমি ১৯৮৯-৯০ চনত কৃষি আয় কৰ হিচাবে ৮০ কোটি পাইছিলো। কিন্তু দুখেৰে সৈতে জনাব লগা হৈছে যে ১৯৯৪-৯৫ চনত এই আয় কৰ কমি গৈ ৩৫ কোটি টকা হয়গৈ। কিন্তু চাহ উদোগৰ ক্ষেত্ৰত আজি পৰ্য্যন্ত চাহ উদ্যোগৰ এনে ধৰণৰ ডিপ্ৰেচন হোৱা নাই। গতিকে আয় কৰ সমূহ কোনোবা ফালে ওলাই গৈছে। সেই কাৰণে এই চৰকাৰে এই ক্ষেত্ৰ সমূহত বিশেষ ভাৱে মনোযোগ দিব লাগিব। লগতে আৰু এটা কথা মই সদনৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। এই ক্ষেত্ৰত ইতিমধ্যে কিছুমান আলোচনা বিলোচনাও হৈছে। এইটো হৈছে চাহ বাগান সমূহৰ ভূমি নীতি। এইটো সলনি কৰা প্ৰয়োজন হৈ পৰিছে। এই ভূমি নীতি পৰিবৰ্ত্তন কৰি ১৫০ কোটি টকাৰ অতিৰিক্ত ৰাজহ উলিয়াব পৰা ব্যৱস্থা আছে। গতিকে এই ক্ষেত্ৰত আমাৰ চৰকাৰে কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু চাহ উদোগ সমূহে তেওঁলোকৰ মুখ্য কাৰ্য্যালয় সমূহ অসমলৈ স্থানান্তৰ কৰাৰ কাৰণে হেচা প্ৰয়োগ কৰিব লাগে। আজি অসমৰ চাহ উদ্যোগ সমূহৰ মুখ্য কাৰ্য্যালয় কলিকতাত হোৱা কাৰণে পশ্চিমবঙ্গ চৰকাৰে আমাতকৈ বেচি লাভবান হৈ আছে। গতিকে চাহ কোম্পানীবোৰৰ মুখ্য কাৰ্য্যালয় সমূহ অসমত স্থাপন কৰাৰ কাৰণে বাধ্য কৰাব লাগে।

অধ্যক্ষ মহোদয়, মই আৰু এটা কথা উল্লেখ কৰিব খুজিছো যে অসম চৰকাৰে ৰাজহ আৰু অন্যান্য গ্ৰেণ্টচ হিচাবে ৩ হাজাৰ কোটি মান টকা পাব। তাৰ ভিতৰত কৰ্ম্মচাৰী সকলক দৰমহা দিওঁতেই ২৪০০ কোটি টকা খৰচ কৰিব লগা হয়। তাৰে ৩০০ কোটি টকা ইউনিভাৰচিটি, হাইকোৰ্ট আদিক দৰমহা বাবদ দিব লাগে।

'ল এণ্ড অৰ্ডাৰ' ৰ কাৰণে ১০০ কোটি মান টকা লাগে। তেতিয়া মাত্ৰ ২০০ কোটি মান টকাহে থাকে। গতিকে এই পৰিস্থিতিতো এতিয়া সাংঘাটিক পৰিস্থিতি হৈছে। সেয়েহে এই পৰিস্থিতিৰ কেনেকৈ মোকাবিলা কৰিব পাৰি আৰু কেনেকৈ ৩০০/৪০০ কোটি মান টকা আনিব পৰা যায় সেই ক্ষেত্ৰত মাননীয় সদস্য সকলে পৰামৰ্শ দিব লাগে যাতে উন্নয়নমূলক কাম-কাজ সমূহ দ্ৰুত গতিত চলাই লৈ যাব পাৰি। লগতে যিবিলাক অনিয়ম আছে সেই অনিয়ম বিলাক যাতে বন্ধ কৰিব পাৰি সেইটো চাব লাগে। বিধান সভাখন ৰাইজৰ উন্নয়নমূলক কাম-কাজ বিলাক কৰাৰ চিন্তা কৰিবৰ কাৰণে, ৰাইজৰ দুখ-দুৰ্গতিৰ কথা চিন্তা কৰাৰ কাৰণেহে ৰহিছে। আমি ভাল পাইছো যে বাজেট ভাষণত ৰাজহৰ কথাটো স্পষ্টভাৱে উল্লেখ কৰিছে। চৰকাৰৰ নিজৰ ৰাজহ কিমান, কেন্দ্ৰীয় চৰকাৰৰ পৰা কিমান টকা আহিছে আৰু অন্যান্য শিতানৰ পৰা কিমান টকা আহিছে সেই সকলো বিলাক কথা বাজেট ভাষণত স্পষ্টভাৱে উল্লেখ কৰিছে। এতিয়া মই মাত্ৰ দুটামান বিভাগৰ কামৰ কথা কবলৈ বিচাৰিছো। আমাৰ গাওঁৰ মানুহ বিলাকে ৰাস্তা-পদুলী ভাল হোৱাটো বিচাৰে, বিশুদ্ধ খোৱা পানী বিচাৰে, বিদ্যুত থাকিব লাগে সেইটো বিচাৰে, স্বাস্থ্য বিভাগৰ কাম-কাজ বিলাক ভাল হোৱাটো বিচাৰে আৰু কৃষিৰ ক্ষেত্ৰত উন্নতি হোৱা বিচাৰো। কৃষি বিভাগটো যিহেতু এটা গুৰুত্বপূৰ্ণ বিভাগ গতিকে এই বিভাগটোৰ প্ৰতি আমি চকু দিব লাগে। মই ভাল পাইছো যে কেইটামান বিভাগত আমাৰ চৰকাৰে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। মই এই ক্ষেত্ৰত স্বাস্থ্য বিভাগৰ কথাকেই কব বিচাৰিছো—আমাৰ চৰকাৰ গঠন হোৱাৰ পিচতেই ডাক্তৰ বিলাক গাওঁলৈ যাবলৈ বাধ্য হৈছে। ইয়াৰ ফলত গাওঁৰ মানুহে চিকিৎসা-পাতিৰ ক্ষেত্ৰত সুবিধা পাইছে। আগতে লিখিবলৈ হস্পিতালত শ্লিপ পেড নাছিল, কটন নাছিল, ঔষধ-পাতি নাছিল। কিন্তু এতিয়া

সেইখিনি দিয়াৰ কাৰণে ব্যৱস্থা কৰা হৈছে। এইখিনিতে মই স্বাস্থ্য বিভাগৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰিব বিচাৰিছো যে আমাৰ যি তিনিখন মেডিকেল কলেজ হস্পিতাল আছে সেই তিনিওখন অধিক উন্নত কৰাৰ কাৰণে চেষ্টা চলাব লাগে। আমাৰ ইয়াত কেন্সাৰ ৰোগীৰ সংখ্যা অধিক। এই ৰোগী বিলাক যাতে বোম্বে বা ভেলোৰলৈ যাব নেলাগে তাৰ বাবে গুৱাহাটীৰ বি, বৰুৱা কেনচাৰ হস্পিতালখন অধিক উন্নত কৰি গঢ়ি তোলাৰ কাৰণে প্ৰচেষ্টা চলাব লাগে। নতুন ড্ৰাগ পলিচি এটা লোৱাৰ কথাও আমি জানিবলৈ পাইছো। যিবিলাক ঔষধৰ আচলতে প্ৰয়োজন নাই সেই বিলাক বন্ধ কৰিব লাগে। এই ক্ষেত্ৰত আমাৰ চৰকাৰে যিবিলাক পদক্ষেপ লৈছে তাৰ প্ৰতি আমি আদৰণি জনাইছো। বাকী কেইটা শিতানভো আমি যাতে গাওঁৰ মানুহক সকাহ দিব পাৰো আৰু অধিক আয় কৰিব পৰা যায় তাৰ প্ৰতি চকু ৰাখিব লাগে। বিশ্ব বেঙ্কৰ যিখিনি সাহাৰ্য্য সেইখিনিৰ জৰিয়তে যিখিনি উন্নয়নমূলক কাম-কাজ কৰা হয় সেই খিনিও যাতে গাওঁৰ মানুহে পায় তাৰ চোকা দৃষ্টি ৰাখিব লাগে। আমাৰ নগৰ পালিকা সমূহৰ ইলেকচন বন্ধ আছে যদিও সেই ইলেকচন হব লাগিব। সৰু সৰু টাউন বিলাকেও যাতে সা-সুবিধা পায় এই বিষয়টোৰ প্ৰতিও মনোযোগ দিব লাগিব। আমাৰ চৰকাৰে এই বিলাক দিশত গুৰুত্ব দিছে যদি মই আৰু বিশেষ গুৰুত্ব দিব লাগে অনুৰোধ জনাইছো। মাননীয় বিৰোধী পক্ষৰ সদস্য সকলে অসম চুক্তিৰ কথাটো কৈছে। মই আগৰ মুখ্যমন্ত্ৰীৰ পৰা বিত্ত-মন্ত্ৰীলৈকে বাজেটৰ বক্তৃতা লৈ আহিছো। প্ৰথম বাজেটত অসম চুক্তিৰ কথা আছিল কিন্তু বাকী বিলাকত সেইবিলাক কথা দেখুওৱা নাছিল। মাননীয় সদস্য ভৰত নৰহ ডাঙৰীয়াই প্ৰায় বিলাক বাজেটতেই অসম চুক্তিৰ কথাটো উল্লেখ কৰাৰ কথা কৈছে। অসম চুক্তি হৈছে অসমৰ জনসাধাৰণৰ জীৱন-মৰণ সমস্যা। আমাৰ ৰাজ্যপালৰ ভাষণতো

অসম চুক্তিৰ কথাটো উল্লেখ আছে। আমাৰ চৰকাৰ খনে অসম চুক্তিৰ হেয় কৰি চাব নোৱাৰে। অসম চুক্তিক আমি কেতিয়াও পাহৰিব নোৱাৰো। অসম চুক্তিখন ৰূপায়ণ কৰাৰ কাৰণে আমি ৰাজনৈতিক স্বাৰ্থ পৰিহাৰ কৰিব লাগিব আৰু এই ক্ষেত্ৰত আমি বিৰোধী দলৰ তৰফৰ পৰা সহায়-সহযোগিতা আশা কৰিছো। শেষত মই বাজেট ভাষণ খনৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাই মোৰ বক্তব্যৰ ইমানতেই সামৰণি মাৰিলো।

Mr. Deputy Speaker : Now I request Shri Ali Akbar Miah to Speak.

★ শ্ৰীআলি আকবৰ মিঞা : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সদনত যি বাজেট ভাষণ দাঙি ধৰিছে তাৰ প্ৰতি মই পূৰ্ণ সমৰ্থন জনাই দুষাৰমান কব বিচাৰিছো। মই প্ৰথমতে চৰ উন্নয়ন নিগম আৰু মাইনৰিটি ডেভেলপমেণ্ট কৰ্পোৰেচনৰ সম্পৰ্কে দুই চাৰিটা পৰামৰ্শ আগবঢ়াব বিচাৰিছো।

★ Dr. Ardhendu Kr. Dey : Mr. Deputy Speaker Sir, point of order. Hon'ble Chief Minister is not here. Not a single Cabinet Minister is available here who will answer ? May I Know from the Chair ?

মাননীয় উপাধ্যক্ষ :— দুজন কেবিনেট মন্ত্ৰীয়ে নোট কৰি আছে।

★ শ্ৰী আলি আকবৰ মিঞা :— মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিৰোধী দলৰ সদস্য সকলে কৈছে যে ইয়াত চৰ উন্নয়ন নিগম, মাইনৰিটি ডেভেলপমেণ্ট কৰ্পোৰেচন, অসম চুক্তি আদিৰ কথা উল্লেখ কৰা নাই। কিন্তু ইয়াত প্ৰত্যেকতো ডিপাৰ্টমেণ্টতেই মাইনৰিটিৰ কথাটো সোমাই আছে। আমাৰ চৰকাৰ গঠন হোৱাৰ পিচত চৰ অঞ্চলৰ মানুহে বিভিন্ন অফিচলৈ গলে সেই অফিচৰ বিষয়া কৰ্মচাৰী

সকলে কয় আপোনালোকে চৰ উন্নয়ন নিগমতহে ৰক্ষা পায়। পত্তিকে সেই অঞ্চল বিলাকৰ মানুহে বিভিন্ন বিভাগ বিলাকৰ উন্নয়ন মুলক কামৰ পৰা বঞ্চিত হৈ থাকে। সেইটো এটা মেনিয়াৰ নিচিনা হৈছে। এই মেনিয়া থকাটো ভাল নহয়। চৰ উন্নয়ন নিগম কতৃপক্ষৰ কাৰণে বছৰি ১ কোটি ১০ লাখ টকা ধ্যৰ্য্য কৰা আছে। তাৰ ভিতৰত এবাৰ ৩০ লাখ টকা কটা হৈছে আৰু যোৱা বছৰ ১০ লাখ টকা কটা হৈছিল। তেতিয়া মাত্ৰ ১ কোটি টকাহে থাকে। চি, ডি, পি অফিচ প্ৰকল্প, চেয়াৰমেন, বিষয়া কৰ্মচাৰী ইত্যাদি সকলোখিনিকে ধৰি ১৫/২০ লাখ মান টকা খৰচ থাকে। বাকী টকাখিনিৰে চিলাই মেচিন ইত্যাদি কিনিছিল যদিও সেই বিলাক এতিয়াও পৰি আছে। এই যিখিনি বাকী থকা টকা এই টকা খিনিৰে চৰ অঞ্চলৰ মানুহৰ যিখিনি অভাব-অভিযোগ আছে সেই খিনি দুৰ কৰা সম্ভৱ হব বুলি মই নেভাবো। পত্তিকে চৰ অঞ্চলৰ মানুহৰ কথা চিন্তা কৰি ফাণ্ডটো বঢ়াই দিয়াৰ কাৰণে পৰামৰ্শ আগবঢ়াইছো। চৰ অঞ্চলত যাতে ভালদৰে কাম-কাজ কৰি সেই অঞ্চলৰ মানুহক উন্নতিৰ পথত আগুৱাই লৈ যাব পাৰি আৰু সেইটো যাতে প্ৰতিফলিত হয় সেইটো চাব লাগে।

☆ শ্ৰীআলী আকবৰ মিঞা : মাননীয় উপাধ্যক্ষ মহোদয়, আমি চৰ অঞ্চলৰ মানুহৰ আৰ্থিক দিশটো ভালকৈ প্ৰতিফলিত হোৱা কাম-কাজ কৰিব লাগিব। মাইনৰিটি এফেয়াৰচৰ বাবে উন্নয়ন বোৰ্ড আছে। সেই বোৰ্ডত টকা দিয়া হয়। তাত যিখিনি টকা দিয়া হয় সেই টকাৰে চিলাই মেচিন আৰু স্কলাৰশ্বিপ দিয়াতে খৰচ কৰা হয়। বাকী কাম-কাজ একো নহয়। সংখ্যালঘু উন্নয়ন বোৰ্ড আছে। সংখ্যালঘুৰ সৰ্ব্বাঙ্গীন উন্নয়নৰ কাৰণে এই বোৰ্ডক টকা বঢ়াই দিব লাগে যাতে কাম-কাজ আগবাঢ়ি যায় তাৰ কাৰণে পৰামৰ্শ ৰাখিছো। সংখ্যালঘু উন্নয়ন নিগম আৰু চৰ উন্নয়ন কৰা হৈছে। চৰকাৰৰ প্ৰস্তাৱ আছে। সংখ্যালঘু আৰু চৰ অঞ্চলৰ উন্নয়ণৰ কাৰণে এটা

চেক্ৰেটাৰীয়েট বুলিব লাগে। মোৰ বিশ্বাস আমাৰ চৰকাৰে গুৰুত্ব দি সংখ্যালঘু মানুহ আৰু পিচপৰা চৰ অঞ্চলৰ মানুহৰ উন্নয়নৰ কাৰণে এটা চেপাৰেট চেক্ৰেটাৰীয়েট খুলিব। এইটো কৰিলে সংখ্যালঘু মানুহৰ অভিযোগ নাথাকিব। আগৰ চৰকাৰক সমালোচনা কৰি লাভ নাই। গতিকে এতিয়া আমাৰ চৰকাৰে ভাল কাম কৰিব বুলি মই আশা ৰাখিলো।

Mr. Deputy Speaker : Now I call upon Shri Sheikh Abdul Hamid.

★ শ্ৰীশ্বেখ আব্দুল হামিদ ঃ মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ১৩ ডিচেম্বৰ তাৰিখে মাননীয় মুখ্যমন্ত্ৰী তথা বিত্তমন্ত্ৰী মহোদয়ে যি বাজেট উত্থাপন কৰিছে। মই কেইটামান বিশেষ বিষয়ত প্ৰিজাৰভেচন ৰাখি বাজেট বক্তৃতাক সমৰ্থন জনাইছো। বাজেটত কিছু নতুন কথা কোৱা হৈছে যদিও সেইটো হোৱা নাই। উপাধ্যক্ষ মহোদয়. এই বাজেট বক্তৃতাত মাননীয় মুখ্যমন্ত্ৰীয়ে গোটেই অসমৰ উন্নয়নৰ কাৰণে যিখিনি টকা ধাৰ্য্য কৰিছে তাৰ মই সমৰ্থন জনাইছো। তাত এটা কথা লক্ষ্য কৰিছো যে কৃষি বিভাগত যিখিনি টকা দেখুৱা হৈছে বা যি প্ৰস্তাৱ দিয়া হৈছে এইটোৰে নিশ্চয় অসমৰ কৃষকৰ উন্নয়ণ সাধিব পাৰিব। দ্বিতীয়তে নতুন বিষয় এটা পাইছো। এইটো হৈছে এক্সটাৰনেলী এইডেড প্ৰজেক্ট Resurvation, extensional aided project, The Assam Rural infrastructural and Agricultural Services project, This relates to world Bank assisted project Industrial Scenario.

Government will take appropriate steps for all sound development living in the char Areas, SC/ST and other backward Classes. National Minority

Development and Finance Corporation under central Govt. এইটো ওৱাৰ্ল্ড বেংক এচিচটেন্ট প্ৰজেক্ট। ইয়াৰ আগৰ চৰকাৰৰ দিনত ৫.২৮ কোটি টকা খৰচ কৰা হৈছিল। এই চৰকাৰৰ দিনত ৭১.৮৮ কোটি টকা ধাৰ্য্য কৰা হৈছে। সুখৰ বিষয় মোৰ সমষ্টিত এনে এটা প্ৰজেক্ট দিয়া হৈছে। এই সুযোগতে মই মুখ্যমন্ত্ৰীক ধন্যবাদ জনাইছো। উপাধ্যক্ষ মহোদয়, আজি গোটেই অসমতে উদ্যোগৰ সম্পৰ্কত যিটো অৱস্থা দেখা গৈছে সেইটো হতাশজনক। অসম চৰকাৰে ভাৰত চৰকাৰৰ লগত বুজাপৰা কৰি এটা নতুন উদ্যোগ নীতি ঘোষণা কৰাৰ কথা কৈছে। সেইটো নিশ্চয় আদৰণীয়। অসম চৰকাৰে উদ্যোগৰ ক্ষেত্ৰত যি নিৰাশজনক অৱস্থা দেখুৱাইছে সেইটো ঠিক নহয়। উপাধ্যক্ষ মহোদয়, মই কৈছিলো যে বাজেট বক্তৃতা সমৰ্থন কৰিছো যদিও বিশেষ কেইটামান কথা কবলগীয়া আছে। যোৱা জুন অধিবেশনত অসমৰ মাননীয় ৰাজ্যপাল ডাঙৰীয়াই অসমৰ সংখ্যা-লঘু জনগণৰ কাৰণে বহুতো কথা কৈছিল। কিন্তু এই বাজেট বক্তৃতাত চৰকাৰে তাৰ কোনো প্ৰতিফলন দেখুৱাব নোৱাৰিলে। চৰকাৰৰ নীতি হৈছে ৰাজ্যপালে যি ঘোষণা কৰে তাৰ ভিত্তিতে চৰকাৰে কাম-কাজ কৰে। কিন্তু এই বাজেটত তাৰ কোনো প্ৰতিফলন হোৱা নাই। মাননীয় ৰাজ্যপালে ভাষণত কৈছিল। কিন্তু আজি দুখৰ বিষয় মাননীয় মুখ্যমন্ত্ৰীয়ে এই বিষয়ত কিমান টকা পইছা দিছে নেদেখুৱালে। কিন্তু তাৰ বিপৰীতে দেখা গৈছে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে, এচ, চি এচ, টি আৰু টি চিৰ ক্ষেত্ৰত স্পেচিয়েল কথা কৈছে। ইয়াত কোৱা হৈছে হিলচ এৰিয়া ডেভেলাপমেন্ট কাউন্সিল, বি, এ, চি, মিচিং অটোনমাচ কাউন্সিল, টিৱা অটোনমাচ কাউন্সিলৰ বিষয়ে। এই সকলো বিলাক বিশেষ এৰিয়া বুলি কোৱা হৈছে। চৰ অঞ্চলো বিশেষ অঞ্চলৰ ভিতৰত ধৰা হয়। মাননীয় মুখ্যমন্ত্ৰীয়ে যদি বাজেট বক্তৃতাত চৰ অঞ্চলৰ কথা উল্লেখ কৰিলেহেঁতেন তেতিয়াহ'লে চৰ অঞ্চলৰ

. মানুহ সুখী হ'লহেঁতেন।

মাননীয় উপাধ্যক্ষ মহোদয়, এইখিনিতে এটা কথা ক'ব লাগিব মাইনৰিটি ডেভালাপমেন্ট আৰু ফাইনেঞ্চিয়েল কৰ্পোৰেচন। এইটো কেন্দ্ৰীয় চৰকাৰৰ কৰ্পোৰেচন। কিন্তু এতিয়ালৈ মাইনৰিতি ডেভেলাপমেন্ট আৰু ফাইনেঞ্চিয়েল কৰ্পোৰেচন অসম চৰকাৰে কৰিব পৰা নাই। এই বিষয়ে বাজেটত কোনো উল্লেখ নাই। গতিকে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো মাইনৰিটি ডেভেলাপমেন্ট আৰু ফাইনেঞ্চিয়েল কৰ্পোৰেচন এটা অসমত খুলিব আৰু তাত কেন্দ্ৰীয় চৰকাৰৰ যিখিনি সাহায্য আৰু গ্ৰান্ট আছে সেইখিনি অনাৰ ব্যৱস্থা গ্ৰহণ কৰিব। এইখিনি কৈয়ে মই মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

Mr. Deputy Speaker : Now, I call upon Shri Abu Saleh Najmuddin to speak.

Shri Abu Saleh Najmuddin : Hon'ble Mr. Deputy Speaker, Sir, while taking part in the discussion on the budget placed before the august House by the Hon'ble Chief Minister, who is also the Minister incharge of Finance, I beg to say that the Hon'ble Chief Minister, Assam could not reflect in the budget speech, the assurances made by him and as a Leader of Asom Gana Parishad before coming into power. Sir, many a times outside this august House we have been told that the law and order situation will be brought under control at any cost and the life and property of the people will be well protected. But, Sir, on the contrary what we have observed that during the last seven months of the existence

of this Government, the law and order situation has become worst, looting, arson, extortion and killing of innocent people has increased tremendously. There is total chaos in the Police Administration as became the state police forces were ot protected from killing by the Govt. One lady police Karabi Sinha is murdered but no eulpnt has yet been arrested. Chief Minister has mentioned during his budget speech that his Government is determined to meet the situation. He has not spelt out as to how he will improve the police administration to combat the situation. Even today, while we are in this House, extortion and illegal collection of money are going on from the truck drivers coming to the State of Assam from outside. Mr. Deputy Speaker Sir, another burning problem which the State is facing the problem of unemployment. The unemployment problem is nodoubt a national problem but in our State this problem has become very critical and has reached to a serious proportion. Sir, this Government has not made known to us of any clear-cut policy. Except the programme under PMRY scheme, the Government has not spelt out as to how many unemployed youth, both skilled and unskilled, will be employed through the different schemes. I feel this Govt. has failed in fulfilling its aims and

objectives, particularly in solving the unemployment problem, which the Govt. assured to solve at the time of coming to the power.

Sir, in the agriculture sector, many of friends in the treasury bench, had assured that this Govt. will come up with new proposals for development of agriculture in the State. Sir, I am constrained to say that there is no new proposal from the Govt. except the one under the world Bank funded projects in the State of Assam. Which was started at the time of earlier Govt. Sir, 8) percent of the population of the State are agrarian and our agricultural sector is very week. Sir, there is no with clear policy of the Govt., nor are there any new proposals as to how to improve the agricultural production, how to improve the livestock industries, how improve the fisheries. There is also no mention as to how this Govt. Will improve the Small Scale Agro– Industries in the State and how to create much more emplyment opportunities for the state to have increased domestic products. So, Sir, the approach of the Govt. in the matter of solving the unemployment problem is quite discredifable as the youngmen are not attracted by the budget placed before the House by the Chief Minister.

Sir, as regards Education Department, I call upon the Minister, Elementary and Primary Education

that he will come up with a more clear educational policy. At present, opening of L. P. Schools has been stopped throughout the State. This has created a serious problem because there is necessity of Backward area opening L. P. M. E, of High school in I hope the Govt. will withdraw the ban imposed on opening of school so that more and more young people can be educated to join in the development process of the State. Sir, regarding development of industries in the State, a Committee headed by Dr. Jayanta Madhab, a well-known and renowned economists was appointed. The Committee has submitted its report but the Govt. has not yet accepted it. So, Sir, from this kind of approch and the results so far we have observed that the present Govt. approch towards the socio-economic development of State is very much negative. So, I request the Hon'ble Chief Minister, who is also the Minister incharge, Finance will try to make amends to his budget speech placed before the house and see for himself that necessary steps are taken for allround socio-economic development of the state. No state can survive only on the grant from the Central Govt. The State Govt. must find out ways and means to increase its revenue. There is no proposal in the budget speech as to how they will increase the

state revenue. We cannot always depend on the central assistance. We have find out our own ways and means to fulfill our programmes. Therefore, Govt. should try to make better management of its expenditure so that agriculture, industry and other important sectors can be better funded. I also submit that necessary power support to the agriculturists are provided so that they can make better use of power for agricultural purposes. Sir, the Govt. has failed to provide irrigation facilties to the agriculurists, which constitute 80 percent of the population in the state. Sir, our state is a flood prone state. The state is having two crops in a year. One crop is always damaged by flood. There is no proposal in the budget how the Govt. will provide irrigation facelities for third crops production for up liftment of poor economic condition of the people and the state domestic product. How can we expect that this Govt. will be able to deliver something good in the coming days. Sir, budget placed by the Govt. is a fake budget because it has totally failed to fulfill hopes and aspirations of the people. I hope the proposals made by the opposition members will be taken note of by the Leader of the house and will ensure that proposals for rapid development and growth of

economy are taken up in right earnest. With these few words I conclude by speech, Sir.

★ শ্ৰীআব্দাউদ্দিন সৰকাৰ : মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৯৬-৯৭ চনৰ বাজেট উত্থাপনৰ প্ৰাক্কলনত আমাৰ মাননীয় মুখ্যমন্ত্ৰী তথা বিত্তমন্ত্ৰী ডাঙৰীয়াই যি ভাষণ উত্থাপন কৰিছে, সেই ভাষণত এটা কঠিন স্তৰৰ আভাষ দিছে। যোৱা চৰকাৰৰ কালছোৱাত ৰাজ্যৰ অৰ্থনৈতিক ক্ষেত্ৰত যি বিশৃংখলতাৰ এটা পৰিবেশ গঢ়ি উঠিছিল এই ভাষণত তাকো উদঙাই দিছে। প্ৰচলিত নীতি মতে গণতান্ত্ৰিক প্ৰক্ৰিয়াত এটা চৰকাৰৰ পিচত আন এটা চৰকাৰ আহে। বৰ্তমান চৰকাৰে ৰাজ্য জুৰি ভাঙি পৰা এটা অতীব ভয়ঙ্কৰ আৰ্থিক সমস্যা উত্তৰাধিকাৰ সূত্ৰে পাইছে আৰু ইয়াৰ প্ৰতিকূলে এই সমস্যাসমূহ ইয়াৰ লগত দেখা দিছে। পূৰ্বৰ চৰকাৰৰ ঘাটিৰ বাবে এইবাৰ অসম চৰকাৰে ৭৬৬.২৯ কোটি টকাৰ ঘাটি বাজেট উত্থাপন কৰিব লগা হৈছে। যি খন বাজেটত একে সময়তে কৰ হীনভাৱে কৰ নলগোৱাকৈ ৰাইজক অতিৰিক্ত বোজা দিয়া হৈছে। অৱশ্যে কৰ লগালেই যে এটা চৰকাৰে জনপ্ৰিয়তা হেৰুৱাই, এইটো নহয়। বিশাল ঘাটি পূৰণ কৰাৰ কাৰণে যে ৰাইজৰ ওপৰত বোজা দিব পাৰি এনে নহয়, যদি উপযুক্তভাৱে কৰ দিব পৰা অৱস্থা থাকিলহেঁতেন, তেতিয়াহ'লে তেওঁলোকৰ ওপৰত দিব পৰা হ'লহেঁতেন। পঞ্চবাৰ্ষিক পৰিকল্পনা আহি আছে, এইটো বৰ্তমান দুৱাৰদলিত আহি পাইছে। এনে সময়ত এখন ভয়ঙ্কৰ ঘাটি বাজেট উত্থাপন কৰিব লগা হৈছে। এই কাৰণে যোৱা চৰকাৰটোক এই ক্ষেত্ৰত ৰেহাই দিব নোৱাৰি। তেখেতসকলৰ আত্ম সমালোচনা কৰাৰ দৰকাৰ, তেখেতসকলক সমালোচনা কৰা উচিত। এই ক্ষেত্ৰত ভৱিষ্যতে ঘাটি বাজেটে ৰাজ্যৰ অৰ্থনৈতিক ভেটিটো থান-বান কৰিব। বৰ্তমান যি সন্মিলিত চৰকাৰ আছে, এই চৰকাৰে এইখন কৰবিহীন ঘাটি বাজেটৰ জৰিয়তে অসমৰ ভাঙি পৰা ভেটিটোৰ অৰ্থনৈতিক অৱস্থা কেনেকৈ টনকিয়াল কৰিব আৰু ৰাইজৰ

★ Speech not carrected

আশা-আকাংখা কেনেকৈ পূৰণ কৰিব সেইটো চিন্তা কৰা বাজেটত দেখা গৈছে। ইয়াৰ আগতে মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই উন্মুকিয়াই দিছে যে সেইবিলাক ঘাটি পূৰণ কৰিব নোৱাৰি। যদিও এই ব্যৱস্থা বিলাক অসংগত পৰিপ্ৰেক্ষিতত বাদ দি যাব নোৱাৰি। বিত্তীয় পৰিস্থিতি নিয়ন্ত্ৰনলৈ অনাব কাৰণে যি অলাগতিয়াল ব্যয় আছিল তাক কৰ্তন কৰিব লাগিব। ৰাজহ বৃদ্ধিৰ ক্ষেত্ৰত আমি নিশ্চিত ভাৱে ৰাজহ বঢ়াব লাগিব। যোৱা সময়ৰ এই কথাবিলাক এতিয়া কম কথা নহয়, অলাগতিয়াল ব্যয়সমূহ সেই সময়ৰ চৰকাৰে নিমজ্জিত কৰিছিল। সেই সময়ত চৰকাৰখনে অতিমাত্ৰা ব্যয় কৰিছিল। যাৰ ফলত ঘাটি বাজেটত কথাটো ওলাই পৰিছে। তেখেতসকলে এইটো গম পাইছে। এইটো তেখেতসকলে আগতীয়াকৈ জানিছিল। অলাগতিয়াল ব্যয় যোৱা চৰকাৰৰ দিনতে হৈছে। এই পৰিস্থিতিয়ে অসমক থান-বান কৰিব। যিবিলাক অলাগতিয়াল ব্যয় আছে, সেইবিলাক কৰ্তন কৰিব লাগে আৰু ৰাজহ বৃদ্ধি কৰাৰ বাবে ৰাজহ মন্ত্ৰী ডাঙৰীয়াই ঘোষণা কৰিব লাগে। পূৰ্বৰ প্ৰচলিত যি ব্যবস্থা আছে, সেই ব্যৱস্থাসমূহ পৰিবৰ্ত্তন কৰিব লাগিব। সেই ব্যৱস্থাসমূহ পৰিৱৰ্ত্তন কৰিলেহে আমি নিশ্চই কিছু ফল লাভ কৰিব পাৰিম।

মাননীয় উপাধ্যক্ষ মহোদয়, কৰ ফাকি দিয়াটো গোটেই দেশজুৰি সাধাৰণ নিয়মত পৰিণত হৈছে। এই ক্ষেত্ৰত আমি দেখিবলৈ পাইছো যে ত্ৰিশ হাজাৰৰো অধিক কৰ দাতাই কৰ ফাকি দিবলৈ চেষ্টা চলাইছে। এই হিচাবত দেশৰ অন্য ৰাজ্য বাদ দিয়া হৈছে। ক'লা টকা অসমত চলি আছে। চৰকাৰৰ যদি সদ ইচ্ছা আছে কৰ ফাকি দিয়া ব্যৱস্থা বন্ধ কৰিব পাৰিব। তেতিয়া কিছু পৰিমাণে হলেও আমাৰ দেশৰ অৱস্থা টনকীয়াল কৰিব পাৰিব। ইয়াৰোপৰি ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত চৰকাৰৰ চোকা দৃষ্টি ৰখাৰ কৰ্ত্তব্য

আছে। এই ক্ষেত্ৰত যদি চৰকাৰে চোকা দৃষ্টি ৰাখে তেতিয়াহ'লে অন্য ৰাজ্যৰ দৰে আমাৰ ৰাজ্যখনৰ অৱস্থাও টনকীয়াল হ'ব।

উপাধ্যক্ষ মহোদয়, সীমান্তৱৰ্তী অঞ্চলত অসমৰ যিবিলাক চেক্ গেট আছে সেইবিলাকৰ পৰা আমাৰ ৰাজহ সংগ্ৰহ হয়। কিন্তু সেই ৰাজহ চৰকাৰে সম্পূৰ্ণৰূপে নাপায়। ধুবুৰী জিলাৰ শ্ৰীৰামপুৰ গেটৰ কথা শুনিছো। ছাগলীয়া গেট আছে, দৰাচলতে মই সেই গেট বিলাকলৈ লাজতে নাযাও। চৰকাৰী ৰাজহৰ ধন বিভিন্ন সংগঠনৰ কামত, অনুষ্ঠান-প্ৰতিষ্ঠানৰ নামত ধন লৈ যোৱাৰ ফলত অসমৰ ৰাজহৰ ধন গুচি গৈছে। সেই কাৰণে চৰকাৰে ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত চকু দিব লাগিব। ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত নিশ্চিত ভূমিকা গ্ৰহণ কৰি ৰাজহ সংগ্ৰহৰ বাবে জোৰ দিব পাৰে। আজি ৩০ বছৰ আগৰ অৱস্থা এতিয়াও চলি আছে। উন্নয়নমূলক কোনো কাম যদি ব্যাহত হয় তাৰ প্ৰতি লক্ষ্য ৰাখি ব্যৱস্থা লব লাগিব। অসংগতভাৱে যিবিলাক বেয়া কাম হৈ আছে সেইবিলাক কৰ্ত্তন কৰিব লাগে বুলি মই ভাৱো। এনেকুৱা ভাৱে কৰ সংগ্ৰহ হলে ৰাজ্যখনে আভ্যন্তৰীণ ঋণৰপৰা মুক্ত হৈ থাকিব পাৰিব। কৰ্ত্তৃপক্ষই এই কথা উত্থাপন কৰিছে যে চৰকাৰে খৰতকীয়া ব্যৱস্থা ললে নিশ্চিতভাৱে খেলি-মেলিৰ সৃষ্টি হব। এই ক্ষেত্ৰত জইন্ট চেক্টৰ খোলাৰ কথা কৈছে, এইটো চাব লাগিব। এই ব্যৱস্থা গ্ৰহণ কৰাৰ আগতে চৰকাৰে সকলো ফালে দৃষ্টি দিব লাগিব, এইটো বাজেটত আছে। স্মাৰক পত্ৰৰ যোগেদি দাবী জনাই কিছু দাবী পুৰণ কৰাৰ কাৰণে ন্যায়সংগতভাৱে তেখেতসকলক দাবী জনাব লাগিব। পঞ্জাব আৰু কাশ্মীৰৰ আভ্যন্তৰীণ বিত্তীয় সংকট আছিল। তেওঁলোকে এতিয়া পাইছে। যিবিলাক আভ্যন্তৰীণ ধন আছে, সেইবিলাক আমাক দিয়ক। থাকুৱা তেলৰ ৰয়েল্টিৰ ৫০ কোটি টকাৰ অনুদান দিয়ক। এই ক্ষেত্ৰত গুজৰাট আৰু অসম

চৰকাৰে মিলিতভাৱে হেচা দিয়াৰ চেষ্টা কৰিলে ভাল হয়। ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ সমস্যাটো ডাঙৰ সমস্যা। এই সমস্যা পূৰণ কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰ দায়বদ্ধ।

উপাধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত এশ ভাগেই মঞ্জুৰী বিচৰা হৈছে এইটো মই ভাবো যে এই প্ৰাকৃতিক আৰু জাতীয় সমস্যা আৰু সেই সমস্যা সমাধানৰ কল্পে তেখেতসকল আগ্ৰহী। এই ক্ষেত্ৰত ঋণৰ পৰিবৰ্ত্তে এশ শতাংশই মঞ্জুৰী আগবঢ়াব লাগিব। ঋণ বিমান বিলাক আছে সেই ক্ষেত্ৰত পৰিশোধ কৰাৰ ক্ষেত্ৰত তিনি বছৰলৈ অসম ৰাজ্যৰ ক্ষেত্ৰত মোৰেটৰিয়াম আগবঢ়োৱা উচিত হব। বিশেষকৈ উত্তৰ পূৰ্বাঞ্চলৰ সিংহ ৰাজ্য হিচাবে অসমলৈ অন্ততঃ পক্ষে মৰেটৰিয়াম আগবঢ়োৱা উচিত হব। চাৰ লগত এইটো কথাও উল্লেখ কৰিব বিচাৰিছো যে বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত পাচশ কোটি টকা নৱম পৰিকল্পনাত পাইছো। এইটোৱেই নিশ্চিতভাৱে উদ্ধাৰৰ কথা হব বুলিও আমি আশা কৰিছো। বাজেটখন কেৱল চৰকাৰৰ বাৰ্ষিক আয়েই হব নোৱাৰে আচলতে বাজেটখনত নিশ্চিতভাৱে জনসাধাৰণৰ কথা প্ৰতিফলিত হব লাগে আৰু তাৰ ওপৰত এনে অৰ্থনৈতিক পৰিকাঠামো কাৰ্য্যকৰী কৰণৰ কাৰণে পাব লাগে। এই ক্ষেত্ৰত অধিক বেচি নিয়োজনৰ খণ্ডবিলাক বাহিৰ কৰিব লাগিব। সমবায় খণ্ডত আটাইতকৈ বেচি টকা দিয়া হব। ইয়াৰ দ্বাৰা ভিতৰুৱা যিটো অৰ্থনৈতিক অৱস্থা আৰু বাহিৰৰ যিটো অৱস্থা সেই দুৰৱস্থাক কিছু পৰিমাণে আগুৱাই আনিব পৰা হব শক্তি, কৃষি আৰু সংশ্লিষ্ট সেৱা বিলাকো ইয়াৰ লগতেই আছে। জলসিঞ্চন, পৰিবহন আৰু বান নিয়ন্ত্ৰণ ব্যৱস্থাৰ ওপৰতো ষ্ট্ৰেচ দিয়া হৈছে। এইটো বৰ্ত্তমান চৰকাৰে ভাল কাম কৰিছে। লগতে উদ্যোগ আদিৰ ক্ষেত্ৰত যি ব্যৱস্থা লৈছে তাৰ দ্বাৰা অসম চৰকাৰৰ অৱস্থা ভাল হব। বিপদ সাগৰৰ পৰা উদ্ধাৰ হোৱাৰ কথা বিত্ত মন্ত্ৰী ডাঙৰীয়াই কৈছে। আমি বিপদ

সাগৰৰ উপকুল পাইছো। ভাত খাল বাম বহুতো আছে। আমি তথাপিও উদ্ধাৰ হ'ম বুলি আশা ৰাখি এই বাজেট সমৰ্থন কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

Mr. Deputy Speaker : Now Hon'ble Member Dr. Ardhendu Kumar Dey.

★ ডাঃ অৰ্ধেন্দু কুমাৰ দে : মাননীয় উপাধ্যক্ষ মহোদয়, বাজেট যিখন এই বিধান সভাত অ-গ-প দলৰ চৰকাৰে উত্থাপন কৰিছে এই বাজেট খন কি ইতিমধ্যে অসমৰ জনসাধাৰণে উপলব্ধি কৰিব পাৰিছে। এই বাজেট উত্থাপন কৰাৰ আগতে যিহেতু নিৰ্ব্বাচন চমু হৈ আহিছিল, ওচৰ চাপি আহিছিল সেই কাৰণে কংগ্ৰেছ চৰকাৰে চাৰি মাহৰ কাৰণে এইটো উত্থাপন কৰিছিল আৰু বৰ্ত্তমান চৰকাৰেও ইয়াৰ অহাৰ পিচত আমি আশা কৰিছিলো যে বিধান সভাত সম্পূৰ্ণ বাজেট উত্থাপিত হব। কিন্তু সম্পূৰ্ণ বাজেট দাখিল নকৰি সম্পূৰ্ণ নিয়ম বৰ্হিভুত ভাৱে সংবিধানক উলংঘা কৰি পাচ মাহৰ কাৰণে বৰ্ত্তমান চৰকাৰে ভোট অব একাউণ্ট আনিছে। এইটোৰ কোনো এটা কাৰণ থাকিব নোৱাৰে। সেই কাৰণে উত্থাপন কালতো মই বাৰে বাৰে এই কথা কৈছিলো। এতিয়া তিনি মাহৰ কাৰণে বাজেট উত্থাপন কৰি কোৱা হৈছে যে এইটো কৰবিহীন বাজেট। লোকসভাত কেন্দ্ৰীয় বিত্ত মন্ত্ৰীয়ে শ্ৰীপি চিদাম্বৰমে কৈছিল যে টেক্সেচন ইজ এ পাৰ্ট এণ্ড পাৰ্চেল অব ডি ডিপাৰ্টমেণ্ট। চি-পি-আই দলৰ মাননীয় সদস্য এগৰাকীয়ে কৈছে যে এই কৰটো প্ৰয়োজনভিত্তিক। এইটো লগাব লাগে। কিন্তু বৰ্ত্তমান চৰকাৰে কৰবিহীন ভাৱে বাজেট যিটো উত্থাপন কৰিছে তাত কৰ কি ভাৱে লগাব মই নাজানো। মোৰ বাজেট বক্তৃতা চমুকৈ কম। কিয়নো ইয়াত কৰলৈ একোৱেই নাই তাৰ আগতে কেইটামান বস্তুৰ প্ৰতি আঙুলিয়াই দিব বিচাৰিছো। মেমোৰাণ্ডাম অব দি বাজেট এষ্টিমেট অব দি গভৰ্ণমেণ্ট অব এসাম

★ Speech not corrected

ডিচেম্বৰ ১৯৯৬ ৰ ষ্টেটমেন্ট 'এ'ত আছে। Taxation is a part and parcel of the, department, memorendum of the budget estimates of the Govt. of Assam, December 1996. 'A', Allotment for BAC Rs. 588·19 crores, MAC Rs. 1092·16 crores, TAC 280·42 crores and so on totaling Rs. 5,336 crores.

এইটো আছিল প্ৰথম নম্বৰ। আৰু দ্বিতীয় নম্বৰ হ'ল ফাইনেন্সিয়েল ষ্টেটমেন্টৰ আমাৰ চৰকাৰে অৰ্থাৎ কংগ্ৰেছ চৰকাৰে দিছিল। এক্সপেণ্ডিচাৰ হেডত আছিল : Annual Financial statement, expenditure head consolidated fund, contingency fund and public accounts 7,23,117 lakhs of Rs. 7,18,769.

তাৰ বিপৰীতে এইবাৰ ডিচেম্বৰ মাহত দেখুৱাইছে সাত লাখ ওঠৰ হাজাৰ উনসত্তৰ লাখ। ইয়াত পাৰ্থক্য আছে : Difference 4,348 lakhs.

এই পাৰ্থক্যটো কিহৰ কাৰণে হ'ল তাৰ কিবা ব্যাখ্যা মুখ্যমন্ত্ৰী তথা বিত্ত মন্ত্ৰী মহোদয়ৰ পৰা বিচাৰিছো। উপাধ্যক্ষ মহোদয়, আমাৰ বিৰোধী দলৰ নেতাসকলে কিছু কিছুৱে ভাল বাজেট বুলি সমৰ্থন কৰিছে। কিন্তু গণ পৰিষদৰ নিৰ্বাচনী প্ৰতিশ্ৰুতিত এটা কথা কৈছিল যে তেখেতসকলে নিত্য ব্যৱহাৰ্য্য বস্ত্ৰ-বস্তুৰ উৰ্দ্ধগামী নিম্নগামী কৰিব নোৱাৰিলেও প্ৰতিৰোধ ব্যৱস্থাৰে নিম্নগামী কৰিবলৈ চেষ্টা কৰিব। এইটো কি বুজাইছে? মাৰামাৰি কৰিব নেকি? আমাৰ ৰাজ্যপালৰ ভাষণতো যিটো দিছিল তাত তেখেতে কৈছিল যে আমাৰ চৰকাৰে বস্তুৰ ফ্ৰেইট চাৰ্জ চাবচিডি দিব পাৰিব মূল্য বৃদ্ধি হ্ৰাস কৰাৰ কাৰণে। এইবাৰ বাজেটত কিন্তু এই কথাটোৰ কোনো উল্লেখ নাই। ৰাজ্যপালৰ ভাষণত যিটো কথা কৈছিল তাৰ কোনো

উল্লেখ বাজেট বক্তৃতাত নাই। অন্য তৃতীয় এটা কথা আছি প'ল ভেখেতসকলে ক'লে ফেয়াৰ প্ৰাইচ বঢ়াই দিব। উপাধ্যক্ষ মহোদয়, মই এইটো কথা স্পষ্ট ভাবে কৈছিলো যে আমাৰ ৰাজ্যলৈ কেন্দ্ৰৰ পৰা যি পৰিমাণৰ চাউল, চেনি, ঘিঁ আদি পাওঁ তাৰে আমাৰ প্ৰয়োজনৰ শতকৰা পঞ্চাশ ভাগো নহয়গৈ। এভিয়া ফেয়াৰ প্ৰাইচ কৰিলে ভেওঁবিলাকৰ এক্সিজটেঞ্চ, ফিজিবিলিটি আদি নাইকীয়া হৈ যাব। স্বনিৰ্ভৰশীলতাৰ কথা বেছি কৈছে কিন্তু তাৰ পিচত একেবাৰে নাইকীয়া হৈ যাব।

মাননীয় উপাধ্যক্ষ মহোদয়, মই আৰু এটা কথা আপোনাৰ নজৰত ৰাখিবলৈ বিচাৰিছো। Subsidy আমাৰ চৰকাৰৰ দিনত আমি ধৰিছিলো ১০০,৬৫ লাখ কিন্তু বৰ্ত্তমান চৰকাৰৰ দিনত সেইটোৰ বিপৰীতে দেখুৱাইছে ১০০০৭ চাবচিডি। আমি দুটকীয়া চাউল দিম বুলি এইটো দেখুৱাইছিলো। কিন্তু বৰ্ত্তমান চৰকাৰৰ দিনত এইটো কিহৰ কাৰণে ধৰা হৈছে তাৰ কোনো হিচাব নাই। বৰ্ত্তমান চৰকাৰে আৰু এটা কথা পৰিস্কাৰ ভাৱে বাৰে বাৰে কৈছে সেইটো হ'ল বৰ্ত্তমান বিত্তীয় অৱস্থাৰ দুৰ্যোগ। আৰু ইয়াৰ পৰাই সেইটো ওভাৰ-কাম কৰিব বুলি বুজাবলৈ চেষ্টা কৰিছে অথবা উল্লেখ কৰিবলৈ চেষ্টা কৰিছে কিন্তু স্পষ্টভাৱে কোনো লিখিত টোকা ইয়াত নাই। কেন্দ্ৰীয় চৰকাৰৰ বিত্ত মন্ত্ৰীয়ে এটা কথা পৰিস্কাৰ ভাৱে কৈছে যে অসম চৰকাৰে নিজস্ব ৰেভিনিউ ভালকৈ কালেকচন কৰিব নোৱাৰে। কেন্দ্ৰীয় চৰকাৰৰ ওপৰত নিৰ্ভৰ কৰে। আপোনালোকে নিজৰ ৰেভিনিউ খিনি ভালকৈ কালেকচন কৰিব লাগে। অলপ আগতে হিতেন্দ্ৰ নাথ গোস্বামী ডাঙৰীয়াই কৈছে যে বৰ্ত্তমান চৰকাৰে ৰেভিনিউ কালেকচনৰ ওপৰতহে জোৰ দিব। কিন্তু লেণ্ড ৰেভিনিউ কালেকচনৰ যোগেদি যিটো ধৰিছে সেইটো ভেখেতসকলে বহুত কম ধৰিছে। এই বিষয়ত

বিটো কথা পণ্ডিয়ন নিয়াবলৈ বিচাৰিছে বাজেট পঢ়িলে ইয়াৰ ওপৰি আৰু এটা কথা কব বিছাৰিছো যে ইয়াত পৰিষ্কাৰ ভাৱে লিখা আছে যে ৯ মাহৰ কাৰণে ভোট অৰ একাউন্স দি বাজেট পাচ কৰা হৈছে। কিন্তু টকা ক'ৰ পৰা পালে, পালেনে নাই কিমান টকা কিহত খৰছ হ'ল বা নহ'ল তাৰ কোনো উল্লেখ ইয়াত কৰা নাই। তাৰোপৰি বাজেট উপস্থাপনৰ সময়ত বিত্ত মন্ত্ৰীৰ বাজেট ভাষণত যি তিনি মাহৰ বাজেট উপস্থাপন কৰিলে তাৰ হিচাবৰো কোনো উল্লেখ নাই। উপাধ্যক্ষ মহোদয়, আমাৰ বাও পন্থি বন্ধুসকলৰ সমস্যা সমাধানৰ কোনো মতামত নাই। ভৰত নৰহ ডাঙৰীয়াই কৈছে তেওঁলোকৰ ভূমিকা ঠিক হোৱা নাই তেওঁলোক ময়ুৰী হ'ব নালাগে কিন্তু আগৰ চৰকাৰৰ কাউৰী হৈ থাকিল। এই খিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।।

Mr. Deputy Speaker : Now Mr.. Keshoram Bora.

★ শ্ৰীকেশৰাম বৰা : মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ১৩ তাৰিখে আমাৰ বিধান সভাৰ মজীয়াত আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াই যিখন বাজেট উপস্থাপন কৰিলে আৰু লগতে যিখিনি বাজেট বক্তৃতা দাঙি ধৰিলে সেইখিনি অতি সত্য আৰু সুন্দৰ কথা হোৱাৰ কাৰণে আমাৰ মাননীয় বিৰোধী পক্ষৰ সদস্য সকলে সমালোচনা কৰিছে। বাজেট খন পুংসানু পুংশ হিচাবে নপঢ়ি ওপৰে ওপৰে পঢ়াৰ কাৰণে এনে ধাৰনা তেওঁলোকৰ হৈছে। আচলতে ভাল দৰে চালে গ'ম পায় যে এই বাজেট অতি সুন্দৰ আৰু অসমৰ কাৰণে জনসাধাৰণৰ কল্যান কামী বাজেট হৈছে। এই বাজেট খনত ৭৬৪৯ কোটি টকাৰ ঘাটি বাজেট দেখুৱা হৈছে। কিন্তু বিৰোধী পক্ষৰ সদস্যসকলে এই ঘাটি পুৰণৰ ব্যৱস্থা নাই বুলি কৈছে। কিন্তু ৰাজহ সংগ্ৰহৰ জৰিয়তে এই ঘাটি পুৰণ হব বুলি আমি ভাবো। তাৰ ওপৰি নতুন কোনো

★ Speech not corrected

চৰকাৰৰ পলিচি নাই বুলি কৈছে। সকলো কেন্দ্ৰীয় চৰকাৰৰ ওপৰতে নিৰ্ভৰ কৰে বুলি কৈছে। এই ক্ষেত্ৰত মই ক'ব বিছাৰিছো যে যিহেতু ভাৰত এখন যুক্ত ৰাষ্ট্ৰ সেয়ে অসম ৰাজ্য হিচাবে কেন্দ্ৰীয় চৰকাৰৰ ওপৰত সহায় বিছৰাটো সম্পূৰ্ণ দাবী আছে।

মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰাকৃতিক দুৰ্য্যোগও ভুগি থকা অসমৰ নিচিনা এখন দেশে কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুদান নাপালে ইয়াৰ অৰ্থ নৈতিক উন্নতি কেতিয়াও কৰিব নোৱাৰে। কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুদান পোৱাৰ কাৰণে আজি অসমৰ বিভিন্ন সংগঠন বা অনুষ্ঠান সমূহে বেলেগ বেলেগ ধৰণে দাবী কৰি আহিছে। কেন্দ্ৰীয় অনুদানৰ ভিত্তিতেই ৰাজ্য সমূহৰ প্ৰতিষ্ঠান সমূহ গঢ় লৈ উঠিব বুলি আশা কৰিব পাৰি। ৰাজ্যখনৰ উন্নয়নৰ কাৰণে আমি কেন্দ্ৰৰ ওচৰত সদায়ে দাবী কৰিব লাগিব। আমাৰ বিৰোধী পক্ষৰ সদস্য ডবরত নবহ ডাঙৰীয়াই এটা কথা উত্থাপন কৰিছে, সেই কাৰণে মই তেখেতক ধন্যবাদ জনাইছো। ৰাজনৈতিক নিয়োগ কৰা ক্ষেত্ৰত হস্তক্ষেপ কৰিব নালাগে বুলি কৈছে। এইটো এটা ভাল পৰামৰ্শ। পলিচিটো কৃতকাৰ্য্য হৈছে। আমাৰ লক্ষীমপুৰ জিলাত এটা পদৰ বিপৰীতে ৬ৰ পৰা ১২ জনলৈকে নিযুক্তি দিছে। নিয়োগৰ কাৰণে ফাইল পুট-আপ কৰা নাই, ৰেজিষ্টাৰ কৰা নাই। ৫ৰ পৰা ১০ লাখ পৰ্য্যন্ত নিবনুৱাৰ সংস্থাপন দিব বুলি নিৰ্ব্বাচনী ইস্তাহাৰত প্ৰচাৰ কৰিছিল। আমি কাগজে-পত্ৰে দেখিবলৈ পাইছো যে ১০ লাখতকৈ অধিক নিযুক্তি দিয়া হৈছে। নিযুক্তি পোৱা লোক সকলে আজি দৰমহা পোৱা নাই। নিযুক্তি দি কিবা এটা সংস্থাপন কৰাটো বৰ্ণনা কৰিব নোৱাৰি। তেখেতে এটা কথা উল্লেখ কৰিছে চেয়াৰমেন বিলাক ৰাজনৈতিক হব নালাগে। নিগমৰ চেয়াৰমেন নিযুক্তি দিয়া ক্ষেত্ৰত মাননীয় বিধায়ক সকলক দিয়াত তেখেতে সুযোগ হিচাবে উল্লেখ কৰিছে। বিধায়ক সকলে ১ লাখ ১ লাখকৈ টকা দি আজি মিনিষ্টাৰ

হব পাৰে। তেতিয়া হলে নিগমৰ চেয়াৰমেন হোৱাটো একো ডাঙৰ কথা নহয়। নিগম পৰিচালনা কৰা সেই ব্যক্তিজনৰ সততা, কাৰ্য্য পৰিচালনা কৰা আদি কিছু গুণ থাকিলে নিগম পৰিচালনা কৰা অসুবিধা নহব। বিশেষকৈ গ্ৰাম্য উন্নয়ন বিভাগে তেওঁলোকৰ জৰিয়তে ১·২০ লাখ লোকক নিযুক্তি কৰাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ আগতে ৰাজনৈতিক কাম-কাজবিলাক হৈছিল। ঠিকাদাৰৰ জৰিয়তে কৰা নাছিল। সেই কাৰণে এই কামবিলাক যিটো নেকি এই আঁচনিতে কৰা হৈছে, য'ত ৪০ হেজাৰ টকাৰ খৰচ হোৱা নাই। বাকী ৬০ হেজাৰ টকা আত্মসাত কৰিছে। আমি জিলা ভিত্তিত অনুসন্ধান কৰি দেখিবলৈ পাইছো ক'তো একো কাম হোৱা নাই। এই কামবিলাক কৰিবৰ কাৰণে আমাৰ চৰকাৰে তদাৰক কমিটি গঠন কৰি দিছে। আগৰ চৰকাৰৰ দিনত কিছুমান পৰামৰ্শ, বিভাগৰ সহযোগীতা নথকাৰ কাৰণে ৰাজ্যখন অধোগতিৰ ফালে ঢাল খাইছে। উদ্যোগ বিভাগে স্বনিয়োজন আঁচনিৰ জৰিয়তে তেওঁলোকে ১০ হেজাৰ নিবনুৱাক ঋণ দিয়াৰ বিপৰীতে এতিয়া ১৫ হেজাৰলৈ বৃদ্ধি কৰিছে আৰু ইতিমধ্যে ১৯শ নিবনুৱাক ঋণ দিয়াৰ কাৰণে বেঙ্কলৈ চেংচন গৈছে। জিলাবিলাকত আজি প্ৰায় ২ মাহৰ ভিতৰত ইনটাৰভিউ হৈছিল। খৰতকীয়া ব্যৱস্থাৰে সেই সকলৰ ঋণৰ যোগান ধৰাৰ কাৰণে দিহা কৰা হৈছে। আমাৰ চৰকাৰে ব্যৱস্থা হাতত লগে আমাৰ দেশৰ নিবনুৱা সমস্যা কিছু পৰিমানে দূৰ কৰি নিশ্চয় সফলতা লাভ কৰিব পাৰে। আমাৰ অসমৰ সকলোবিলাক নিশ্চিত নিয়োগ ইংৰাজী নিশ্চয় হৈছে। সেই কাৰণে আমাৰ বিৰোধী পক্ষই যথেষ্ট অৱগত হব বুলি আশা কৰিলো।

বিশুদ্ধ খোৱা পানীৰ বিষয়ে উল্লেখ কৰিছো। খোৱা পানীৰ পৰা আমাৰ প্ৰায় ৬০ শতাংশ মানুহৰ বেমাৰ হয়। জনস্বাস্থ্য কাৰিকৰী বিভাগে ৰাইজক যাতে বিশুদ্ধ খোৱা পানীটোপা যোগান

ধৰাৰ ব্যৱস্থা কৰে তাৰ কাৰণে মই চৰকাৰক অনুৰোধ জনাইছো।

পথ আৰু যোগাযোগৰ ক্ষেত্ৰত আমি দীৰ্ঘদিন ধৰি ভোগ কৰি আহিবলগীয়া হৈছে। বগীবিল দলংখন হলে উত্তৰ পাৰৰ বাইজৰ যাতায়তত সুবিধা হব। উত্তৰ পাৰৰ ৰাইজখিনিৰ এনেকুৱা অসুবিধা হয় শিলচৰ গোৱালপাৰালৈ আহিবলগীয়া হ'লে ৬০০ কিলোমিটাৰ কষ্টৰে আহিব লাগে। ঠিক তেনেকৈ ডিব্ৰুগড়ৰ পৰা লক্ষীমপুৰলৈ ৰাষ্টা যাতায়ত কৰা যথেষ্ট অসুবিধা। সেইকাৰণে এই বগীবিলৰ দলংখন অতি সোনকালে নিৰ্ম্মাণ কৰা উচিত। কেন্দ্ৰীয় চৰকাৰৰ অনুদানৰ জৰিয়তে কামবিলাক কৰিবলৈ ওলোৱাত আমি চৰকাৰক ধন্যবাদ দিবলগীয়া। ইয়াৰোপৰি ব্ৰডগজ ৰেল লাইন সম্প্ৰসাৰণ কৰাৰ কাৰণে বৰ্ত্তমান চৰকাৰ ধন্যবাদৰ পাত্ৰ। তেওঁলোকে কৰা কোনো এখন বাজেটত সন্তুষ্ট হব পৰা নাই। বিৰোধী পক্ষৰ সদস্যসকলে নীতি পালন কৰিব লাগে কাৰণে এই সমালোচনা আগবঢ়াইছে। বিৰোধী দলৰ বক্তব্য খণ্ডন কৰি মোৰ কবলগীয়া খিনি কৈ ইমানতে মোৰ বক্তব্য সামৰণি মাৰিলো। ধন্যবাদ।

Mr. Deputy Speaker : Now Shri Chandra Kanta Terang.

★ শ্ৰী চন্দ্ৰকান্ত টেৰাং : মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৯৬ - ৯৭ চনৰ মাননীয় মুখ্যমন্ত্ৰীৰ বাজেট ভাষণৰ ওপৰত কিছু আংশিকভাৱে সমৰ্থন দি কিছু কথা কব বিচাৰিছো। বিশেষকৈ আমাৰ এ, এচ, দি, চিয়ে বিগত ১০ বছৰ ধৰি আন্দোলন চলাই আহিছে। ১-৪-৯৫ তাৰিখে আন্দোলনটো শেষ পৰ্য্যায় পায়। যোৱা কংগ্ৰেছ চৰকাৰৰ হেমাহিৰ কাৰণে তাত বিশেষকৈ দলীয় স্বাৰ্থ বহুতো আপচেট হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, আজি আমি এ,জি,পি, চৰকাৰৰ দিনত গম পাইছো যে পাৰ্বত্য জিলা দুখনৰ খৰতকীয়া উন্নয়নৰ

★ Speech not corrected

কাৰণে এ. এচ, ডি, চি আৰু জিলা দুখনৰ কাৰণে বিভিন্ন সন্থাৰ লগত হোৱা বুজাবুজিৰ চুক্তিখন (মাউ) ৰূপায়ণ কৰা হ'ব। যোৱা ১-৪-৯৫ চনত যি চুক্তি কৰিছিল, ইতিমধ্যে আমি শুনামতে বিশেষকৈ তিনি, চাৰিটা ভাগত ভাগ কৰা হৈছে। প্ৰথমটো ভাৰতীয় সংবিধানৰ ৬৮ নং টো এমেন্দমেন্দ কৰা হৈছে। দ্বিতীয়টো ওৱৰ্ক চাজত দিয়া হৈছে। ইতিমধ্যে যিটো অফিচ মেমোৰেন্দাম দিয়া হৈছে, সেইটো ৩০ তাৰিখৰ পিছত দিব বুলি শুনিছো। ইতিমধ্যে তেওঁলোকে আজি এমাহ মানৰ আগতে সংগ্ৰামী সন্থাটোৰ লগত যি বুজাবুজিৰ চুক্তি হৈছে বুলি শুনিছো, তাত ৰাজ্যপালৰ চহী লাগে। কিন্তু এতিয়ালৈকে সেইটো হোৱা নাই। সেয়া হ'ব বুলি শুনিছো। আজি হোৱা বুজাবুজিৰ ভিতৰত চাৰিটা বিষয় হৈছে এক নং-লেজিচ-লেটিভ জবাৱ, দুই নং-বাজেট, তিন নং-ল এণ্ড অৰ্ডাৰ আৰু চাৰি নং-জেনেৰেল বিষয়।

চাৰিটাৰ ভিতৰত বাকী তিনিটাৰ ক্ষেত্ৰত বিশেষকৈ এচ, টি আৰু ডি এচ, চিৰ বিষয়ত বিভিন্ন জিলা প্ৰশাসনৰ এণ্ট চেণ্ট্ৰেল চৰকাৰে আলোচনাৰ মাজেৰে এমেন্দ কৰিছে, গতিকে আমাৰ চৰকাৰেও চাল্টি-জাৰি চাই পাৰ্বত্য জিলা কেইখনৰ ক্ষেত্ৰত যাতে আশু সমাধা কৰা হয়, তাৰ বাবে আমাৰ চৰকাৰক অনুৰোধ জনালোঁ। আগৰ কংগ্ৰেছ চৰকাৰেও এই পাৰ্বত্য জিলা কেইখনৰ কথা বাজেটত ৰাখিছিল। বৰ্ত্তমান চৰকাৰেও ৯৬-৯৭ চনৰ পৰিকল্পনাৰ শিতানত বড়োলেণ্ড স্বায়ত্ব শাসিত পৰিষদ আৰু লালুং, টিৱা স্বায়ত্ব শাসিত পৰিষদ, এই চাৰিখন স্বায়ত্ব শাসিত পৰিষদৰ দ্বাৰা উন্নয়ণমুলক আঁচনি সমূহৰ ৰূপায়ণৰ বাবে পুঁজি আচুতীয়াকৈ ৰখা হৈছে। কিন্তু এই চাৰিখন পৰিষদৰ কাৰণে সৰ্বমুঠ ৫৮.৩৭ কোটি টকা বড়োলেণ্ডৰ বাবে, মিচিং স্বায়ত্ব শাসিত পৰিষদৰ বাবে ১০.৯২ কোটি টকা ৫.৮৯ কোটি টকা ৰাভা হাচঙ পৰিষদৰ কাৰণে আৰু ২.৮০ কোটি

টকা লালুং, টিৱা স্বায়ত্ত পৰিষদৰ বাবে ধাৰ্য্য কৰা হৈছে। তাৰোপৰি পৰিষদ কেইখনৰ সচিবালয়ৰ দৈনন্দিন ব্যয়ৰ বাবেও পৰিকল্পনা বহিৰ্ভূত শিতানত পুঁজি ধাৰ্য্য কৰা হৈছে। গতিকে আমি ভাবো ইমান কম টকাৰে এই কেইখন জিলাৰ উন্নতি সাধন কেনেকৈ হ'ব? ইয়াৰে কিছুমান টকা অফিচৰ কৰ্মচাৰী আদিৰ দৰমহা আৰু চি, এ, দি, এ, আদিতে খৰছ হৈ যাব। বাকী কেটবোৰ ৰাজনৈতিকভাৱেই সমাধান কৰিব লাগিব। কাৰণ ৰাইজৰ সমস্যাবোৰ ৰাজনৈতিক সমস্যা হিচাবেই ধৰিব লাগিব। তাৰোপৰি শিক্ষাৰ ক্ষেত্ৰতো কিছুমান মন কৰিবলগীয়া কথা আছে। এই পাৰ্বত্য জিলা কেইখনৰ শিক্ষাৰ শিতানতো টকা ধাৰ্য্য কৰা হৈছে। অসমত বহুতো পাব্লিক আৰু প্ৰায়ভেট স্কুল গঢ়ি উঠিছে। আজি ভাৰতবৰ্ষৰ সকলো ঠাইতে এনে ধৰণৰ শিক্ষানুষ্ঠান বাঢ়ি গৈছে। আনকি আঞ্চলিক স্কুলত কাম কৰা শিক্ষক সকলেও প্ৰায়ভেট নিজৰ ল'ৰা-ছোৱালীক প্ৰাইভেট স্কুলত পঢ়োৱাৰ চেষ্টা কৰে। সেয়েহে আজি প্ৰায় বিসাক অঞ্চলতে প্ৰায়ভেট স্কুলৰ সংখ্যা বাঢ়ি অহা দেখা গৈছে, যাৰ ফলত আঞ্চলিক ভাষাৰ স্কুল বিলাকৰ প্ৰতি মানুহৰ মনোযোগ প্ৰায় কমি যোৱা দেখা গৈছে। কিন্তু পিছপৰা পাৰলীয়া ল'ৰা-ছোৱালী বিলাকে কিছুমান বিশেষ শিক্ষাৰ পৰা বঞ্চিত হোৱা দেখা গৈছে। গতিকে চৰকাৰে এই বিলাক বিষয়ৰ প্ৰতি নজৰ দিলে ভাল হয়। এ, এচ, ডি, চিৰ ক্ষেত্ৰত যিবিলাক আঁচনি শিক্ষাৰ ক্ষেত্ৰত কৰিছে, তাৰ দ্বাৰা পাৰ্বত্য জিলাৰ পিছপৰা অঞ্চলৰ ল'ৰা-ছোৱালীৰ ভৱিষ্যত আমি তাত দেখা নাই। গতিকে চৰকাৰলৈ অনুৰোধ থাকিল যাতে এই বিষয়ত নজৰ ৰাখে। তাৰোপৰি বাজেটখনত যি শিল্প নীতি গ্ৰহণ কৰিছে, তাত শিল্প উদ্যোগৰ শ্ৰমিকৰ পক্ষে কোনো কথাই কোৱা নাই। শ্ৰমিকসকলেও অসমৰ ৰাইজৰ লগতে ৰাইজৰ এজন বুলি ভাবি অসমৰ উন্নতিৰ হকে সংগ্ৰাম কৰি আহিছে। আজি তেওঁলোকৰ কাৰণে কোনো

নীতি নিৰ্দ্ধাৰণ নকৰাৰ কাৰণে আমি ভাবো তেওঁলোকৰ পক্ষে গণতান্ত্ৰিক অধিকাৰ খৰ্ব কৰা হৈছে।

আমি জানিব পাৰিছো যে ভৱিষ্যতে কাৰ্বি আংলং জিলাত এটা ইলেকট্ৰিক প্ৰজেক্ট ইতিমধ্যে স্থাপন হৈছে। ইয়াত কৰ্মচাৰীৰ প্ৰচেষ্টাতেই ইয়াৰ উৎপাদন বাঢ়িছে। শেষতে আমি আশা ৰাখিছো ৰুগ্ন শিল্পসমূহক পুনৰ জীৱিত কৰিবলৈ নতুন পলিচি তৈয়াৰ কৰিব লাগে। আমাৰ ফালৰ পৰা কবলগীয়া কথা এই খিনিয়েই। ইয়াকে কৈ সামৰিলো।

**Mr. Speaker** : Now Shri Sukhendu Shekhar Dutta

**Shri Sukhendu Shekhar Dutta** : Hon'ble Speaker Sir, I was listening carefully to the debate on the budget proposals. Sir, so far as I know, the budget of any state is supposed to reflect the hopes and aspirations of the people. It is not a mere account of income and expenditure Budget should show or budget is supposed to reflect the economy of the state in the right direction so that gradually, in course of time, we can carry economy of the state forward for higher development. We are supposed to attain the stage of take off at the earliest period and for that end in view Sir, what I believe or what I know, we should give adequate emphasis to the process of investment in the state But in the budget proposals, there is little attention to that aspect of development and investment. Then Sir, the facts and figures

shown in the proposal about the state domestic product and per capita income which is deplorably low in the state of Assam. We all know it. But there is no provision how to improve the SDP and the per capita income. Without looking, if we just earmark some amount for the development of agriculture or this and that, these things would not carry the economy of the state forwerd to the stage where we can live in peace and we can expect prosperity of the people. Then Sir, here in the budget proposal, we have seen a large amount of public debt and we have to pay lot of interest for that Therefore, we have entered into a debt trap Our Finance Minister is not concerned with that aspect of the budget and that shows where we are going. A huge deficit has been shown in the budget But there is no proposal for reducing the deficit. If the system continued what will be economy of the state of Assam There is no tax proposed in the budget rather it is a matter of discredit if I am allowed to say so. On some non conventional item the Government could have raised its earning So Sir, without cutting the pocket of poor people we could have put taxes on the beauty parlour and rental income of the people. But this system has been totally neglected. I am from the Education Department,

I just tell you one thing. If you really want welfare of the state. we should impress for total literacy of the state. In my District Karimganj how the money is being spent, we find hundreds, lakhs and crores for unproductive purposes. But there is no money available for the development of the economy of the state where we can achieve take off in the near future. Then Sir, regarding Rural Development, the Finance Minister in his speech he has not mentioned about the achievements. I tell you Sir, if you go through you will see rather I feel it is a matter of shame. Manipulation are going on in the name of rural development. In the same context I would like to mention that no new schemes has been prepared on the basis of the cost benefit analysis. I mention how the Hon'ble Finance Minister replied about the present system on productivity and accountability without introducing the cost benefit of the project. We cannot ensure to put corruption to an end. Payment of regular performance audits in the Departments of the Government of Assam a lot of corruption will be checked. Sir, then regarding self employment schemes. The self employment schemes, which is a matter of shame that the money earmaked for self employment schemes is being credited for some other purposes. Sir, common people are not getting

any facilities and nothing has been shown in the budget proposal. Then Sir, if the budget does not tell us about the per capita income and if there is no measure for putting a check on the rise of prices, what will be the consequences, what will be the degree of the fate of the people? Then Sir, regarding augmentation of resources. I would like to mention that the Chief Minister in his budget speech has mentioned about the development of the state of Assam. Yes Sir, the Barak Valley is an integral part of Assam. Sir, the Silchar Medical College is in dying condition. The Chargula Suger Mill is not properly looked into. Unemployment is alermingly high. Other things are also in diplorable condition in the Valley. (If we do little work for the development of the state then in my opinion the state will prosper again.) So, I find a dark cloud looming large in the economic horrizon of the state So, the budget needs modification.

শ্ৰীভৰত চন্দ্ৰ নৰহ : অধ্যক্ষ মহোদয়, আজি যি সময়ত সদনত বাজেটৰ ওপৰত আলোচনা হৈ আছে সেই সময়ত বিত্তমন্ত্ৰী উপস্থিত থাকিব লাগিছিল কিন্তু তেওঁ উপস্থিত নাই আৰু ৰাজ্যিক বিত্ত মন্ত্ৰী থাকিলেও এক কথা আছিল কিন্তু বিত্ত বিভাগৰ ৰাজ্যিক মন্ত্ৰী নাই।

( সদনত হুলস্থূল )

মাননীয় উপাধ্যক্ষ : এতিয়া মাননীয় সদস্য কুমুদ চন্দ্ৰ দাসে বক্তব্য ৰাখিব।

শ্ৰীকুমুদ চন্দ্ৰ দাস ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বাজেট বক্তৃতা ডাঙি ধৰি যিখিনি কথাৰ অৱতাৰণা কৰিছে বিশেষকৈ জনজাতীয় আৰু জনগোষ্ঠীৰ কল্যাণৰ ক্ষেত্ৰত বিশেষ মনকান নিদিয়া যেন ধাৰণা হৈছে আৰু জনজাতীয় লোক সকলৰ আৰ্থ-সামাজিক দিশত কেনেভাৱে আগবঢ়াই নিয়াব সেই বিষয়ে কোনো ধৰণৰ স্পষ্ট ইঙ্গিত নাই। কিয়নো ইয়াত যি ধৰণে জনজাতীয় লোকৰ কল্যাণৰ কাৰণে বাজেটত যিটো অংক ধৰিছে সেই টকাটো এতিয়া নতুনকৈ জনজাতীয় হ'ব খোজা কোচ ৰাজবংশী সকলৰ মাজত কেনেভাৱে বিতৰণ কৰা হ'ব তাৰ কোনো স্পষ্ট নীতি উল্লেখ কৰা নাই। ইয়াত দেখুৱা যিটো হিচাব সেই অৰ্থৰ দ্বাৰা জনজাতীয় লোকৰ কোনো হিত সাধন কৰিব পৰা নহব। ইতিমধ্যে আমি শুনিবলৈ পাইছো কিছুমান সমষ্টিত অনুসূচিত জনজাতীয় লোকৰ কাৰণে ৰবাদ কৰা টকা কোচ ৰাজবংশী সকলেও ভাগ পাইছে, আৰু বিভিন্ন ক্ষেত্ৰত সুবিধা পাইছে, বিশেষকৈ বৰমা সমষ্টিত এনে ধৰণৰ ব্যৱস্থা হৈছে। এই ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা এটা স্পষ্ট নীতি দাঙি ধৰিব লাগিছিল কিয়নো ইতিমধ্যে যিসকলে জনজাতীয়ৰ চাৰ্টিফিকেট পাইছিল সেই সকলে এতিয়া কিন্তু জনজাতীয়ৰ সুবিধাখিনি নাপাব, গতিকে এতিয়া প্ৰশ্ন হৈছে কোন সকল জনজাতীয় হ'ব আৰু কোন সকল জনজাতীয় নহব সেই বিষয়ে আমি চৰকাৰৰ স্পষ্ট নীতি কি, বুজিব নোৱাৰিলো। বি, এ, চিৰ এৰিয়াৰ কাৰণে যিখিনি টকা ধাৰ্য্য কৰা হৈছে ৩৮'৭৬ কোটি টকা, এই কম পৰিমাণৰ টকাৰে বি, এ, চিৰ কি উন্নতি সাধিব? তাৰোপৰি বি, এ, চিৰ যিখিনি কাম সেইখিনি ৰাজ্য চৰকাৰে নকৰে বি, এ, চিৰ জৰীয়তেই কৰা হয়, তেনে ক্ষেত্ৰত এই যি ৩৮'৭৬ কোটি টকা ধৰা হৈছে তাৰে বি, এ, চি এলেকাৰ মাত্ৰ ৫ শতাংশ কামহে কৰিব পৰা হ'ব। শিক্ষিত নিবনুৱাৰ কথা ইয়াত উল্লেখ কৰা হৈছে বৰ্ত্তমান চৰকাৰে কাৰ্য্যভাৰ

গ্ৰহণ কৰাৰ লগে লগে কৰ্মসংস্থান বৃদ্ধি কৰাৰ উদ্দেশ্যে ৰাজ্যখনৰ উপযুক্ত নিৰনুৱা সকলক বিশেষ নিয়োগ ব্যৱস্থাৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ বিভিন্ন অনুষ্ঠান আৰু প্ৰতিষ্ঠানত সংস্থাপন কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনাইছে আৰু প্ৰধান মন্ত্ৰীৰ ৰোজগাৰ আঁচনিৰ জৰীয়তে অধিক সংখ্যক শিক্ষিত নিবনুৱাক সংস্থাপিত কৰিবলৈ লোৱা প্ৰচেষ্টাক আদৰণী জনাইছো। কিন্তু এই আঁচনিৰ জৰীয়তে যিসকল শিক্ষিত নিবনুৱাক ঋণ দিবলৈ যো-যা কৰা হৈছে তাৰ দ্বাৰা উপযুক্ত অৰ্হতা সকলে ন্যায়সংগত ভাৱে লোণ পোৱা নাই, শিক্ষিত নিবনুৱা সকলৰ বহুতে লোণ পোৱা নাই। এতিয়া লৈকে যিসকল ব্যক্তিয়ে ঋণ পাইছে সেইসকলৰ বেচিভাগেই ৭ হাজাৰ বা ১০ হাজাৰ টকা ঘোচ দিহে বা খৰচ কৰাৰ পাচতহে ঋণ আদায় কৰিব পাৰিছে কিন্তু যিসকলে উৎকোচ বা ঘোচ দিব পৰা নাই সেই সকলে ঋণ পোৱা নাই। গতিকে যিসকল শিক্ষিত নিবনুৱাই এতিয়া লৈকে ঋণ পোৱা নাই তেওঁলোকক অনতি পলমে ঋণ দিয়াৰ বাবে চৰকাৰে ব্যৱস্থা হাতত লব বুলি আশা কৰি মোৰ চমু বক্তব্যৰ সামৰণি মাৰিলো। ধন্যবাদ।

Mr. Deputy Speaker : Now, Hon'ble member, Shri Prithibi Majhi.

শ্ৰীপৃথিবী মাঝি : মাননীয় উপাধ্যক্ষ মহোদয়, বিত্ত বিভাগৰ দয়িত্বত থকা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিখন বাজেট উৎথাপন কৰিছে সেই বাজেট সম্পৰ্কত মই কেইটামান কথা কব বিচাৰিছো। এই বাজেটখন এখন ঘাটি বাজেট। আৰু ৭৬৬'২৯ কোটি টকাৰ ঘাটি বাজেট। এইটো কথা ঠিক যে, এখন উন্নয়নশীল দেশৰ এখন ঘাটি বাজেট হব পাৰে। ঘাটি বাজেট নোহোৱাকৈ বাজেট উৎথাপন কৰিব নোৱাৰে। বাজেটত যি ঘাটি দেখুৱাইছে সেইটো বিগত বছৰৰ বাজেটতকৈ বহুত বেছি।

পণ্ডিকে ইনদাইৰেক্টলি জনসাধাৰণক কেনেকৈ এফেক্ট কৰিব সেইটো আমি চোৱা দৰকাৰ। বৰ্ত্তমান যি ৭৬৬·২৯ কোটি টকা ঘাটি হৈছে সেইটো পূৰণ কৰিব জনসাধাৰণৰ পৰা। ইয়াৰ পৰা মুদ্ৰাস্ফীতি হব, আমি দেখিছো ১৯৯৬ চনৰ মাৰ্চ মাহৰ পৰা এতিয়ালৈকে টকাৰ মূল্য বৰ বেচিকৈ ফ্লাকচুৱেট হৈছে, স্খলন হৈছে। ইমান টকাৰ ঘাটি বাজেট লৈ এই বাজেট উন্নয়ন মুখী হব নোৱাৰে। এই বাজেট কৰ বিহীন বাজেট বুলি কোৱা হৈছে। কৰ বিহীন বাজেট উন্নয়ন শীল ৰাজ্যৰ বাজেট কেনেকৈ হব? এতিয়া চৰকাৰৰ কৰ লগাবলৈ সময় নাই। এই ৩ মাহৰ বাবে কি কৰ লগাব? কৰ নলগোৱা বাবে উন্নয়নশীল বাজেট হব নোৱাৰে। বিত্ত মন্ত্ৰীয়ে কৈছে যে নতুন কৰ লগোৱা হোৱা নাই আৰু এগজিচটিং কৰৰ ওপৰত গুৰুত্ব দিয়া হব। এগজিচটিং কৰৰ পৰা ৰেভিনিউ কেনেকৈ বাঢ়িব তাৰ কিবা ক্লিয়েৰ কাট পলিচি আছেনে নাই? ক্লিয়েৰ কাট পলিচি হব লাগে আৰু কৰ ফাকি দিয়া সুৰুঙ্গা বিলাক বন্ধ কৰিব লাগে। উদাহৰণ স্বৰূপে দেখা যায় যে, শ্ৰীৰামপুৰ গেটত যিখিনি টকা কালেক্ট হয় তাৰ পৰা কিমান টকা চৰকাৰৰ হাতলৈ আহে? মই পৰামৰ্শ দিছো আপোনালোকে বেছি টকা আনক। পতিকে এই বাজেটত কোনো ক্লিয়েৰ কাট পলিচি নাই। যি টকা কালেক্ট হৈছে তাৰ ২৫ শতাংশও চৰকাৰৰ ভৰালৈ নাহে। টেক্সৰ যিটো পলিচি সেইটো বিবেচনা কৰিবলগীয়া হৈছে। এই বাজেটত দেখা পৈছে যে, নিয়োগৰ ক্ষেত্ৰত চৰকাৰে গুৰুত্ব দিয়া নাই। কাৰণ এই ৬ মাহৰ ভিতৰত নিয়োগৰ কোনো পলিচি লব পৰা নাই। নিয়োগ সম্পৰ্কত বাজেটত যিটো কথা কোৱা হৈছে এইটো চেণ্ট্ৰেল স্পনচৰ্দ আঁচনি সমূহৰ যোগেদি কৰা নিয়োগ আঁচনি। কিন্তু নিজস্বভাবে কেনেকৈ কৰিব এইটো বাজেটত নাই। বিগত চৰকাৰৰ কথা আলোচনা কৰি লাভ নাই। ১৯৯১ চনৰ এপ্ৰিল মাহৰ পৰা ১৯৯৫ চনৰ এপ্ৰিল মাহলৈকে

কিমান নিযুক্তি দিয়া হৈছে তাৰ সংখ্যা হ'ল ৮৮,১২৩ টা। কিন্তু এইবাৰৰ নিবনুৱা সমস্যা দূৰীকৰণৰ কোনো পলিচি দেখা নাই। আপোনালোকে কেনেকৈ এই সমস্যা সমাধান কৰিব? গ্ৰাম্য উন্নয়নৰ ক্ষেত্ৰতো এই ৬টা মাহত কোনো কাম হোৱা নাই।

গ্ৰাম্য উন্নয়নৰ ক্ষেত্ৰত আৰু এটা কথা কব বিচাৰিছো যে বৰ্তমান চৰকাৰে গ্ৰাম্য উন্নয়নত বিশেষ একো কাম কৰিব পৰা নাই। আজি ৬ মাহে কোনো ধৰণৰ উৎসাহজনক কাম কৰিব পৰা নাই। এতিয়া ইন্দিৰা আৱাস যোজনাৰ অধীনত ২৫,৭৬০ পৰিয়াললৈ আৱাস গৃহ আবন্টনৰ আঁচনি সমূহ ৰূপায়ন কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। গতিকে আজি বাজেটত যি বিলাক কথা উৎথাপন কৰিছে সেইবিলাক এটা গতানুগতিক প্ৰক্ৰিয়াহে। তাত নতুনত্ব একোৱেই নাই। প্ৰধান মন্ত্ৰী উত্তৰ পূৰ্ব্বাঞ্চল ভ্ৰমণ কৰাৰ সময়ত যিবিলাক দিম বুলি প্ৰতিশ্ৰুতি দি গল সেইবিলাক আগতে হৈ থকা। যেনেকৈ বগিবীল দলং, ব্ৰডগজ লাইন আদি। এইখিনিতে আৰু এটা কথা বাজেটত কোৱা হৈছে যে জথে-মথে শিক্ষানুষ্ঠান গঢ়াৰ পৰিবৰ্ত্তে শিক্ষাৰ গুনগত মানদণ্ড উন্নত কৰাৰ এই চৰকাৰৰ লক্ষ্য হব লাগে। আজি আপোনালোকে লক্ষ্য কৰিছে বোধহয় এই বিলাক স্কুল কেতিয়া প্ৰতিষ্ঠা হৈছে। ১৯৭৯-৮৫ৰ সময়ত যিবিলাক স্কুল প্ৰতিষ্ঠা হল সেইবিলাক স্কুল তেনেকৈয়ে থাকিব নে? সেইবিলাক স্কুল প্ৰভিনচিয়েলাইজ কৰা হবনে নহয়? আগৰ চৰকাৰে ১৯৭৮-চনৰ পৰা আৰম্ভ কৰি আপট ১৯৯০-৯১ লৈকে এচটাবলিচ কৰা স্কুল বিলাক প্ৰভিনচিয়েলাইজ কৰিছে। সমষ্টিৰ বিধায়ক সকলে বুজাব পাৰিব স্কুল বিলাক কোন চনলৈকে প্ৰভিনচিয়েলাইজ কৰা হৈছিল। বিগত চৰকাৰৰ দিনত ৩ হেজাৰ স্কুল প্ৰভিনচিয়েলাইজ কৰা হ'ল। বহুতো হাইস্কুল প্ৰভিনচিয়েলাইজ কৰা হ'ল। বহুতো এম, ই স্কুল, মাদ্ৰাছা স্কুল প্ৰভিনচিয়েলাইজ কৰা হ'ল। এই চৰকাৰে কিমান স্কুল চৰকাৰী

কৰণ কৰিব তাৰ কোনো ইংগিত নাই। মাননীয় সদস্য হিতেন্দ্ৰনাথ গোস্বামী ডাঙৰীয়াই ৰেভিনিউ সম্পৰ্কত যি কথা কৈছে যুক্তিসঙ্গত হোৱা উচিত। ১৮ পইচাৰ পৰা ৫০ পইচালৈ চাহপাতৰ কৰ বঢ়ালে কি পৰিনতি হব তাক বিশ্লেষণ কৰা দৰকাৰ। যদি সেইটো হয় ভেতিয়াহ'লে বাগান বিলাকৰ অৱস্থা কি হ'ব। তাত থকা হেজাৰ হেজাৰ মজদুৰৰ অৱস্থা কি হব। বাগানৰ মালিক সকলে লণ্ডন, আমেৰিকাত গৈ ব্যৱসায় কৰিব পাৰিব। তেওঁলোকে দৰকাৰ হলে বাগিচা বন্ধ কৰি যাব পাৰিব। কিন্তু বিভিন্ন ক্ষেত্ৰত কৰ বঢ়াই দিলে শ্ৰমিক সকলৰ ওপৰতো তাৰ প্ৰভাৱ পৰিব। আজি 'টুৰিজিম ডেভলপমেণ্ট কৰ্পৰেচন গঠন কৰা দৰকাৰ। অসমৰ বাহিৰত গুৱা, কাশীৰ আদিত এই টুৰিজিমৰ পৰাই বহু কোটি টকা ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে। কিন্তু অসমৰ ক্ষেত্ৰত এই টুৰিজিম ডেভলপমেণ্টত বিশেষ গুৰুত্ব দিব পৰা নাই। গোটেই বাজেট চালি-জাৰি চাই এনেকুৱা লাগে যে আগৰ বাজেটৰ লগত সংগতি থকা এখন গতানুগতিক বাজেট। এইখিনিকে কৈ মই সামৰণি মাৰিলো।

**Mr. Deputy Speaker :** Now Mrs. Sushila Hazarika to Speak.

★ শ্ৰী সুশিলা হাজৰীকা : মাননীয় উপাধ্যক্ষ মহোদয়, বিত্ত বিভাগৰ দায়িত্বত থকা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ১৩ ডিচেম্বৰ তাৰিখে এই বছৰৰ ১৯৯৬-৯৭ বিত্তীয় বাজেট বক্তৃতা সম্পৰ্কত কব বিচাৰো যে বাজেটখন সৰ্ব্বোদায় সামৰি এখন প্ৰকৃত বাজেট বক্তৃতা, সেইবাবে এই বাজেটখন আদৰণি জনাইছো। আৰু বিগত চৰকাৰে এৰি থৈ যোৱা ৬ শ কোটি টকা ঋণৰ বোজা মুৰত লৈ এই চৰকাৰে কোনো নতুন কৰ কাটল নোহোৱাকৈ এখন জনমুখী বাজেট উত্থাপন কৰাৰ কাৰণে মই চৰকাৰক ধন্যবাদ জনাইছো। দ্বিতীয়তে ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণৰ কাৰণে সমুদায় ধন কেন্দ্ৰীয় চৰকাৰে বহন কৰিব বুলি যি আশ্বাস

★ Speech not corrected

দিছে তাৰ পৰা অসমৰ বানপানী সমস্যা সমাধান কৰাত যথেষ্ট সহায় হব বুলি আশা কৰিছো আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা এই ধন আদায় কৰাত সক্ষম হোৱাৰ কাৰণে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। তৃতীয়তে পঞ্জাব, কাশ্মীৰ আদি ৰাজ্যত সন্ত্ৰাস বাদ দমন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে যি ধৰণে আগবাঢ়ি আহিছে সেই ধৰণে অসমৰ ক্ষেত্ৰটো আজি সন্ত্ৰাসবাদে যি ধৰণে জৰ্জৰিত কৰি তুলিছে সেইটো নিয়ন্ত্ৰণৰ কাৰণে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে উভয়ে যথোপযুক্ত ব্যৱস্থা হাতত লব বুলি আশা কৰিলো।

উপাধ্যক্ষ মহোদয়, আমাৰ সকলোৰে ঐক্যবদ্ধ প্ৰচেষ্টাত উন্নয়ন মূলক দিশ কেইটা কাৰ্য্যকৰী হ'লে বাজেটত যি ৭৬৪ কোটি ২৯ লাখ টকা ঘাটি দেখুউৱা হৈছে সেইটো কমি যাব বুলি উল্লেখ কৰা হৈছে আৰু সেই কাৰণে মই এই বাজেটখনক আদৰণী জনাইছো। ইয়াৰ লগতে উন্নয়ন মূলক দিশ সমূহত প্ৰয়োজন অনুসৰি পৰিকল্পনাৰ ধন আবণ্টন কৰাত উপযুক্ত পদক্ষেপ হাতত লৈছে আৰু তাৰ লগতে দৰিদ্ৰ জনসাধাৰণৰ উন্নতিৰ কাৰণে ৰাজ্যখনৰ কৃষি আৰু গ্ৰামোন্নয়নৰ লগতে শক্তিৰ ক্ষেত্ৰত উপযুক্ত আবণ্টনৰ ব্যৱস্থা কৰা কাৰণে মই এই বাজেটখনক আদৰণি জনাইছো। তাৰোপৰি ৰাজ্যখনৰ জলন্ত বানপানী সমস্যা সমাধানৰ ক্ষেত্ৰত ১২২ কোটি ২৩ লাখ টকা আবণ্টন কৰা হৈছে। আমি আশা কৰিব পাৰো যে ৰাজ্যখনৰ বিভিন্ন অঞ্চলৰ বানপানীৰ জলন্ত সমস্যা সমাধানৰ লগতে ডেৰগাওঁ সমষ্টিৰ জনজাতীয় অধ্যুষিত ভিতৰুৱা অঞ্চলবোৰ, ব্ৰহ্মপুত্ৰ নদীৰ ৫-১১ নং স্পাৰ লৈ সৃষ্টি কৰা গৰাখহনীয়া আৰু ভোগদৈ নদীৰ মথাউৰি ভাগি যি বানপানীৰ ধ্বংসলীলা সৃষ্টি কৰিছে সেই সমস্যা সমূহ সমাধান কৰা কাৰণে এই চৰকাৰে গুৰুত্ব দিব বুলি আশা কৰি আৰু এই বাজেট খনক এখন প্ৰকৃত উন্নয়নশীল বাজেট বুলি আদৰণি জনায় মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Deputy Speaker : Now Shri Jyoti Prashad Das to Speak.

★ শ্ৰী জ্যোতি প্ৰসাদ দাস : মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ১৩ ডিচেম্বৰ তাৰিখে আমাৰ বিত্ত বিভাগৰ দায়িত্বত থকা মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই ১৯৯৬-৯৭ চনৰ যি খন বাজেট উপস্থাপন কৰিছে, সেইখন মই সমৰ্থন কৰি কব খুজিছো যে আমাৰ এই জনপ্ৰিয় চৰকাৰখনে দায়িত্ব ভাৰ লোৱাৰ সময়ত পূৰ্বৰ চৰকাৰখনে যি ধাৰ থৈ গৈছিল সেই ধাৰৰ বোজা লৈও এই চৰকাৰখনে এখন কৰ যুক্ত বাজেট উত্থাপন কৰিবলৈ সক্ষম হৈছে। সেই কাৰণে বিভিন্ন দিশৰ পৰা চায় এই বাজেটখনক আদৰণি জনাইছো। ইতিমধ্যে অসমৰ জনসাধাৰণৰ মনত এটা ভাবৰ সৃষ্টি হৈছিল যে অ, গ, প, চৰকাৰে শাসন ভাৰ লোৱাৰ পিচত অসমৰ ৮৯ শতাংশ কৃষিৰ ওপৰত নিৰ্ভৰশীল কৃষকৰ ওপৰত এটা কৰৰ বোজা আহি পৰিব। কিন্তু মুখ্য মন্ত্ৰী ডাঙৰীয়াই এই বাজেটখন উত্থাপন কৰা পিচতে অসমৰ জনসাধাৰণৰ মনত এটা আনন্দৰ পৰিবেশ সৃষ্টি হৈছে আৰু তেওঁলোকে ভাবিছে যে এই চৰকাৰে অসমৰ ৰাইজৰ কাৰণে কিছু চিন্তা-চৰ্চা কৰিছে। এই চৰকাৰে দায়িত্বভাৰ লোৱাৰ পিচত আগৰ চৰকাৰখনে এৰি যোৱা বহুতো সমস্যাৰ সন্মুখীন হব লগা হৈছে। আমাৰ বিত্ত মন্ত্ৰী তথা মুখ্য মন্ত্ৰী ডাঙৰীয়াই বিভিন্ন প্ৰসঙ্গত স্পষ্ট ভাবে উল্লেখ কৰিছে যে এই চৰকাৰে কাৰ্য্যভাৰ লোৱাৰ পিচত নানা ধৰণৰ সন্ত্ৰাসবাদ, গোষ্ঠীগত সংঘৰ্ষ আদি চণ্ডালিবৰ কাৰণে বহুতো টকা পইচা খৰচ কৰিব লগা হৈছে আৰু তাৰ ফলত এই বাজেটখনতো যথেষ্ট প্ৰভাব পৰিছে। তথাপিও এই বাজেটখনত নিয়োগৰ ক্ষেত্ৰত যথেষ্ট পদক্ষেপ লোৱা পৰিলক্ষিত হৈছে আৰু বিভিন্ন বিভাগৰ কাৰ্য্যসূচীত অসমৰ যুৱক-যুৱতী সকলৰ কৰ্মসংস্থানৰ কাৰণে বাজেটত উল্লেখ কৰিছে। এই বাজেটখনত অসমৰ ৮৯ শতাংশ কৃষিজীৱি

★ Speech not corrected

ৰাইজৰ উন্নতিৰ কাৰণে গুৰুত্ব দিয়া দেখা গৈছে আৰু তাৰ কাৰণে উন্নত কৃষি সা-সজুলি, উন্নত মানৰ বীজ আদি যোগানৰ কাৰণেও ব্যৱস্থা লোৱাত চিন্তা চৰ্চা কৰা দেখা গৈছে। গ্ৰামোন্নয়নৰ শিতানত বিভিন্ন ধৰণৰ কাৰ্য্যসূচী হাতত লোৱা কাৰণে বাজেটখনক আদৰণি জনাইছো। ইয়াৰ আগৰ চৰকাৰে গ্ৰামোন্নয়নৰ কাৰণে যদিও বহুতো ব্যৱস্থা গ্ৰহণ কৰা বুলি কৈছিল কিন্তু সেইবোৰ ঠিক মতে ৰূপায়ন নকৰাৰ কাৰণে ৰাইজৰ মনত হতাশাৰ ভাব উদয় হৈছিল। কিন্তু আমাৰ চৰকাৰে দায়িত্ব লোৱাৰ পিছতে গ্ৰামোন্নয়নৰ ক্ষেত্ৰত যিবোৰ ব্যৱস্থা আছে সেইবোৰ সুচাৰুৰূপে কাৰ্য্যকৰী কৰাৰ কাৰণে ব্যৱস্থা হাতত লৈছে আৰু তাৰ বাবে বাজেটতো ব্যৱস্থা ৰাখিছে। গতিকে এই বাজেট সৰ্ব সাধাৰণ ৰাইজৰ জীৱনত প্ৰতিফলিত হব বুলি আশা কৰিব পাৰি। ইয়াৰ লগতে মই এটা কথা কব খোজো যে আগৰ চৰকাৰে আবাস গৃহ নিৰ্মাণৰ কাৰণে যিবোৰ ব্যৱস্থা হাতত লৈছিল সেইবোৰ বেছিভাগেই আধৰুৱা কিম্বা কাৰ্য্যকৰী নকৰাৰ ফলত এই শিতানৰ ধন ঠিকমতে খৰচ কৰিব পৰা নাছিল। সেই কাৰণে এই চৰকাৰে যি ২৫,৭৬০ টা আবাস গৃহৰ কাৰণে ব্যৱস্থা হাতত লোৱাৰ কথা উল্লেখ কৰিছে সেইটো সময়মতে আৰু সুচাৰু ৰূপে কাৰ্য্যকৰী কৰাৰ কাৰণে মই অনুৰোধ জনালো আৰু আমাৰ এই জনপ্ৰিয় চৰকাৰখনে তৃণমূল ৰাইজৰ উন্নতিৰ কাৰণে কাম কৰি যাব পাৰিব বুলি মই আশা ৰাখিলো।

এতিয়া শক্তিৰ ক্ষেত্ৰত মই কব বিচাৰিছো। আগতে যিখিনি শক্তি আহৰণ কৰা হৈছিল এইবাৰ ১৯৯৬-৯৭ বাৰ্ষিক বছৰত পাৱাৰ প্ৰজেক্ট বিলাকৰ পৰা ৪৫ মেগাৱাট শক্তি বৃদ্ধি কৰা হব বুলি মাননীয় মুখ্য-মন্ত্ৰীয়ে বাজেট ভাষণত উল্লেখ কৰিছে। এই দিশটোত আমি জন-সাধাৰণৰ আশা-আকাংক্ষা প্ৰতিফলিত হোৱাতো দেখিবলৈ পাইছো। উদ্যোগৰ ক্ষেত্ৰত মই কব বিচাৰিছো যে ব্যক্তিগত খণ্ডত দেশী আৰু

বিদেশী পুঁজি বিনিয়োগ কৰাৰ কাৰণে যি সকল উদ্যোগী অসমলৈ আহে তেখেতসকলক সুবিধা দিয়াৰ কাৰণে চিন্তা কৰা হব বুলি কোৱা হৈছে। মাননীয় প্ৰধান মন্ত্ৰী মহোদয়ে অসম ভ্ৰমণলৈ আহোতে ব্যক্তিগত খণ্ডত দেশী আৰু বিদেশী পুঁজি বিনিয়োগ বৃদ্ধি কৰাৰ কাৰণে উত্তৰ পূৰ্ব্বাঞ্চলৰ কাৰণে এক নিৰ্দ্দিষ্ট উদ্যোগ নীতি অহা ৩১।৩।৯৭ ভিত্তৰত ঘোষণা কৰা হব বুলি ব্যক্ত কৰিছে। এই সংক্ৰান্তত অসম চৰকাৰৰ পৰামৰ্শৱলী ভাৰত চৰকাৰৰ ওচৰত দাখিল কৰা হৈছে। অৰ্থনৈতিক দিশটোত যাতে স্বাবলম্বী হব পৰা যায় এই কথাটো চিন্তা চৰ্চ্চা কৰা বাজেট ভাষণত দেখিবলৈ পোৱা যায়। আমাৰ শিক্ষিত নিবনুৱা যুৱক-যুৱতীসকলৰ স্ব-নিয়োজন ব্যৱস্থাৰ কাৰণে আঁচনি আছে। সেই আঁচনিৰ জৰিয়তে ৯,৯০০ জনৰ বিপৰীতে ১৫,০০০ জনলৈ স্ব-নিয়োজনৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি বাজেট ভাষণত উল্লেখ কৰিছে। আমাৰ চৰকাৰে এই ক্ষেত্ৰত নিজে দায়িত্ব লৈ জনসাধাৰণৰ কল্যাণ সাধন কৰাৰ চিন্তা প্ৰতিফলিত হৈছে আৰু এই স্ব-নিয়োজন আঁচনিটো ঠিকমতে ইমপ্লিমেন্ট কৰিব বুলি আমাৰ বিশ্বাস আছে আৰু জনসাধাৰণেও এইটোৰ প্ৰতি বিশ্বাস ৰখা দেখা যায়। গড়কাপ্তানী বিভাগত আগতে বহুতো খেলি-মেলি হৈ গ'ল। ৰাস্তা-ঘাট, দলং আদি নিৰ্ম্মাণৰ কাৰণে আগৰ চৰকাৰে নীতি নিয়ম নোহোৱাকৈ বহুতো টকা খৰছ কৰে। এতিয়া আমাৰ চৰকাৰে সেই বিলাকৰ মোকাবিলা কৰিবলগীয়া হৈছে। নতুনকৈ পথ আৰু দলং নিৰ্মাণৰ কাৰণে বহু টকা খৰচ কৰিবলগীয়া হৈছে। যোৱা জুন আৰু জুলাই মাহতো যিহেতু বানপানীৰ সময় সেয়েহে তাৰ পিচৰ পৰাহে ৰাস্তা-ঘাট, দলং আদি নিৰ্ম্মাণৰ কাম কৰিবলৈ লোৱা হৈছে আৰু এই ক্ষেত্ৰত যথেষ্ট টকা খৰচ কৰা হৈছে। তথাপি পথ আৰু দলঙৰ কাৰণে ১৯৯৬-৯৭ চনৰ বাৰ্ষিক পৰিকল্পনাত আৱন্টন হৈছে ১০২.৯১ কোটি টকা। মই ভাবো আমাৰ এই বাট-পথ, দলং আদি

মেৰামতি আৰু নির্মাণ কৰা হ'লে আমাৰ ৰাজহ আদায় কৰাতো সুবিধা হব। এই ক্ষেত্রত বাজেটত আশাৰ ৰেঙণি দেখা গৈছে আৰু অসমৰ ৰাইজেও ইয়াক আদৰণি জনাইছে। শিক্ষা বিভাগৰ কথা কবলৈ গলে পূর্বৰ চৰকাৰখনৰ কথা কবই লাগিব। আগৰ চৰকাৰটোৱে এই বিভাগটোত যথেষ্ট খেলি-মেলিৰ সৃষ্টি কৰি থৈ গ'ল। এই বিভাগটোৰ জৰিয়তে কেনেকৈ আমাৰ ৰাইজৰ মাজত শান্তি আনিব পাৰি আৰু শিক্ষক সকলে আমাৰ দেশৰ নাগৰিক সকলক কেনেকৈ সুস্থ-সবল ভাৱে গঢ় দিব পাৰে তাৰ যথাযথ ভাবে চেষ্টা কৰি থকা দেখা গৈছে আৰু এই কথা বাজেট ভাষণত উল্লেখ কৰি আঙুলিয়াই দিছে। এইখিনিতে মই আগৰ চৰকাৰৰ এটা উদাহৰণ দিব বিচাৰিছো যে আগৰ চৰকাৰে অনিয়ম আৰু নীতি নিয়ম নোহোৱাকৈ কিমান যে নিযুক্তি দিছে আৰু দুর্নীতিৰ জৰিয়তে দি থৈ যোৱা এই নিযুক্তি বিলাকৰ কাৰণে আমাৰ চৰকাৰে কষ্ট কৰিবলগীয়া হৈছে। নীতি-নিয়ম নোহোৱাকৈ বা নীতি নিয়ম বহিৰ্ভূত ভাৱে নিযুক্তি দিয়া কথাটো বিভিন্ন কাগজে পত্ৰই প্ৰকাশ পাইছে। এই অবৈধভাবে নিযুক্তি দিয়া সকলক বৰখাস্ত কৰা হব বুলি এচামে আন্দোলনকাৰীসকলক উচটাই দি প্রতিক্রিয়াৰ সৃষ্টি কৰা দেখা যায়। তথাপি আমাৰ চৰকাৰে শিক্ষাৰ পৰিবেশটো যাতে বেয়া নহয় আৰু গুণগত মানদণ্ড যাতে বৰ্ত্তি থাকে তাৰ কাৰণে চেষ্টা কৰিছে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ কথা মই কব বিচাৰিছো। অসমত ডাঙৰ ডাঙৰ যি কেইটা অনুষ্ঠান -গুৱাহাটী চিকিৎসা মহাবিদ্যালয়, ডিব্রুগড় চিকিৎসা মহাবিদ্যালয় আৰু শিলচৰ মহাবিদ্যালয় এই সকলোবিলাক অনুষ্ঠানৰ যথেষ্টখিনি আগবঢ়া বুলি চৰকাৰে কৈছে আৰু বাজেট ভাষণত এই কথাবিলাক উল্লেখ কৰা আছে। অসমৰ গ্ৰাম্যাঞ্চলত বসবাস কৰা ৰাইজেও সা-সুবিধা পাব বুলি বাজেট ভাষণত উল্লেখ কৰা হৈছে। আমাৰ অনুসূচীত জাতি আৰু জনজাতিৰ

কল্যাণৰ বাবে উপযুক্ত ভাৱে পুঁজি আবন্টন কৰা হৈছে। আগতে অনিয়ম কৰাৰ ফলত অনুসূচীত জাতি আৰু জনজাতি লোকসকলৰ মাজত এটা ভয়াবহতাৰ সৃষ্টি হৈছিল। এই শিতানত বাজেটত যিখিনি টকা ধাৰ্য্য কৰা হৈছে সেই টকাখিনি যদি ঠিকমতে ইমপ্লিমেণ্ট কৰিব পৰা যায় তেতিয়া হলে আমাৰ এই পিচপৰি থকা ৰাইজৰ যথেষ্ট খিনি উন্নয়ন সাধন হব। পাৰ্বত্য অঞ্চলৰ বাবে ১৯৯৬-৯৭ চনৰ বাৰ্ষিক পৰিকল্পনা আবন্টনত ৯২ কোটি টকা ধাৰ্য্য কৰা হৈছে। ইয়াৰ জৰিয়তে পাহাৰীয়া ৰাইজৰ উন্নয়নত আৰু অৰ্থনৈতিক দিশত সহায় কৰিব পৰা যাব আৰু তেওঁলোকৰ মাজত আশাৰ বেঙনি সৃষ্টি কৰিছে। ১৯৯৬-৯৭ চনৰ পৰিকল্পনা শিতানত বড়োলেণ্ড স্বায়ত্ব শাসিত পৰিষদৰ বাবে ৩৮.৭৬ কোটি টকা, মিচিং স্বায়ত্ব শাসিত পৰিষদৰ কাৰণে ১০.৯২ কোটি টকা, ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদৰ বাবে ৫.৮৯ কোটি টকা আৰু লালুং (টিৱা) স্বায়ত্ব শাসিত পৰিষদৰ বাবে ২.৮০ কোটি ধাৰ্য্য কৰা হৈছে। সেই কাৰণেই আমি আশা ৰাখিছো যে এই বাজেটখন এখন ফলপ্ৰসূ বাজেট হব। অসম খন যাতে সুচাৰুৰূপে চলাই নিব পাৰি তাৰ কাৰণে মাননীয় বিৰোধী দলৰ সদস্যসকলেও এই বাজেট খনৰ প্ৰতি আদৰণি জনাব লাগে আৰু এইটো আশা ৰাখি ১৯৯৬-৯৭ চনৰ বাজেটখনৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাই মোৰ বক্তব্যৰ ইমানতেই সামৰণি মাৰিলো।

